দ্বিতীয় সংখ্যা / '৮৮-'৮৯

# কপিলী আঞ্চলিক মহাবিদ্যালয় আলোচনী



॥ সম্পাদনা ঃ সৰ্ব্বানন্দ দেউৰী ॥

# কপিলী আঞ্চলিক মহাবিদ্যালয় আলোচনী

Jagiroad College Library
Estd—1979
Date....................
Morigaon :: Assam

১৯৮৮-১৯৮৯

দ্বিতীয় বছৰ ॥ দ্বিতীয় সংখ্যা ॥

সম্পাদনা ঃ সৰ্ব্বানন্দ দেউৰী

তত্ত্বাবধায়ক ঃ সুভাষ সাহা

Annual literary Journal of the Students' Union, K. A. Mahavidyalaya, Jagiroad 1988-1989.

কপিলী আঞ্চলিক মহাবিদ্যালয় আলোচনী
দ্বিতীয় বছৰ ॥ দ্বিতীয় সংখ্যা ॥ ১৯৮৮-১৯৮৯ ॥
জাগীৰোড ॥

সম্পাদনা ঃ সৰ্ব্বানন্দ দেউৰী
তত্ত্বাৱধায়ক ঃ সুভাষ সাহা M. A, M. Phil.

সম্পাদনা সমিতি ঃ

মহেন্দ্ৰ আহোম, অধ্যক্ষ,
শ্ৰীমতী ৰাজু বৰুৱা, M.A.
শ্ৰীযুত দিপকজ্যোতি বৰুৱা, M.A.
শ্ৰীমতী কানন ধৰ চৌধুৰী, M.A.

বেটুপাত পৰিকল্পনা আৰু অঙ্গসজ্জা ঃ
সুভাষ সাহা, প্ৰৱক্তা

মুদ্ৰণ ঃ
মণিকূট প্ৰিন্টাৰ্চ, লেম্ব ৰোড, গুৱাহাটী—১

প্ৰকাশনা ঃ

ছাত্ৰ একতা সভা
কপিলী আঞ্চলিক মহাবিদ্যালয়
জাগীৰোড

Jagiroad College Library
Estd—1979
Date..................
Morigaon :: Assam

কপিলী আঞ্চলিক
মহাবিদ্যালয়
আলোচনী
দ্বিতীয় বছৰ ॥ দ্বিতীয় সংখ্যা ॥
১৯৮৮-৮৯

## এই সংখ্যাত আছে

অসমীয়া বিভাগ ঃ


| | | | পৃষ্ঠা |
|---|---|---|---|
| | ★ সম্পাদকীয় | | |
| প্ৰবন্ধ ঃ | ★ অসমীয়া নাট্য সাহিত্যত অংকীয়া নাটকৰ স্থান | সৰ্ব্বানন্দ দেউৰী | ১ |
| | ★ নাট্য সাহিত্যৰ বৈশিষ্ট্য | মুনমুন গোঁহাই | ৩ |
| | ★ অসমীয়া লোক সাহিত্যত এভুমুকি | মেঘালী দাস | ৬ |
| | ★ সম্পদ উদঘাটন আৰু উত্তৰ-পূব ভাৰতত পাৰিপাৰ্শ্বিক সমস্যা | নিজৰা গোঁহাই | ৯ |
| | ★ আলুঃ আগত দিনবোৰ | ৰন্টুমণি শইকীয়া | ১৪ |
| | ★ ভূপেন হাজৰিকাৰ সামাজিক দায়বদ্ধতা— এটি মূল্যায়ণ | অতুল কাঠাৰ | ১৭ |
| | ★ অসমৰ সমস্যা আৰু বিষ্ণুৰাভাৰ দৃষ্টিভঙ্গী | ৰমেশ স্বৰ্গীয়াৰী | ২০ |
| | ★ স্ব-শাসিত ৰাষ্ট্ৰ 'ব্ৰাচীন'ৰ আঁচনি আৰু বিভাজনমুখী অসম | দিগন্ত কুমাৰ ডেকা | ২৩ |
| | ★ ফৰাচী বিপ্লবৰ তাৎপৰ্য্য | লতামণি দাস, মীনাক্ষী বৰকাকতী, জয়া দাস আৰু ৰাতুল মেধী | ২৫ |
| | ★ অপৰাধ প্ৰৱণতা ঃ ছাত্ৰসমাজত ইয়াৰ প্ৰভাৱ | গীতশ্ৰী বৰা | ২৮ |
| | ★ বিজ্ঞান বনাম কলা | ফুণুকুমাৰ ডেকা | ৩১ |
| | ★ গছ, পাত, শিপা ইত্যাদি | পবন চন্দ্ৰ গগৈ, প্ৰৱক্তা | ৩২ |
| | ★ গ্ৰন্থাগাৰ সেৱাৰ ওপৰত এভুমুকি | বাবুল মালাকাৰ, গ্ৰন্থাগাৰিক | ৩৫ |
| কবিতা ঃ | ★ তিনিখন ছৱি | ৰন্টুমণি শইকীয়া | ৩৮ |
| | ★ প্ৰশ্ন | ইন্দ্ৰেশ্বৰ দেউৰী | ৩৮ |
| | ★ তিনিটা কবিতা | ৰাজুমণি শইকীয়া | ৩৯ |
| | ★ অৱদান | দিনেশ বড়ো | ৪০ |
| | ★ অনুভৱ | বাবুল চন্দ্ৰ দাস | ৪০ |
| | ★ বসন্ত | গজেন্দ্ৰ নাথ পাটৰ | ৪১ |
| | ★ পূজা | পুতুল চন্দ্ৰ হাজৰিকা | ৪১ |
| গল্প ঃ | ★ আশা | সুভাষ চন্দ্ৰ ৰয় | ৪২ |
| | ★ স্মৃতি | ৰূপালী দাস | ৪৫ |

অফ্‌বিট্‌ঃ ✶ সজাইছে পূৰবী বৰগোঁহাই, অজিৎ বিশ্বাস, লক্ষ্যজ্যোতি শইকীয়া আৰু সুভাষকান্তি ৰায়

বাংলা বিভাগ



| | | | |
|---|---|---|---|
| কবিতা ঃ | ✶ জীবন | মীতা দে | ১ |
| | ✶ যুগধারা | চিন্ময় দাসগুপ্ত | ২ |
| প্রবন্ধ ঃ | ✶ সুকান্ত, জীবনই যার কাব্য | বিমল লোধ | ৩ |


ইংৰাজী বিভাগ


| | | | |
|---|---|---|---|
| প্ৰবন্ধ ঃ | ● Geo-Political problems of N. E. India : A study in political geography | Khagen Sarmah | ১ |
| | ● Rhythm in poetry and prose | Dipakjyoti Baruah | ৪ |
| | ● The Romantic as revolutionary and Vice Versa | K. K. Pattanayak | ৭ |
| | ● Science is fun | P. Banerjee | ১১ |
| | ● When I read a poem | Lata Upadhyaya | ১৩ |
| | ● Satellite in the Modern Times | Lakshyajyoti Saikia | ১৬ |

ছাত্ৰ একতা সভাৰ সম্পাদকসকলৰ প্ৰতিবেদন

বাৰ্ষিক প্ৰতিযোগিতাৰ ফলাফল



# সম্পাদকীয়

মৰিগাওঁ জিলাৰ একেবাৰে পশ্চিমাঞ্চলৰ গৌৰৱময় কলং, কপিলী আৰু কিলিঙৰ ত্ৰিবেনী সংগমত অৱস্থিত এক মাত্ৰ উচ্চ শিক্ষাৰ অনুষ্ঠান এঘাৰ বছৰীয়া কপিলী আঞ্চলিক মহাবিদ্যালয়ৰ এয়া দ্বিতীয় বাৰ্ষিক মুখপত্ৰ। সম্পূৰ্ণ এটি যুগৰ পিছত মহাবিদ্যালয়খনে যোৱা বছৰ ১৯৮৮ চনত প্ৰথম বাৰৰ বাবে বাৰ্ষিক মুখপত্ৰ প্ৰকাশ কৰাৰ যোগ্যতা অৰ্জ্জন কৰে। যিদৰে মানুহ জন্ম হোৱাৰ লগে লগে অন্ন বস্ত্ৰৰ প্ৰয়োজনীয়তা আহে সেইদৰে মুখ-পত্ৰ খনিৰ ধাৰা সাহিত্যৰ সুঁতিটো বোৱাই নিবলৈ ছাত্ৰ ছাত্ৰীৰ আন্তৰিক সহযোগিতাৰ দৰকাৰ । ই বৈ গ'লেই নহব তাৰ দুয়োকাষে পলস পেলাব পাৰিব লাগিব। এই কাম অকল সম্পাদক জনেই কৰিব নোৱাৰে ইয়াৰ বাবে ছাত্ৰ ছাত্ৰীৰ সহযোগীতা আৰু পৰামৰ্শৰ প্ৰয়োজনীয়তা অতি বেছি ।

## সাহিত্য-সাহিত্যিক-পাঠক আৰু সমালোচকঃ

কবি সাহিত্যক সকলেই দেশ আৰু জাতিৰ দিক নিৰ্ধাৰক । কিন্তু যেতিয়া সেই কবি সাহিত্যক সকলৰে দিক নিৰ্ণয়ত যতি পৰে তেতিয়া দেশ আৰু জাতিৰ ভৱিষ্যত কি হব পাৰে সেয়া সহজে অনুমেয়। বৰ্ত্তমান দেশ আৰু জাতিৰ অনিশ্চিত আৰু জটিল পৰিস্থিতিত আমাৰ ছাত্ৰ-ছাত্ৰী সকলে সুস্থ মানসিকতাৰে যুক্তিনিষ্ঠ আৰু মৌলিক চিন্তা চৰ্চ্চাৰ জৰিয়তে জাতীয় সাহিত্যৰ সৃষ্টি কৰি ভৱিষ্যতে দেশ আৰু জাতিৰ দিক নিৰ্ধাৰণ কৰাত সহায় কৰিব বুলি আশা ৰাখিছো ।

বৰ্ত্তমান অসমীয়া সাহিত্যলৈ চকুফুৰালে এই সাহিত্য বহুপৰিমানে স্থবিৰ আৰু গতানুগতিক হৈ পৰা যেন অনুমান হয় ।

নবীন লেখক লেখিকাচামৰ সাহিত্য সম্পৰ্কে ভুল ধাৰনা, এলাহ আৰু মৌলিক চিন্তা চৰ্চাৰ অভাৱ আদিয়েই ইয়াৰ প্ৰধান কাৰন বুলিব পাৰি । সাহিত্যিক হবলৈ কোনো কঠিন বিষয়ৰ ওচৰত চিন্তা কৰিব নেলাগে বা সাহিত্য সৃষ্টি কৰিবলৈও দহজনে বুজি নোপোৱা টান টান শব্দৰ প্ৰয়োজন নাই। আমাৰ জীৱনত সদায় ঘটি থকা, দেখি থকা ঘটনাও সাহিত্যৰ বিষয়বস্তু হব পাৰে। কিন্তু তাকে লিখকৰ নিজস্ব চিন্তাধাৰাৰে পাঠকৰ সন্মুখত দাঙি ধৰিব লাগিব । ৰূপৱতী নাৰীৰ আ-অলংকাৰৰ দৰে সাহিত্যিক অলংকাৰে জাতীয় চৰিত্ৰৰ প্ৰকাশ ঘটা লিখনীত পাঠকৰ সমাদৰ লাভ কৰিব পাৰে । এই অলংকাৰেই

হ'ল লেখক লেখিকাৰ নিজস্বতা। আৰু ইয়াৰ ওপৰতে সাহিত্যৰ সফলতা বিফলতা নিৰ্ভৰ কৰিছে। সেয়েহে ছাত্ৰ-ছাত্ৰী সকলে আগলৈ এই বিষয়ে সচেতন হোৱা দৰকাৰ।

সাহিত্যত সমালোচনাৰ স্থান অপৰিহাৰ্য্য আৰু পথ প্ৰদৰ্শকৰ সমপৰ্য্যায়ৰ। ই ৰনুৱা ঘোৰাৰ লেকাম স্বৰূপ লেকাম ঠিকমতে থাকিলে যিদৰে ঘোৰা ঠিকমতে চলে সেইদৰে প্ৰকৃত সাহিত্য সমালোচনায়ো সাহিত্যক সুগম পথেৰে ঠিকমতে চলাই নিয়ে। ঘিটমিটীয়া এন্ধাৰ কোঠা এটাৰ ভিতৰত ক'ত কি আছে যেনেকৈ এগছি বন্তিৰ পোহৰে দেখুৱাই দিয়ে সেইদৰে সমালোচকে সাহিত্যৰ ভৰালটোৰ ক'ত কি আছে সেইটো ফটফটীয়াকৈ দেখুৱাবলৈ যত্ন কৰে। ইয়াৰ ফলত নেদেখা বস্তুও দেখিবলৈ পোৱা যায় আৰু বুজিব নোৱাৰা বস্তুও বুজিবলৈ সহজ হয়। সেয়ে সাম্প্ৰতিক সাহিত্যক সুগম পথেৰে পৰিচালনা কৰিবলৈ অতিৰঞ্জিত নকৰাকৈ সাহিত্যিক সমালোচনাৰ প্ৰয়োজন অধিক।

## এইবাৰৰ মুখপত্ৰ ঃ-

এইবাৰৰ মুখপত্ৰ খনিত প্ৰকাশৰ বাবে ছাত্ৰ-ছাত্ৰী সকলৰ বহুসংখ্যক লিখনী জমা পৰে। বিশেষকৈ প্ৰবন্ধ আৰু কবিতাৰ সংখ্যা যথেষ্ট বেছি আছিল। যোৱা বছৰৰ তুলনাত এই বছৰ প্ৰবন্ধসমূহ উচ্চ মানবিশিষ্ট বুলি কব পাৰি। ছাত্ৰ-ছাত্ৰী সকলৰ বাবে ই এটা শুভ লক্ষন। অৱশ্যে এই ক্ষেত্ৰত মাননীয় শিক্ষাগুৰু সকলৰ ভুমিকাও স্বীকাৰ কৰিব লাগিব। মহাবিদালয় আলোচনাচক্ৰ সমিতিৰ সৌজন্যত আৰু বিভিন্ন বিভাগৰ উদ্যোগত পতা আলোচনা-চক্ৰসমূহে এই ক্ষেত্ৰত যথেষ্ট প্ৰেৰনা যোগাইছে। সেইদৰে কবিতাৰ সংখ্যাও অতি বেছি আৰু প্ৰায়বোৰ কবিতাই একেবাৰে নিম্নমান দণ্ডৰ নহয়। অনুবাদ সাহিত্য যদিও পোৱা হৈছিল তথাপি ই নিম্নমানদণ্ডৰ হোৱাৰ বাবে প্ৰকাশ কৰিব পৰা নগ'ল।

অতি দুখেৰে জনাবলৈ বাধ্য হৈছোঁ যে, মহাবিদ্যালয়ৰ সীমিত অৰ্থৰ বাবে মুখপত্ৰখনৰ পৰিসৰ কম কৰিব লগীয়া হোৱাত বহু সংখ্যক লিখনী প্ৰকাশ কৰিব পৰা নগ'ল। আৰু সেই একে কাৰনতে এইবাৰ শিক্ষক সকলৰ লিখনীও প্ৰকাশ কৰিব পৰা নগ'ল। কিন্তু কম পৰিসৰৰ হলেও মুখপত্ৰখনৰ ওপৰত অধিক গুৰুত্ব প্ৰদান কৰা হৈছে। অংগসজ্জাৰ ওপৰত অধিক গুৰুত্ব দিয়া হৈছে। যিমানদূৰ সম্ভৱ প্ৰতিটো লিখনীৰ লগত সংগতি থকা ছবি সংযোজিত কৰি পাঠকৰ দৃষ্টি আকৰ্ষন কৰিবলৈ চেষ্টা কৰা হৈছে। মুঠতে মুখ-পত্ৰখনি সৰ্বাংগ সুন্দৰ কৰিবলৈ চেষ্টাৰ ক্ৰুটি কৰা নাই। যিসকল ছাত্ৰ-ছাত্ৰীৰ লিখনীক ঠাই দিব পৰা নহ'ল, তেওঁ-লোকক নিৰাশ নহৈ ভবিষ্যতে সাহিত্য চৰ্চাৰ কামত আত্ম নিয়োগ কৰিবলৈ আৰু যি সকলৰ লিখনী প্ৰকাশ হল তেওঁলোককো আগলৈ সঠিক উচ্চ মান বিশিষ্ট সাহিত্য সৃষ্টি কৰিবলৈ অনুৰোধ থাকিল।

## কৃতজ্ঞতা স্বীকাৰ ঃ

যি সকল ছাত্ৰ-ছাত্ৰীয়ে মুখপত্ৰখনি প্ৰকাশৰ বাবে প্ৰবন্ধ পাতি দি উৎসাহিত কৰিলে সেই সকল ছাত্ৰ-ছাত্ৰীলৈ মোৰ আন্তৰিক কৃতজ্ঞতা যাঁচিছো, যি সকল শিক্ষাগুৰুৱে তেওঁলোকৰ ব্যস্ততাময় জীৱনৰ বহুমুলীয়া সময় খৰচ কৰি লিখনী সমূহ চাই চিতি দিলে তেখেত সকললৈ শ্ৰদ্ধা নিবেদিছো। মাননীয় অধ্যক্ষ মহোদয় আৰু অন্যান্য শিক্ষাগুৰু সকলৰ সহানুভুতিপূৰ্ণ গঠনমূলক পৰামৰ্শৰ বাবে তেওঁলোকলৈ সশ্ৰদ্ধ শলাগৰ শৰাই যাচিছোঁ! সকলো সময়তে মোৰ সোঁহাত স্বৰূপে থাকি পৰামৰ্শ আৰু সহায় সহযোগীতা আগবঢ়াই বিভিন্ন কাম কাজ পৰিচালনা কৰাৰ লগতে মুখপত্ৰ খনৰ বেটুপাত আৰু বিভিন্ন চিত্ৰ আদি সংযোগ কৰি মুখপত্ৰ খনি সুন্দৰ কৰি গঢ়ি তুলাৰ বাবে আলোচনীৰ তত্ত্বাবধায়ক মাননীয় সুভাষ সাহা চাৰলৈ গভীৰ শ্ৰদ্ধা নিবেদিছো।

বিভিন্ন কাম কাজ পৰিচালনাত মোক সহায় আৰু দিহা পৰামৰ্শ দিয়াৰ বাবে মোৰ সহপাঠী বন্ধুবৰ্গ আৰু একতা সভাৰ সদস্য বৃন্দলৈ আন্তৰিক কৃতজ্ঞতা জনালোঁ। কম সময়ৰ ভিতৰত অশেষ কষ্ট স্বীকাৰ কৰি মুখপত্ৰ খনি ছপা কৰি উলিওৱা বাবে 'মণিকূট প্ৰিণ্টাৰ্চ' ছপাশালৰ সমূহ কৰ্মী বৃন্দলৈও কৃতজ্ঞতা জনালো। শেষত হৈ যোৱা অনিচ্ছাকৃত ভুল ক্ৰুতিৰ মাৰ্জনাৰ অনুৰোধেৰে কপিলী আঞ্চলিক মহাবিদ্যালয়ৰ মুখপত্ৰখনিৰ উন্নতি আৰু দীৰ্ঘায়ু কামনা কৰি সম্পাদকীয় সামৰিলো।

সৰ্বানন্দ দেউৰী
সম্পাদক

# অসমীয়া বিভাগ

* তেৰটা বিশ্লেষণধৰ্মী প্ৰবন্ধ লিখিছে

সৰ্ব্বানন্দ দেউৰী/ মুনমুন গোঁহাই/মেঘালী দাস/ নিজৰা গোঁহাই/ ৰন্টুমণি শইকীয়া/অতুল কাঠাৰ / ৰমেশ স্বৰ্গীয়াৰী/দিগন্ত কুমাৰ ডেকা/লতামনি দাস, মীনাক্ষী বৰকাকতী, জয়া দাস, ৰাতুল মেধি/গীতাশ্ৰী বৰা/ ফুনুকুমাৰ ডেকা/প্ৰবক্তা পবনচন্দ্ৰ গগৈ আৰু গ্ৰন্থগাৰিক বাবুল চন্দ্ৰ মালাকৰে

* সাতটা ভিন্নসুৰী কবিতা লিখিছে

ৰন্টুমণি শইকীয়া/ইন্দ্ৰেশ্বৰ দেউৰী/ৰাজুমণি শইকীয়া/ দিনেশ বড়ো/ বাবুল চন্দ্ৰ দাস/গজেন্দ্ৰ পাটৰ আৰু পুতুল চন্দ্ৰ হাজৰিকাই।

* দুটা গল্প লিখিছে

সুভাষ চন্দ্ৰ ৰায় আৰু ৰূপালী দাসে

★★

# অসমীয়া নাট্য-সাহিত্যত অংকীয়া নাটকৰ স্থান

সৰ্ব্বানন্দ দেউৰী
স্নাতক, ২য় বাৰ্ষিক, কলা

অসমীয়া ভাষা আৰু সাহিত্যৰ মুলধাৰা হল দেৱভাষা সংস্কৃত। গতিকে সংস্কৃতৰ সৈতে ইয়াৰ সম্পৰ্ক অবিছিন্ন আৰু অবিচ্ছেদ্য। অলঙ্কাৰ শাস্ত্ৰত কাব্যক প্ৰধানত দুটা মূল ভাগত ভাগ কৰা হৈছে—

১। দৃশ্য কাব্য আৰু
২। শ্ৰাব্য কাব্য

দৃশ্য কাব্যক আকৌ দুটা ভাগত ভগোৱা হৈছে—

১। ৰূপক আৰু
২। উপৰূপক


সংস্কৃত সাহিত্যত এই সকলোবোৰ দৃশ্য কাব্যকে 'নাটক' শব্দৰ দ্বাৰা বুজোৱা হয় আৰু এই সংস্কৃত নাটকৰ অনুকৰনতেই অসমীয়া নাট্য সাহিত্যৰ জন্ম হৈছে।

অসমীয়া নাট্য সাহিত্যত অংকীয়া নাটৰ স্থান সম্পৰ্কে কোৱাৰ আগতে আমি এটা কথা কব লাগিব যে, অঙ্কীয়া নাটনো কি? অসমত বৈষ্ণৱ যুগত ৰচিত বিশেষ কলা কৌশলপূৰ্ণ এবিধ ধৰ্ম্মমূলক একঅঙ্কীয়া নাটকক অঙ্কীয়া নাট বোলা হয়। মহাপুৰুষ শ্ৰীশঙ্কৰদেৱে তেওঁৰ নাটসমূহক অঙ্কীয়া নাট নুবুলি 'নাট', 'নাটক' আৰু 'যাত্ৰা' বুলিহে উল্লেখ কৰিছিল। তেওঁৰ পিছৰ নাট্যকাৰ সকলেহে অঙ্কীয়া শব্দটো ব্যবহাৰ কৰে। অঙ্ক বা উৎসৃষ্টিকাঙ্ক সংস্কৃতৰ দহ বিধ ৰূপকৰ এবিধ। গতিকে অসমীয়া অঙ্কীয়া শব্দটো সংস্কৃত অঙ্ক শব্দৰ পৰা উৎপত্তি হৈছে বুলি অনুমান কৰিব পাৰি। সি যিকি নহওক অঙ্কীয়া নাট শঙ্কৰদেৱৰ মৌলিক ৰচনা।

অসমীয়া নাট্য সাহিত্যৰ মূল ভেটি হল অঙ্কীয়া নাটক আৰু তাৰ প্ৰতিষ্ঠাপক মহাপুৰুষ শঙ্কৰদেৱ। অঙ্কীয়া নাট সমূহ লক্ষ্য কৰিলে দেখা যায় যে, সংস্কৃত নাটকৰ প্ৰায় বোৰ উপাদান অঙ্কীয়া নাটতো বিৰাজমান। অৰ্থাত অঙ্কীয়া নাট সমূহ ৰচনা কৰোতে সংস্কৃত নাটৰ উপাদান গ্ৰহন কৰা হৈছে। সেই গতিকে সংস্কৃত নাটক, দেশীয় অভিনয় আৰু থলুৱা লোক সংস্কৃতিমূলক অনুষ্ঠান— এই ত্ৰিবিধ প্ৰভাবৰ ত্ৰিবেণী সংগমত অঙ্কীয়া নাটৰ সৃষ্টি বুলি কব পাৰি।

অঙ্কীয়া নাটসমূহ ৰচনাৰ ঘাই উদ্দেশ্য হল ভক্তি ধৰ্ম প্ৰচাৰ। বৈষ্ণৱ ধৰ্মৰ একমাত্ৰ দেৱতা শ্ৰীকৃষ্ণ বা শ্ৰীৰাম চন্দ্ৰৰ মাহাত্ম্য প্ৰকাশ কৰাই এই নাটসমূহৰ মূখ্য উদ্দেশ্য, সেইবাবে অঙ্কীয়া নাট সমূহত কেইবা প্ৰকাৰৰ ৰস থাকিলেও ভক্তি ৰসৰ বাহিৰে আন কোনো ৰসকে প্ৰাধান্য দিয়া হোৱা নাই। প্ৰতিখন নাটতে শ্ৰীকৃষ্ণ বা শ্ৰীৰামচন্দ্ৰৰ প্ৰতি স্তুতিনতি কৰি নাটকৰ আৰম্ভনি আৰু সামৰণী মৰা হৈছে। গতিকে ইয়াৰ পৰা বুজা যায় যে, অঙ্কীয়া নাটৰ মূল উদ্দেশ্য সামাজিক সমস্যাক প্ৰতিফলিত কৰাতকৈ ধৰ্ম সাধনহে – মূখ্য।

ওপৰত উল্লেখ কৰি অহা হৈছে যে, অঙ্কীয়া নাট



সমূহেই অসমীয়া নাট্য সাহিত্যৰ মুলভেটি। অৰ্থাৎ এই নাট সমূহ ৰচনাৰ আগলৈকে অসমীয়া ভাষাত নাটক লিখা হোৱা নাই। অবশ্যে সেই সময়ত অসমত সংস্কৃত নাটক আৰু কিছুমান লোকনৃত্যৰ প্ৰচলন আছিল বুলি জনা যায়। কিন্তু যিহেতু মহাপুৰুষ শংকৰদেৱ অসমীয়া নাট্য সাহিত্য তথা অংকীয়া নাটৰ জনক সেয়েহে আমাৰ মনত স্বাভাৱিকতে এটা প্ৰশ্ন উদয় হয় যে, সেই সময়ত তেওঁ নাট লিখাৰ আৰ্হি আৰু প্ৰেৰণা ক'ৰ পৰা পাইছিল ? এনে প্ৰশ্নলৈ বহুতো পণ্ডিতে বিভিন্ন মত দাঙি ধৰা দেখা যায় যিহেতু অঙ্কীয়া নাট সমূহত সংস্কৃত নাটকৰ অনুৰূপ পূৰ্বৰঙ্গ, নান্দী, শ্লোক, প্ৰস্তাবনা, ভৰত বাক্য অনুৰূপ মুক্তিমঙ্গল ভটিমা আদি পোৱা যায় সেইবাবে অঙ্কীয়া নাটৰ ওপৰত সংস্কৃত নাটৰ প্ৰভাৱ আমি স্বীকাৰ কৰিবই লাগিব। কিন্তু হলেও অংকীয়া নাটৰ যি কলা কৌশল সিয়ে নাট ৰচনাত থকা মহাপুৰুষ গৰাকীৰ নিজস্ব প্ৰতিভাৰ কথাও আমাক সোঁৱৰাই দিয়ে।

অন্য হাতেদি অংকীয়া নাটৰ সুত্ৰধাৰৰ ওপৰত অসমীয়া ওজাপালি আৰু পুতলা নাচৰ সুত্ৰধাৰজনৰ লক্ষন বিৰাজমান। ওজাপালি আৰু পুতলা নাচ প্ৰাক-শংকৰী যুগৰ অসমৰ পৰম্পৰাগত লোক-সংস্কৃতি আৰু নৃত্যৰ এক উজ্জ্বল ধাৰা আৰু এই লোক-সংস্কৃতি সমূহৰ বহুল প্ৰচলন থকাৰ প্ৰমাণ যথেষ্ট আছে।

ওজাপালি অনুষ্ঠানত ৰামায়ণ আৰু মহাভাৰতৰপৰা পদ লৈ আবৃত্তি কৰি মুদ্ৰাৰে দেখুওৱা হয়। ওজাজনে আবৃত্তি কৰে আৰু পালিবোৰে তেওঁক সহায় কৰে। সেইদৰে অংকীয়া নাটতো সুত্ৰধাৰজনে ব্যাপক প্ৰাধান্য বিস্তাৰ কৰিছে। আৰু গায়ন বায়ন সমূহে ওজাপালিৰ পালিৰ কাম কৰিছে। সেইবাবে অসমত ওজাপালি অনুষ্ঠানৰ পৰাই নাটকৰ উৎপত্তি হৈছে বুলি অনুমান কৰাৰ থল নোহোৱা নহয়। ওজাপালিৰ আৰম্ভনৰ আলাপ শেষ হলে বানা গোৱা হয়। বানা গোৱাৰ লগে লগে বানাৰ শব্দবোৰ হাতেৰে প্ৰদৰ্শন কৰি নৃত্য আৰম্ভ কৰা হয়। ইয়াৰ পিছত ওজা আৰু দাইনাপালিৰ মাজত কথোপকথন আৰম্ভ কৰি বিষয়বস্তু ৰসোত্তীৰ্ণ কৰি সহজ সৰলকৈ ব্যাখ্যা কৰা হয়। ওজাপালিৰ ওজাজনৰ আৰু দাইনাপালিৰ কথোপকথন আৰু শৰীৰৰ ভংগীমাবোৰ যদি চৰিত্ৰৰ মাজেদি প্ৰকাশ কৰিব পৰা যায় তেতিয়া সিয়ে নাটকৰ ৰূপ লব। অংকীয়া নাটতো ইয়াকেই কৰা হৈছে।

অংকীয়া নাট ৰচনাত স্থানীয় লোক-সংস্কৃতি সমূহৰ প্ৰভাৱো নুই কৰিব নোৱাৰি। ইয়াৰ ওপৰি মহাপুৰুষ গৰাকীয়ে তীৰ্থ ভ্ৰমণৰ কালছোৱাত উত্তৰ ভাৰতৰ লোক সংস্কৃতি সমূহৰ দৰ্শনেও পিছৰ কালত নাট ৰচনাৰ ক্ষেত্ৰত প্ৰেৰণা দিছিল বুলি কব পাৰি।

গতিকে অংকীয়া নাটৰ উৎসৰ পম খেদি গলে দেখা যায় যে প্ৰাচীন অসমীয়া থলুৱা নৃত্য-গীতৰ অনুষ্ঠানৰ ওপৰত সংস্কৃত নাটকৰ পৰা উপাদান আনি আৰু মধ্য-ভাৰতীয় দেশীয় অভিনয়ৰ পৰা প্ৰেৰণা লাভ কৰি শ্ৰীশঙ্কৰদেৱে অসমীয়া নাট্য সাহিত্যৰ ভেটি-অংকীয়া নাট ৰচনা কৰে।

অংকীয়া নাটৰ প্ৰধান বৈশিষ্ট্য সমূহ হল :—

১। শ্লোক, ২। ভটিমা, ৩। গীত,
৪। কথা, আৰু ৫। নাচ।

অংকীয়া নাট সমূহেই অসমীয়া নাট্য সাহিত্যৰ ঘাই শিপাস্বৰূপ। ইয়াক কেন্দ্ৰ কৰিয়েই বিভিন্ন সময়ত বিভিন্ন নাট্যকাৰৰ হাতত অসমীয়া নাট্য সাহিত্যই গতি লাভ কৰিছে। অংকীয়া নাট সমূহ লক্ষ্য কৰিলে দেখা যায় যে ইয়াৰ প্ৰত্যেকটো কাহিনীৰ মুল, - ভাগৱত, পুৰাণ বা আন পৌৰাণিক ধৰ্মমূলক আখ্যান। প্ৰত্যেকটো কাহিনীৰ আঁৰত লুকাই আছে শ্ৰীকৃষ্ণ বা শ্ৰীৰামচন্দ্ৰৰ মাহাত্ম্য প্ৰকাশ। নাট্যকাৰে এই চৰিত্ৰটোক অদৃষ্ট পৰিচালিকা শক্তিৰূপে থিয় কৰাইছে। তদুপৰি নাট সমূহত মানব জীৱনৰ চিৰন্তন দুখ-সুখৰ বিষয়ে উল্লেখ কৰি ভগৱানৰ ওচৰত শৰন ললে কেনেকৈ এই চিৰন্তন দুখ সুখৰ পৰা পৰিত্ৰান পাব পাৰি তাৰ উল্লেখ কৰিছে। সি যিকি নহওক অংকীয়া নাটৰ স্থান অসমীয়া নাট্য সাহিত্যত অতি উচ্চ। সুদুৰ মধ্য যুগতে ব্ৰজাৱলী ভাষাত লিখা এই নাট সমূহে অসমীয়া নাট্য সাহিত্যৰ ভৰাল চহকী কৰাৰ ওপৰিও ভক্তি ধৰ্ম প্ৰচাৰ কৰি অসমীয়া জনসাধাৰণক আনন্দৰ খোৰাক যোগাই আহিছে। ★

* প্ৰবন্ধটি অসমীয়া সাহিত্য বিভাগৰ দ্বাৰা আয়োজিত আলোচনাচক্ৰত পঠিত।



# নাট্য সাহিত্যৰ বৈশিষ্ট্য

মুনমুন গোহাই

স্নাতক, প্ৰথম বাৰ্ষিক, (কলা)

## নাট্যসাহিত্য কি ?

নাট্য সাহিত্য হৈছে দৃশ্য আৰু শ্ৰাব্যৰ গুণ সমন্বিত এবিধ সাহিত্য। এনে সাহিত্যৰ মাজেদি গতিশীল মানৱ জীৱনৰ সংঘাতপূৰ্ণ চৰিত্ৰমূখী প্ৰতিচ্ছৱি ৰূপায়িত কৰা হয়। সংস্কৃত আলঙ্কাৰীক সকলৰ মতে, নাটক বিশুদ্ধ সাহিত্যৰ অন্তৰ্গত আৰু সকলো প্ৰকাৰ কাব্যৰ ভিতৰত নাটকেই উৎকৃষ্ট। কিন্তু অভিনয়ৰ প্ৰশ্ন জড়িত হৈ থকাৰ কাৰণে নাটক পূৰ্ণাংগ সাহিত্যও নহয় । অৰ্থাৎ অভিনয়ৰ মাজেৰে নাটক এখনৰ যি ৰস পোৱা যায়, এনেয়ে পঢ়ি নাটকৰ পৰা সেই ৰস আহৰণ কৰিব নোৱাৰি। নাটক এখনে সম্পূৰ্ণ ৰূপ পাবলৈ হলে তাত কাৰ্য্য, সংলাপ, ভাওৰীয়া, ৰঙ্গমঞ্চ, সাজ-পোছাক, বাদ্য-যন্ত্ৰ আদিৰ প্ৰয়োজন হৈ পৰে । এই উপাদান বোৰৰ সুবিন্যস্ত সংযোগৰ ফলতহে নাটক এখন স্বয়ংসম্পূৰ্ণ ৰূপত পোৱা যায় । আনহাতে, নাটকত কাৰ্য্য আৰু কথা দুয়োটাৰে গুৰুত্বপূৰ্ণ ভূমিকা থাকে ।

বৈশিষ্ট্যঃ— নাটকৰ গঠন প্ৰণালীৰ কেইটামান বৈশিষ্ট্য আছে । সেইবোৰ হ'ল— আখ্যান, চৰিত্ৰাঙ্কন, সংলাপ, পৰিবেশ সৃষ্টি আৰু নাট্যকাৰৰ জীৱন দৰ্শন ।

১। আখ্যানঃ— আখ্যান বা কাহিনী ভাগ নাটকৰ প্ৰাথমিক প্ৰয়োজনীয় বস্তু বা কেচামাল বুলি কব পাৰি। আন কথাত কবলৈ গলে আখ্যানেই হ'ল নাটকৰ আধাৰ ভূমি । কলম ভালেই আখৰ ভালৰ দৰে আখ্যান ভালেই নাটক ভাল বুলি কব পাৰি । উৎকৃষ্ট নাটক হবলৈ হলে আখ্যানো উৎকৃষ্ট হব লাগিব । আখ্যানৰ মাজত বহুত কথা-বস্তু প্ৰয়োগ কৰিব পাৰি কিন্তু এই ক্ষেত্ৰত নাট্যকাৰৰ কাৰ্য্যৰ সীমাবদ্ধতাও আছে। নাটক দৃশ্যকাব্য হোৱা হেতুকে ইয়াৰ অভিনয়ৰ লগত দৰ্শকৰ স্বাৰ্থ জড়িত হৈ থাকে । দৰ্শকৰ স্বাৰ্থৰ কাৰণে নাটক একোখন নিৰ্দিষ্ট সময়ৰ ভিতৰতেই শেষ কৰিবলগীয়া হয়। গতিকে নাট্যকাৰে অতি কম পৰিসৰৰ ভিতৰতে তেওঁৰ কাৰ্য্য কৰিবলগীয়া হয় ।

কাহিনীৰ নাটকীয়তা উদ্ভৱ হয় সংঘাতৰ পৰা । সংঘাতৰ অৱতাৰণাৰ লগে লগে নাটকীয় কাহিনীৰো সূত্ৰপাত হয় আৰু সংঘাতৰ সামৰণিৰ লগে লগে কাহিনীৰো অন্ত পৰে । এই সংঘাততেই আকৌ নিহিত হৈ থাকে ঔৎসুক্যৰ বীজ, যিটো হ'ল নাটকীয় মূল্যাঙ্কনৰ প্ৰকৃত মানদণ্ড । প্ৰত্যেক নাটকীয় কাহিনীৰ এটা সুনিৰ্দিষ্ট গতি থাকে । কাহিনীৰ সূচনাতে যি গতিৰ উদ্ভৱ হয়, সি অগ্ৰসৰ হৈ গৈ থাকে আৰু এটা নিৰ্দিষ্ট বিন্দুত হঠাতে কোনো একালে আৱৰ্ত্তিত হৈ পৰে আৰু তাৰ পিছত ক্ৰমে সামৰণিৰ পিনে আগবাঢ়ি যায় । এই নাটকীয় গতিটো নিৰ্দিষ্ট সীমাৰেখাৰে কেইটামান নিৰ্দিষ্ট ভাগত বিভক্ত হয়। সেই-ভাগবোৰ হৈছে -- (ক) মুখ বা আৰম্ভণি (খ) প্ৰতিমুখ বা প্ৰৱাহ (গ) গৰ্ভ বা শীৰ্ষদ্বন্দ্ব (ঘ) অৱমৰ্শ (ঙ) উপসংহাৰ।

ক) মুখ বা আৰম্ভনি ঃ— নাটকৰ মুখ বা আৰম্ভণিৰ দৃশ্যটো ৰচনা কৰা অতি জটিল কথা । কাহিনী ভাগ

ঘিমানখিনি সহজ নহওক কিয় তাক সূচনা কৰা অতি টান। কাহিনীৰ বৈচিত্ৰ আৰু চৰিত্ৰৰ আধিক্যই সূচনাংক অধিক জটিলতৰ কৰি তোলে। সাধাৰণতে সূচনা— মূল কাহিনীৰ লগত বিশেষ ভাবে সম্পৰ্ক জড়িত হব লাগে। নাটকীয় কাৰ্য্যক্ৰমৰ মোটামুটি ধাৰণা এটাৰ কাৰণে যি খিনি কাৰ্য্য বা চৰিত্ৰৰ প্ৰয়োজন, সেই খিনিহে আৰম্ভনিতে উপস্থাপন কৰা উচিত।

খ) প্ৰতিমুখ বা প্ৰৱাহ ঃ— মুখত আৰম্ভ হোৱা নাটকীয় কাৰ্য্যক্ৰম ইয়াৰ মাজেৰে ধীৰে ধীৰে শীৰ্ষদ্বন্দ্বৰ পিনে আগবাঢ়ি যায়। সাধাৰনতে মুখত ইঙ্গিত নিদিয়া কোনো কথা প্ৰৱাহ বা প্ৰতিমুখত উপস্থাপন কৰা নহয়। মুখে যেনেকৈ প্ৰতিমুখৰ ইঙ্গিত দিয়ে তেনেকৈ প্ৰতিমুখেও গৰ্ভ বা শীৰ্ষদ্বন্দ্বৰ আগজাননী দিয়ে।

গ) গৰ্ভ বা শীৰ্ষদ্বন্দ্ব ঃ— নাটকীয় কাহিনীৰ তৃতীয় আৰু সৰ্ব্ব প্ৰধান বিভাগ হৈছে এই শীৰ্ষস্থানীয় বা শীৰ্ষদ্বন্দ্ব। শীৰ্ষদ্বন্দ্বৰ সাধাৰণ বৈশিষ্ট্য এয়ে যে ই হৈযোৱা ঘটনাৰ স্বাভাৱিক আৰু যুক্তিযুক্ত পৰিণতি হব লাগে। সমগ্ৰ নাটক খনৰ ওপৰতে শীৰ্ষদ্বন্দ্বৰ প্ৰভাৱ অপৰিসীম। সেই কাৰণে শীৰ্ষদ্বন্দ্ব কেতিয়াও আকস্মিক বা অপ্ৰত্যাশিত হব নালাগে।

ঘ) অৱমৰ্শ ঃ— ইয়াৰ মাজেৰে কাহিনী ভাগ লাহে লাহে পৰিণতিৰ ফালে আগবাঢ়ে। নাটকখন বিয়োগান্ত হবনে মিলনান্ত হব সেই কথাও নিৰ্ণয় হয় এই অৱমৰ্শতে, শীৰ্ষদ্বন্দ্বৰ আগলৈকে নাটকীয় কাহিনীৰ যি অনিশ্চয়তা আৰু উৎসুক্যতা, অৱমৰ্শত সেই অনিশ্চয়তা আৰু উৎসুক্যতা নাথাকে। কেৱল নায়ক-নায়িকাৰ চুড়ান্ত দুৰ্যোগৰ বাবে দৰ্শকৰ মনত সহানুভূতিৰ উদ্ৰেক হয় আৰু সকলোৱে উগ্ৰীৱ ভাবে যৱনিকালৈ বাট চায়। গতিকে অৱমৰ্শৰ জটিলতা সুস্পষ্ট।

ঙ) উপসংহাৰ ঃ— ইয়াত নাটকীয় কাহিনীয়ে পূৰ্ণ পৰিণতি লাভ কৰে। শীৰ্ষদ্বন্দ্বৰ দৰে নিৰ্ব্বহন বা উপসংহাৰো স্বাভাৱিক আৰু যথাযুক্ত হব লাগে।

২। চৰিত্ৰাঙ্কন ঃ— আখ্যান বা কাহিনী ভাগৰ পিছতে নাটকৰ উল্লেখযোগ্য বৈশিষ্ট্য হ'ল চৰিত্ৰ সৃষ্টি। চৰিত্ৰ অবিহনে নাটকীয় কাহিনী ৰূপায়িত কৰা সম্ভৱ নহয়। চৰিত্ৰই নাটকক মহত্ব আৰু অমৰত্ব দান কৰে।

চৰিত্ৰাঙ্কনৰ প্ৰধান বস্তু হ'ল সংক্ষিপ্ততা। নাটকীয় কাহিনীৰ ক্ৰম গতিৰ লগত চৰিত্ৰবোৰৰ বিকাশ অবিছিন্নভাৱে সংক্ষিপ্ত হৈ পৰে। নাটকীয় চৰিত্ৰ সৃষ্টিত নাট্যকাৰৰ কল্পনা বিশেষ সংযত হৈ পৰিবলগীয়া হয় আৰু তেওঁ বিশেষ দৃষ্টি নিক্ষেপ কৰিব লগীয়া হয় সংক্ষিপ্ততাৰ ওপৰত। কাৰ্য্য আৰু চৰিত্ৰ সৃষ্টিৰ সংক্ষিপ্ততাই নাটকক বিশিষ্ট মূল্য দান কৰে।

নাটকীয় চৰিত্ৰৰ জন্মদান কৰে কাৰ্য্যই। আখ্যান ভাগৰ ক্ৰমবিৱৰ্ত্তন, বিশেষকৈ উত্তৰণ বিপৰ্য্যয় মূলক অৱস্থাৰ মাজেৰে চৰিত্ৰবোৰৰ মানসিক ভাবধাৰা বিকশিত হৈ পৰে। আখ্যান আৰু চৰিত্ৰৰ পৰস্পৰৰ সম্পৰ্কৰ কথালৈ লক্ষ্য কৰিলেই এই মৰ্ম্মাৰ্থ ওলাই পৰে। শ্ৰেষ্ঠ নাটকবোৰত নাটকীয় কাহিনী নিৰ্ভৰ কৰে চৰিত্ৰবোৰৰ ওপৰত। গতিকে দেখা যায় চৰিত্ৰ হৈছে নাট্য সাহিত্যৰ প্ৰধান বৈশিষ্ট্য।

৩। সংলাপ ঃ— নাটকৰ আন এটা প্ৰধান বৈশিষ্ট্য হৈছে— নাটকীয় সংলাপ। কাৰ্য্যই চৰিত্ৰৰ জন্মদান কৰে আৰু সংলাপে চৰিত্ৰক বিকশিত কৰি তোলে। যিবোৰ নাটকত বৰ্হিদ্বন্দ্বতকৈ অন্তৰ্দ্বন্দ্বৰ পৰিমান অধিক, সেইবোৰত সংলাপৰ প্ৰয়োজন অত্যাধিক। কাৰণ নাটকীয় কাৰ্য্য বা সংঘাতৰ প্ৰধান সহায়ক হ'ল সংলাপ। সংলাপ মধুৰ হলে নাটকৰ ৰসসৃষ্টিৰ ক্ষমতা বাঢ়ে। সংলাপত ব্যৱহৃত ভাষা সাধাৰণ কথ্যভাষা নহয় অথচ সি সম্পূৰ্ণ কৃত্ৰিমো নহয়। নাটক যিমানেই বাস্তৱধৰ্মী নহওক, তাৰ সংলাপ কেতিয়াও দৈনন্দিন জীৱনত ব্যৱহৃত কথা-বতৰা হব নোৱাৰে। নাটকীয় সংলাপ হব লাগিব মাৰ্জ্জিত, ৰুচিসম্পন্ন, আৰু ইয়াৰ শব্দ-সংযোজনা হব লাগিব স্পষ্ট।

নাটকীয় সংলাপক দুটা ভাগত ভাগ কৰা হয়— প্ৰত্যক্ষ্য উক্তি আৰু পৰোক্ষ উক্তি। যেতিয়া কোনো চৰিত্ৰই আন এটা চৰিত্ৰৰ লগত কথা বতৰা হয় তেতিয়া

তাক প্ৰত্যক্ষ উক্তি বোলে। আৰু যেতিয়া কোনো চৰিত্ৰই আন চৰিত্ৰৰ ওপৰত মন্তব্য প্ৰকাশ কৰে, তেতিয়া তাক পৰোক্ষ উক্তি বোলে। ইয়াৰ উপৰিও স্বগতোক্তিও সংলাপৰ ভিতৰতে পৰে। মাজে সময়ে চৰিত্ৰ একোটাৰ বক্তব্য কথা-বতৰাৰ মাজেদি প্ৰকাশ নকৰি অকলে অকলে আত্মভাষণৰ দ্বাৰা প্ৰকাশ কৰা হয়, তেতিয়া তাক স্বগতোক্তি বোলে।

**৪। পৰিবেশ সৃষ্টি ঃ—** পৰিবেশ সৃষ্টি নাট্য সাহিত্যৰ আন এটা উল্লেখযোগ্য বৈশিষ্ট্য। নাটকীয় পৰিবেশক দুটা ভাগত ভগাব পাৰি। বহিৰঙ্গ আৰু অন্তৰঙ্গ। বহিৰঙ্গ পৰিবেশ সাজ-সজ্জা, যন্ত্ৰ-সংগীত, মঞ্চ সজ্জা আদিৰ ওপৰত নিৰ্ভৰ কৰে। নাটকত যি যুগৰ কথা অৱতাৰণা কৰা হয়, চৰিত্ৰবোৰৰ সাজ-পাৰ, আচাৰ-ব্যৱহাৰ, চাল-চলন আদিও সেই যুগৰ দৰে হোৱা উচিত। পৰিবেশ সৃষ্টিৰ ব্যতিক্ৰম হলে নাটকীয় কাহিনীয়ে দৰ্শকৰ মনত ৰেখাপাত কৰিব নোৱাৰে। ফলত অভিনয় চাই দৰ্শকৰ মনত কোনো ৰসৰ সৃষ্টি নহয়। নাটকীয় পৰিবেশ সৃষ্টিত মঞ্চ সজ্জায়ো বিশেষ সাহাষ্য কৰে। মঞ্চ সজ্জাই বিশেষকৈ ঘটনাৰ পটভূমি ৰচনা কৰে। যি ঘটনা যি ঠাইত হয় তাৰ পটভূমিও তেনে ধৰণৰ হব লাগিব।

অন্তৰঙ্গ পৰিবেশৰ ভিতৰত নাটকীয় ভাষা আৰু গীতৰ কথা উল্লেখ কৰিব পাৰি। যি নাটকত যি যুগৰ কাহিনী ব্যক্ত কৰা হয়, তাৰ ভাষায়ো সেই যুগৰ ভাষাৰ কিছু পৰিমানৰ আভাস এটা দিব পাৰিব লাগিব।

পৰিবেশ সৃষ্টিত গীতৰ অৱিহনাও বিশেষ উল্লেখযোগ্য। পুৰণি নাটকবোৰত গীতৰ পৰিমাণ প্ৰচুৰ। এই নাটকত পটভূমি বা মঞ্চসজ্জাৰ বিষয়ে কোনো নিৰ্দেশ দিয়া নাথাকে। সেই কাৰ্য্য সাধিত হয় গীতৰ দ্বাৰা। পুৰণি নাটকবোৰত নাটকীয় গীতে এহাতে যেনেকৈ পটভূমি নিৰ্ণয় কৰে আন-হাতে পৰিবেশ সৃষ্টিতো সহায় কৰে।

**৫। নাট্যকাৰৰ জীৱন দৰ্শন ঃ –** নাটকীয় অভিনয় চাই মানুহে ভালপায় এই কাৰণে যে তাৰ মাজেৰে মানৱ জীৱনৰ স্বৰূপ প্ৰতিবিম্ব হৈ উঠে। এই ফালৰ পৰা নাটকক জীৱন ভাষ্য বুলি কব পাৰি। কিন্তু নাটকীয় কাহিনীৰ মাজেৰে যি জীৱন ৰূপায়িত হয় সি বহু পৰিমাণে নাট্যকাৰৰ কল্পনা-কল্পিত। গতিকে সেই নাটকীয় চৰিত্ৰবোৰৰ ওপৰত নাট্যকাৰৰ নিজস্ব দৃষ্টিভংগীৰ প্ৰভাৱ সুন্দৰভাৱে প্ৰতিভাত হয়। অৰ্থাৎ জীৱন আৰু জগতৰ প্ৰতি নাট্যকাৰৰ যি দৃষ্টিভংগী, নাটকীয় ঘটনা আৰু চৰিত্ৰ বৰ্গৰ মাজেদি সেই দৃষ্টিভংগী ৰূপায়িত হৈ উঠে।

নাটকত নাট্যকাৰে প্ৰত্যেক্ষ ভাৱে কোনো কথা কব নোৱাৰে। সকলো কথা চৰিত্ৰৰ মুখেদি ব্যক্তি কৰিব লাগে। নাট্যকাৰৰ অভিপ্ৰেত সকলো কথা চৰিত্ৰৰ মুখেদি কব লগা হোৱা কাৰণে বহুত নাট্যকাৰে নিজস্ব দৃষ্টিভংগী নিয়োগত অপাৰগ হৈ উঠে। ঐতিহাসিক নাটকতো এই ক্ষেত্ৰত নাট্যকাৰ অধিক অসহায় হয়। তথাপিও উৎকৃষ্ট নাটকবোৰত নাট্যকাৰৰ জীৱন দৰ্শন প্ৰছন্ন ভাৱে বিৰাজ কৰে। *

* প্ৰবন্ধটি অসমীয়া সাহিত্য বিভাগৰ দ্বাৰা আয়োজিত আলোচনাচক্ৰত পঠিত।

# অসমীয়া লোক সাহিত্যত এভুমুকি

মেঘালী দাস
স্নাতক, ১ম বাৰ্ষিক, কলা

খৃষ্টীয় দশম একাদশ শতিকাৰ আগতে অসমীয়া ভাষা বুলি এটা স্বতন্ত্ৰ ভাষা নাছিল। ভাষাই লিখিত অৱস্থা পোৱাৰ আগতে যে কোনো সাহিত্যৰ উদ্ভৱ হোৱা নাছিল তেনে নহয়। অনুভূতিশীল মানুহৰ অন্তৰখন যেতিয়া বাহিৰৰ সৌন্দৰ্য্যই থৌকি বাথৌ লগায়, তেতিয়া মানুহে অন্তৰৰ ভাৱৰাশিক কল্পনাৰ মাজেৰে প্ৰকাশ কৰিব বিচাৰে। মানুহৰ মন কল্পনাপ্ৰৱণ। এই কাল্পনিক ভাৱপ্ৰৱণতাৰ প্ৰকাশতেই ভাষা আৰু সাহিত্যৰ সৃষ্টি। কিন্তু সেই সময়ত সেইবোৰ মানুহৰ মুখে মুখে প্ৰচলিত আছিল। সেইবাবে এইবোৰক মৌখিক সাহিত্য বোলে। প্ৰত্যেক জাতিৰ ক্ষেত্ৰত লিখিত সাহিত্য প্ৰকাশ হোৱাৰ আগতে মৌখিক সাহিত্য আছিল। এই মৌখিক সাহিত্যবোৰ পুৰুষানুক্ৰমে মানুহৰ মুখে মুখে চলি আহিছে। সময় আগবাঢ়ি যোৱাৰ লগে লগে এইবোৰৰ কিছুমানৰ ৰূপান্তৰ হোৱাও দেখা গৈছে।

লৌকিক সাহিত্যৰ ৰচনাকাল সঠিককৈ নিৰ্ণয় কৰা টান। কিয়নো এই লৌকিক গীত মাতবোৰৰ ৰচকৰ নাম জনা নাযায়। মানুহৰ মনৰ ভাৱ প্ৰকাশ কৰিবলৈ ভাষাই যেতিয়া শক্তিলাভ কৰে, তেতিয়াৰ পৰাই সাহিত্যৰ প্ৰকৃত বুৰঞ্জীৰ সৃষ্টি হয়। গীতমাতবোৰ কিছুমান পৌৰাণিক আখ্যানক অৱলম্বন কৰি আৰু আন কিছুমান বুৰঞ্জীৰ ঘটনাক অৱলম্বন কৰি ৰচিত। পণ্ডিত হেমচন্দ্ৰ গোস্বামী দেৱে তেওঁৰ 'অসমীয়া সাহিত্যৰ চানেকি'ত ৬০০—৮০০ অব্দৰ ভিতৰত গীতিযুগ বুলি অসমীয়া সাহিত্যৰ প্ৰাচীনতম কালটোক নিৰ্দেশ কৰিছে আৰু বৰগীত, বিয়ানামে এই যুগৰ একমাত্ৰ সম্পদ বুলি উল্লেখ কৰিছে। অসমীয়া ভাষা ভাষী লোকসকলে পৰিমাৰ্জিত তথা লিখিত সাহিত্য সৃষ্টি কৰাৰ আগতে মৌখিক সাহিত্যৰ জৰিয়তে জীৱনৰ অভি-ব্যক্তি প্ৰকাশ কৰিছিল।

অসমীয়া লোক সাহিত্যক আমি প্ৰধানকৈ ৩টা (তিনিটা) ভাগত ভগাব পাৰো! যেনে— (১) লোকগীত (২) ফকৰা যোজনা আৰু প্ৰবচন (৩) সাধুকথা। সমাজতত্বৰ অধ্যয়নৰ ফালৰ পৰা সাধুকথাবোৰৰ মূল্য যথেষ্ট। কিন্তু সাহিত্যৰ ফালৰ পৰা সাধুকথাৰ মূল্য বেছি নাই। ফকৰা যোজনা-বোৰত সাধাৰণতে সাংসাৰিক জ্ঞান নীতি, জাতিৰ মনস্তত্ব, আচাৰ ব্যৱহাৰ আদি পোৱা যায়। যোজনা বিলাকত এফাঁকি কথা পুৰাবলৈ আন এফাঁকি যোগ কৰি দিয়া হয়। বহুক্ষেত্ৰত যোগ কৰি দিয়া ফাকিৰ অৰ্থ নাথাকিবও পাৰে। যেনে—'বাপেকৰ তিৰী নাই পুতেকৰ সাত বৌ।" সমাজৰ প্ৰয়োজনে প্ৰবাদ প্ৰবচনবোৰৰ জন্ম দিয়ে।

১। লোক গীত— লোকগীতত অসমীয়া সাহিত্য অতিশয় চহকী। লোকগীতবোৰক আমি তিনিটা ভাগত ভগাব পাৰো। সেইবোৰ—

(ক) অনুষ্ঠামমূলক— বিহুগীত, বিয়ানাম আদি।
(খ) আখ্যানমূলক— বুৰঞ্জীমূলক, কিম্বদন্তি, কাল্পনিক।
(গ) বিবিধবিষয়ক— নিচুকনি গীত, গৰখীয়া গীত, নাও খেলৰ গীত।

(ক) অনুষ্ঠানমূলক লোকগীতৰ ভিতৰত হুচৰি আইনাম, মহখেদা গীত, বিবিধ পূজাপাতলৰ গীত আদি। বিহুগীত বুলিলে হুচৰি আৰু বনগীত দুয়োটা পৰে। হুচৰি গীতবোৰ ঈশ্বৰৰ নামেৰে আৰম্ভ কৰি সমূহ ৰাইজৰ মাজত

গাব পাৰি। তলত হুচৰি গীতৰ এটি নিদৰ্শন দিয়া হল—

"কৃষ্ণাইৰ মূৰতে বকুলফুল এপাহি
নিয়ঁৰ পাই মৰহি যায়— গোৱিন্দাই ৰাম।

বসন্তৰ আগমনৰ লগে লগে মৃদু বায়ু, পাদপ লতাৰ শ্যামল শোভাই প্ৰকৃতি জগতত মাদকতাৰ সৃষ্টি কৰে। কোকিলৰ গুঞ্জনে প্ৰকৃতিৰ বীণধ্বনিত এক অপূৰ্ব সঙ্গীতৰ ৰাগিনী তোলে। বিহুগীতবোৰত নিহিত হৈ আছে প্ৰেম প্ৰীতিৰ ভাৱ—

"আঠিয়া কলৰে পাতে নাকাটিবা
চিটিকি পৰিব এঠা
লোককে দেখুৱাই কেতেৰা মাৰিবা
ভিতৰি নেৰিবা বেথা।"

পুৰণি অসমীয়া নাৰী সমাজত 'আই'ৰ প্ৰভাৱ অসীম। আই নামবোৰ অসমীয়া নাৰী সমাজৰ নাৰীৰ ভক্তি প্ৰেমৰ জ্বলন্ত নিদৰ্শন—

"উজায়ে আহিলে আইৰ সাতভনী, বালিতে পাতিলে বাসা।
প্ৰাণীৰ বিকল দেখি আই ভগৱতী, আপুনি লগাইছে ঘোষা॥"

আই বা শীতলাদেৱীৰ সাত বাই-ভনীৰ আগমনত ভক্তা নাৰীৰ কল্পনাও প্ৰকৃতিৰ অভাৱনীয় পৰিবৰ্ত্তন দেখা দিয়ে—

"উজায়ে আহিলে আইৰ সাতভনী
সাতলি পৰবতে জুৰি।
তৰু-তৃণ-লতা সবে দোঁৱাই মাথো
আই আহিবৰে শুনি॥"

(খ) আখ্যানমূলক— আখ্যানমূলক তিনি শ্ৰেণীৰ গীতৰ, বুৰঞ্জীমূলক জনগীতৰ ভিতৰত বৰফুকনৰ গীত, হৰদত্ত-বীৰদত্তৰ গীত, মণিৰাম দেৱানৰ গীত, জয়মতীৰ গীত আদি পৰে। বুৰঞ্জীমূলক গীতবোৰ কৰুণ ৰসাত্মক। বৰফুকনৰ গীতৰ এটি নিদৰ্শন তলত দিয়া হল—

জৰাৰ কোমল জীম
বগী বগী ছোৱালিবোৰ তহঁতক দিম।

"মণিৰাম দেৱানৰ ব্যক্তিত্ব অসমীয়া জাতীয় জীৱনত সঞ্চাৰিণী দীপ শিখাৰ দৰে উঠি মাৰ গল আৰু ৰৈ গল এটি দীঘল হুমুনিয়াহ।" তাৰেই কৰুণ কাহিনী বৰ্ণিত হৈছে মণিৰাম দেৱানৰ গীতত—

"সোণৰ ধোৱাঁখোৱাত খালি তই মণিৰাম
ৰূপৰ ধোৱাঁখোৱাত খালি,
দেশৰে কাৰণে জীৱনটো তেজিলি
ডিঙিত চিপ্‌জৰী ললি।"

কিম্বদন্তি গীতৰ ভিতৰত ফুলকোঁৱৰৰ গীত, কমলাকুৱৰীৰ গীত আদি কিম্বদন্তিমূলক। ফুলকোঁৱৰৰ গীতৰ এটি নিদৰ্শন তলত দাঙি ধৰা হল—

ভেকুৰীৰ নাথাকে থোক
বাপেৰ নাৰকীয়ে ইয়াতে এৰিলে
মাউৰা কৰিলে তোক।

বৰফুকনৰ গীত, ফুলকোঁৱৰৰ গীত আদি কাহিনী গীতবোৰত সংলাপ ৰীতিৰ প্ৰয়োগ, আকস্মিক সংযোগ আৰু অপ্ৰত্যাশিত ঘটনাই গীতবোৰক নাটকীয়ত্ব দান কৰিছে। সুৰৰ প্ৰবাহ অব্যাহত ৰাখিবৰ কাৰণে কিছুমান অপ্ৰয়োজনীয় পংক্তিৰ ব্যৱহাৰ দেখা যায়। তাৰে এটি নিদৰ্শন তলত দিয়া হল—

"কাঠৰ পখীঘোঁৰাত উৰি ফুলকোঁৱৰে
মাৰি যায় চাবুকৰ চাট।
আকাশে পাতালে উবাৰত কৰিলে
আলাসত কৰিলে বাট॥

কাল্পনিক গীতৰ ভিতৰত বাৰমাহীৰ গীত, মধুমতীৰ গীত, লীলাৱতীৰ গীত আদি কাল্পনিক। বিভিন্ন মাহৰ প্ৰাকৃতিক পৰিৱৰ্ত্তন আৰু সৌন্দৰ্য্যই ঘৰত আৱদ্ধ হৈ থকা বিৰহিনী নাৰীৰ অন্তৰত কেনে প্ৰতিক্ৰিয়াৰ সৃষ্টি কৰে তাৰ সুন্দৰ চিত্ৰ বাৰমাহীৰ গীতত পোৱা যায়। অসমীয়া 'বাৰমাহী গীত' সৰ্ব্বভাৰতীয় ঐতিহ্যৰ এটি প্ৰান্তিক অভিব্যক্তি। লীলাৱতীৰ গীতত, সতীত্ব পৰীক্ষাই প্ৰধান বিষয়। অলৌকিকতা, যাদুমন্ত্ৰৰ সহায় নলৈ স্বাভাবিক কৌশলেৰে কাহিনী দুটা প্ৰকাশ কৰিছে।

আখ্যানমূলক গীতৰ অলৌকিকতাই কিছুমান অলৌকিক কৌশলৰে অসম্ভৱকো সম্ভৱ কৰা কাৰ্য্যই পাঠকৰ মন আকৰ্ষিত কৰে।

গ) বিবিধ বিষয়ক— বিবিধ বিষয়ক গীতৰ ভিতৰত নিচুকনি গীত, নাও খেলোৱা গীত, মহখেদা গীত, গৰখীয়া গীত আদি অসমৰ বিভিন্ন প্ৰান্তত প্ৰচলিত।

মিঠা কোমল সুৰৰ গীতবোৰৰ জৰিয়তে শিশুক এনে এখন জগতলৈ লৈ যোৱা হয় যত দূৰত্বৰ ব্যৱধান নাই আৰু যি বিচাৰে তাকে পোৱা যায়। শিশুৰ মন কল্পনা-প্ৰৱণ। যুক্তিৰ লগত খোজ মিলাই শিশু নচলে। শিশুৰ বাবে গোটেই কথাবোৰ জীৱন্ত সত্য। শিশুৰ জগতখন এখন স্বপ্নৰ জগত। শ্ৰীধৰ কন্দলিৰ কাণখোৱাত আছে—

"ঘুমতি যায়োৰে অ'ৰে কানাই
দূৰে কান খোৱা আসে।
সকল শিশুৰ কান খাই খাই
আসয় তোমাৰ পাশে॥"

নাও খেলোৱা গীত নাৱৰীয়াই বঠাৰ চাবে চাবে তাল মিলাই মনত পুলক জগাবলৈ গায়। এই গীতবোৰ সাধাৰণতে নামনি অসমৰ।

মুকলি মনৰে প্ৰকৃতিৰ বুকুত গৰু চৰাই নাচি বাগি গোৱা গীতবোৰ গৰখীয়াৰ গীত। গীতৰ মাজেৰে ইয়াত ক্ৰীড়াশীল মনটো প্ৰকাশ হয়।

২। ফকৰা যোজনা আৰু প্ৰবচন— ফকৰা যোজনা বোৰত গাৱলীয়া জীৱনৰ একোখন মনোৰম চিত্ৰ দেখা যায়। সৰহ ভাগ ফকৰা যোজনাৰ সময় নিৰ্ণয় কৰা টান যদিও বুৰঞ্জীৰ ঘটনা উল্লেখ থকা বোৰৰ এটা সময় নিৰ্ণয় কৰিব পাৰি। যেনে – "গড়গঞা কটাৰীৰ ডাবেও কাটে।" এইবোৰ আহোম ৰাজত্বত ৰচিত। কোনো লোকৰ কৃপণালিৰ সুযোগ লৈ সেই লোকক খোচ দি ফকৰা গোৱা হয়—

"ধন কুবেৰৰ ধন,
নিজেও নাখায়
আনকো নিদিয়ে
চাই থাকিবৰ মন।"

ডাকৰ বচন অসমীয়া সাহিত্যৰ অতি মূল্যবান সম্পদ। ডাকৰ বচনৰ মাজেৰে অসমীয়া দৈনন্দিন জীৱনৰ সকলো কথা সুন্দৰভাৱে প্ৰকাশিত হৈছে! ধন লাভ কৰিবলৈ মানুহে অতি নীচ কামো কৰে। তাৰে সন্দৰ্ভত ডাকে কৈছে—

"ধন দিলে ধোৱাই, মেখেলাকো কোবায়।"

নিজৰ ধন খৰচ কৰি খোৱাতকৈ কিছুমান মানুহে আনৰ ওপৰতে বেছিকৈ খাব খোজে। ডাকৰ বচনত আমি ইয়াৰ প্ৰমাণও পাওঁ—

"পৰৰ ওপৰত পায়, পানী ঢালিও দুগৰাহ সৰহকৈ খায়।"

কিছুমান তিৰোতা ঘৰ সোমালে কিছুমানৰ উন্নতি আৰু আন কিছুমানৰ অধোন্নতি হয়। সেই বিষয়ে ডাকে উনুকিয়াইছে—

"তিৰি ধৰি চিৰি, তিৰি ধৰি ভট-চিৰি।"

প্ৰায়ভাগ মানুহে নিজৰ স্বভাৱ বেয়া হলেও শোধন কৰিবলৈ টান পায়। এই সংক্ৰান্তত ডাকে কৈছে—


"চোৰে নেৰে চোৰ প্ৰকৃতি. শহায় নেৰে লৰ,
যিমানে কৈবৰ্ত্ত ধনীহক নদীৰ পাৰত ঘৰ।"

এইবোৰৰ পৰা সংসাৰ চক্ৰৰ সহস্ৰ প্ৰত্যাহ্বানৰ সন্মুখীন হৈও সংগ্ৰামী জীৱনে লক্ষ্য সাধনৰ পথত আগুৱাই যাবলৈ প্ৰেৰণা পায়। এইবোৰ "যুগ যুগান্তৰৰ সঞ্চিত জ্ঞানৰত্ন।"

৩। সাধুকথা— কল্পনাপ্ৰৱণ মানুহৰ মনে কল্পনাৰ কাৰেঙত উঠি দিগবিজয় কৰি ফুৰে। অলৌকিক স্বপ্ন-ৰাজ্যত মানুহৰ মনে শান্তিৰ সৰগ ৰচে। সাধুকথাবোৰৰ মৰ্মে মৰ্মে নিহিত হৈ আছে সমাজৰ মানুহৰ একোখন জীৱন্ত প্ৰতিচ্ছবি। উদাহৰণ স্বৰূপে, তেজীমলা সাধুতোত মাহীমাকে তেজীমলাক কৰা অত্যাচাৰ আমাৰ সমাজত প্ৰায় হৈ থাকে। তেজীমলাৰ চৰিত্ৰটি যদিও কাল্পনিক, ইয়াৰ মাজেৰে নৈতিক জীৱনৰ আদৰ্শ প্ৰকাশ পাইছে। সাধুকথাবোৰ এজনৰ মুখৰ পৰা আনএজনৰ মুখলৈ বাগৰি অহাৰ ফলত নানা উপকথাৰ সামঞ্জস্যত অধিক ৰুচিসম্পন্ন হৈছে।

ৰাণী, মন্ত্ৰী, লিটিকাই, শাহু, বোৱাৰী, নাপিত. সাউদ আদি সাধুকথাৰ পটভূমি। সাধুবোৰত মানুহৰ বিশ্বাস আৰু অনুভূতিৰ মধুৰ প্ৰকাশ দেখিবলৈ পোৱা যায়। অসমীয়া সমাজত প্ৰচলিত তেজীমলা, তুলা আৰু তেজা, চম্পাৱতী আদি সাধুত মানুহে মানুহৰ প্ৰতি কৰা অন্যায়ৰ এক বিষাদময় নিজৰা বৈ গৈছে। বুঢ়া-বুঢ়ীৰ পিঠা খোৱা. কচুবোৱা আদি সাধু হাঁহিৰ থুনপাক।

অসমীয়া লোক সাহিত্য অতিশয় চহকী। লৌকিক সাহিত্যই লিখিত সাহিত্যকো জৰিহণা যোগাইছে। প্ৰত্যেক জাতিৰে জাতীয় জীৱনৰ জাতীয় আদৰ্শ নিহিত হৈ থাকে লোক সাহিত্যত। যুগৰ পৰিৱৰ্ত্তনৰ লগে লগে লৌকিক সাহিত্যবোৰো সলনি হৈছে লিখিত সাহিত্য ৰূপত। যুগৰ লগত খোজ মিলাবলৈ এই লিখিত সাহিত্যবোৰৰ ভাষাইও আধুনিক গঢ় লবলৈ ধৰে। হ'লেও সাহিত্যৰ মূলভাৱ অক্ষুণ্ণ থাকে। লোক সাহিত্যৰ মাজতে অসমীয়াৰ জন্ম আৰু তাৰ মাজতে বিৱৰ্ত্তন আৰু পৰিবৰ্দ্ধন। ইয়াৰ প্ৰসাৰে অসমীয়া জাতিৰ কৃষ্টি—সংস্কৃতিক নিশ্চয় দুগুণে মহীয়ান কৰি তুলিব। ✶



# সম্পদ উদঘাটন
# আৰু
# উত্তৰ-পূব ভাৰতত পাৰিপাৰ্শ্বিক সমস্যা

নিজৰা গোহাঁই
স্নাতক মহলা, ২য় বাৰ্ষিক, (কলা)

উত্তৰ-পূব-ভাৰত বুলিলে আমি ভাৰত উপ-মহাদেশৰ উত্তৰ পূবত থকা অসম, মেঘালয়, অৰুণাচল, নগালেণ্ড, ত্ৰিপুৰা, মণিপুৰ আৰু মিজোৰাম ৰাজ্যৰ সমষ্টিকে বুজোঁ। উত্তৰে চিকিম আৰু ভূটান আৰু দক্ষিণে বাংলাদেশৰ মাজত কেৱল এটা ঠেক অংশইহে এই অঞ্চলটোক ভাৰতৰ বাকী অংশৰ লগত সংযুক্ত কৰিছে। তদুপৰি চীন, ব্ৰহ্মদেশ আৰু বাংলাদেশ আদি বিদেশী ৰাষ্ট্ৰৰ দ্বাৰাই ইয়াৰ চাৰিসীমা পৰিবেষ্টিত। সেই কাৰণে ভূ-ৰাজনৈতিক তথা অৰ্থনৈতিক দিশৰ পৰাও ই এটা স্বকীয় বৈশিষ্ট্যপূৰ্ণ গোট।

এই অঞ্চল ২১°৫১´-২৯°২৬´ উত্তৰ অক্ষাংশ আৰু ৮৯°৪৯´-৯৭°২৬´ পূব দ্ৰাঘিমাংশৰ মাজত অৱস্থিত। ইয়াৰ আয়তন ২,৫০,১৭৮ বৰ্গকিল'মিটাৰ। ১৯৭১ চনৰ লোক পিয়ল অনুযায়ী এই অঞ্চলৰ মুঠ জনসংখ্যা ১৯,০০৬ ৫৬৫। বৰ্তমান এই অঞ্চল মেঘালয়, অৰুণাচল, নগালেণ্ড, ত্ৰিপুৰা আৰু মণিপুৰে সুকীয়া ৰাজ্য হিচাপে স্বীকৃতি লাভ কৰিছে।

## উত্তৰ-পূব ভাৰতৰ সম্পদ

সম্পদ বুলিলে সাধাৰণ অৰ্থত ঐশ্বৰ্য্য বিভূতিকে বুজায়। কিন্তু অৰ্থবিজ্ঞানত মানুহৰ অভাৱ পূৰণ কৰিব পৰা বস্তুৰ অপ্ৰচুৰ আৰু বেচা কিনা কৰিব পৰা সকলো বস্তুকে সম্পদ বোলা হয়। সম্পদ শব্দটোৰে এনে কিছুমান বস্তুক বুজায়, যিবিলাকৰ উপযোগিতা, অপ্ৰচুৰতা, হস্তান্তৰ যোগ্যতা আৰু বাহ্যিকতা— এই চাৰিটা গুণ থাকে।

উত্তৰ-পূব ভাৰত বনজ আৰু খনিজ সম্পদত চহকী দেশ। এই অঞ্চলত নানান মূল্যবান গছ-গছনি পোৱা যায়। নাহৰ, তিতাচপাঁ, শাল, চেগুন, গমাৰি, চপাঁ, শিমলু, কৰৈ, কদম, বনচোম, এজাৰ, হলং, হলক ইত্যাদি ইত্যাদি। তাৰোপৰি উত্তৰ পূব অঞ্চলৰ হাবিত নানান তৰহৰ বনৰীয়া জন্তু পোৱা যায়। বনৰীয়া জন্তুৰ ভিতৰত বাঘ, ভালুক, হাতী, বনৰীয়া ম'হ, নানা ধৰণৰ পহু আৰু নানা বৰণৰ ৰঙচঙীয়া চৰাই চিৰিকতি উল্লেখযোগ্য। কাজিৰঙাৰ এক খড়্গযুক্ত গড় অসমৰ হাবিৰ বৈশিষ্ট্য।

খনিজ সম্পদততো উত্তৰ পূব ভাৰত চহকী দেশ। উত্তৰ পূব ভাৰত বিশেষকৈ অসমক "পনীয়া সোনৰ দেশ" বুলিও অভিহিত কৰা হয়। খনিজ সম্পদৰ ভিতৰত পেট্ৰলিয়াম, কয়লা, চুনশিল, এছবেছটছ, ক'ৰাণ্ডাম, ফ্লাৰ্চ আৰ্থ, হোৱাইট ক্লে, জিপছাম, জেমষ্ট'ন, সোন, গ্ৰেফাইট আদিয়েই প্ৰধান।

উত্তৰ পূব ভাৰতৰ অন্তৰ্গত অসম, খনিজ সম্পদত বেছ চহকী। উজনি অসমৰ মাকুম, জয়পুৰ, নাজিৰা আৰু নাফুকত কয়লাৰ খনি আছে। মাকুমত ১৮ নিযুত টন কয়লা আছে বুলি অনুমান কৰা হৈছে। খাৰুৱা তেলৰ পৰিমান ভাৰতবৰ্ষৰ মুঠ পৰিমানৰ শতকৰা ৬০ ভাগ মান হব বুলি ভূতত্ত্ববিদ সকলে অনুমান কৰিছে। অসমৰ গোটেই ব্ৰহ্মপুত্ৰ উপত্যকাতে খনিজ তেলৰ স্তৰ আছে বুলি অনুমান কৰা হৈছে। নাহৰকটীয়া, হুগ্ৰীজান, ডুমডুমা, মৰাণ, ৰুদ্ৰসাগৰ, লাকুৱা, টিয়ক, গেলেকী আৰু জাজৰীত ইতিমধ্যে তেলৰ সন্ধান পোৱা গৈছে। মেঘালয়তো

যথেষ্ট পৰিমানৰ কয়লা খনি আছে। চেৰাপুঞ্জীৰ আশে পাশে প্ৰায় ১৬ খন মান ঠাইত কয়লাৰ খনি আছে। পশ্চিম মেঘালয়ত আটাইতকৈ বেছি কয়লা (২৪২,০০০,০০০ টন) আছে বুলি অনুমান কৰা হৈছে। চুনশিলো মেঘালয়ত যথেষ্ট পৰিমানে পোৱা যায়। গাৰোপাহাৰৰ পৰা মিকিৰ পাহাৰ পৰ্য্যন্ত প্ৰায় ৪০০ কিল'মিটাৰৰ এটা দীঘল অঞ্চলত চুনশিল পোৱা যায়।

উপৰোক্ত বনজ আৰু খনিজ সম্পদৰ ওপৰত ভিত্তি কৰিয়েই উত্তৰ পূব অঞ্চলত বহুতো কলকাৰখানা গঢ়ি উঠিবলৈ সুবিধা পাইছে। বনজ সম্পদৰ ওপৰত ভিত্তি কৰি অসমত দুটা কাগজ কল গঢ়ি উঠিছে। ঠিক সেইদৰে খনিজাত্ত সম্পদৰ ওপৰত ভিত্তি কৰি নানা ধৰণৰ উদ্যোগ গঢ়ি উঠিছে।

বনজ আৰু খনিজ সম্পদৰ ওপৰত গঢ় লৈ উঠা নানা ধৰণৰ কল কাৰখানাবোৰৰ দ্বাৰা আমি অৰ্থনৈতিক দিশৰ পৰা উপকৃত হৈছো। কিন্তু এই কল কাৰখানাবোৰৰ পৰা পাৰিপাৰ্শ্বিকতাৰ ক্ষেত্ৰত যথেষ্ট সমস্যাৰ সন্মুখীন হব লগীয়া হৈছে।

## পাৰিপাৰ্শ্বিক সমস্যাৰ স্বৰূপ ঃ

প্ৰথমতেই মই উত্তৰ পূব ভাৰতৰ পাটকাই অঞ্চলত বৃহৎ পৰিমানৰ কয়লাৰ ভাণ্ডাৰেৰে বিখ্যাত মাকুম, লিডু বৰগোলাই আদি কয়লা খনিৰ বিষয়ে কব খোজো। শতাধিক বছৰ পুৰণি এই অঞ্চলৰ কয়লা উদ্যোগৰ প্ৰতি চৰকাৰে বহু পলমকৈহে দৃষ্টি নিক্ষেপ কৰিছিল। ১৯৭৩ চনত কয়লা উদ্যোগ ৰাষ্ট্ৰীয় কৰণ কৰাৰ পাছৰে পৰা চৰকাৰে ক্ষিপ্ৰগতিৰে ৰাষ্ট্ৰীয় অৰ্থনীতি শক্তিশালী কৰাৰ নামত গ্ৰহন কৰা অধিক পৰিমানৰ উৎপাদন কাৰ্য্যসূচীয়ে অঞ্চলটোলৈ দুখ-দুৰ্দশা নমাই আনিছে। যাৰ ফলস্বৰূপে অসমৰ একেবাৰে পূব সীমাৰ এই সেউজ উপত্যকাতো ভয়াবহ সমস্যাৰ সন্মুখীন হব লগা হৈ আহিছে। ১৯৮৩ চনৰ পৰা অধিক পৰিমানে কয়লা আহৰণৰ বাবে ক'ল ইণ্ডিয়া লিমিটেড অ'পন কাষ্ট পদ্ধতি প্ৰয়োগ কৰিছে। ইয়াৰ আগতে ডিপ মাইনিং পদ্ধতিৰ দ্বাৰা কয়লা খনন কৰা হৈছিল। এই ব্যৱস্থাৰ দ্বাৰা সাধাৰণতে ভূ-গৰ্ভত খনন কৰ্য্য কৰা হয় বাবে অঞ্চলটোৰ পাৰিপাৰ্শ্বিক অৱস্থাটো সিমান আক্ৰান্ত নহয়। কিন্তু অ'পন কাষ্ট খনন ব্যৱস্থা ভূ-পৃষ্ঠৰ উপৰিভাগত কৰা হয়। ফলস্বৰূপে কয়লা আহৰণ কাৰ্য্য চলাবলৈ ভূ-পৃষ্ঠৰ উপৰিভাগৰ গছ-গছনি সমূলঞ্চে কাটি পেলোৱা হয়। তাৰ পাছত ডাম্পাৰ, পৰ্টলেণ্ড আদি আধুনিক খননকাৰী যন্ত্ৰ প্ৰয়োগ কৰি পাহাৰবোৰ ক্ৰমান্বয়ে খান্দি পেলোৱা হয়। এই পদ্ধতিৰে কয়লা আহৰণৰ ফলস্বৰূপে বহু অঞ্চল জুৰি থকা সেউজীয়া অৰণ্য অঞ্চল চিৰদিনৰ বাবে বাবে বন্ধ্যা হব লগীয়া হল। পশু-পখী, মানুহ, উদ্ভিদ জীয়াই থকাৰ সামগ্ৰিক বাতাবৰণ টোৱেই বৰ্তমান বিপন্ন হৈ পৰিছে। সেই ইতিহাস প্ৰসিদ্ধ পাটকাই পাহাৰ আজি আধুনিক সভ্যতাৰ আচোঁৰত ক্ষতবিক্ষত হৈ পৰিছে।

যোৱা কেইটামান বছৰত এই অঞ্চলত হোৱা জলবায়ুৰ দ্ৰুত পৰিবৰ্তন লক্ষ্য কৰিবলগীয়া। বছৰটোৰ বাৰমাহৰ আঠমাহেই ধাৰাসাৰ বৰষুন হোৱা এই অঞ্চলটোত এতিয়া বাৰিষাতো এজাক বৰষুণ দুৰ্লৰ্ভ বস্তুৰ দৰে হৈ পৰিছে। এই সমগ্ৰ অঞ্চলটোত যোৱা চাৰিবছৰত প্ৰায় ১০০০ মিলিমিটাৰ পৰিমানৰ বৰষুণৰ তাৰতম্য ঘটিছে।

কয়লা আহৰণৰ কাৰণে কেইবাটাও পাহাৰৰ গছ-গছনি কাটি, গোটেই পাহাৰীয়া অঞ্চলবোৰ একেবাৰে নগ্নপ্ৰায় কৰি পেলাইছে। মাত্ৰ কেইলাখ টনমান কয়লাৰ কাৰণে এটা এটাকৈ পাহাৰ নিৰ্মম ভাবে খান্দি পেলোৱা হৈছে। এইদৰে পাটকাই অঞ্চলৰ ওচৰে পাজৰে প্ৰায় ৫০-৬০ মিটাৰ গভীৰতাৰ কেইবাটাও জলাশয়ৰ সৃষ্টি হৈছে। য'ত জমা হোৱা পানীত প্ৰচুৰ পৰিমানে অম্লজান পোৱা যায়। যিহেতু চালফাৰৰ পৰিমান অসমৰ কয়লাত বেছি, এই আম্লিক পানীয়ে মাটিৰ গুন অস্বাভাৰিক ভাৱে নষ্ট কৰাৰ ওপৰিও খোৱা পানীৰ পুখুৰী আদিত সোমাই সাধাৰণ মানুহৰ জীৱন বিপন্ন কৰি তুলিছে। এই পানী খোৱাৰ ফলত গৰু, ম'হ, আদিও ক্ৰমান্বয়ে মৃত্যু মুখত পৰিবলগীয়া হৈছে। মানুহৰ ক্ষেত্ৰতো ক্ৰমান্বয়েই ভয়াবহতাৰ সৃষ্টি কৰিছে। আম্লিক পানীৰ সংস্পৰ্শৰ ফলতেই মানুহে গেছট্ৰো এনটাৰাইটিছ, এজমা, টি,বি আদি ৰোগত ভূগিব লগা হৈছে।

পাহাৰ খন্দা মাটিবোৰ য'তে ত'তে জমা কৰাৰ ফলত বিশৃংঙ্খল ভাবে একো একোটা ওখ টিলাৰ সৃষ্টি হৈছে। মাটিবোৰ হ'ল শিল, কয়লা, বালি আদি নানা পদাৰ্থৰ সংমিশ্ৰন। বতাহ বৰষুণ আদিৰ ফলত এই দুষিত মাটিবোৰ বাগৰি নামনিৰ খেতি পথাৰত জমা হোৱাৰ ফলত খেতি পথাৰবোৰ বাম হৈ পৰিছে; যাৰ ফলস্বৰূপে সমগ্ৰ অঞ্চলটো এজাক বৰষুনতেই বানপানীৰ গ্ৰাসত পৰিবলগীয়া হয়। পাহাৰ কেইটাৰ মাজেৰে বৈ অহা নিজৰা, জান-জুৰিৰ ফটফটীয়া পানী কয়লাৰ গুড়ি, শিল আদিৰে পৰিপূৰ্ণ। পাহাৰবোৰ ধ্বংস কৰাৰ ফলস্বৰূপে বৰ্তমান সমগ্ৰ অঞ্চল টোত খোৱা পানীৰ সমস্যাই নতুনকৈ দেখা দিবও লৈছে। যি অঞ্চল এসময়ত চাৰিওফালে নৈ, নিজৰা, জান-জুৰিৰে পৰিপূৰ্ণ আছিল, সেই অঞ্চলটোত খোৱা পানীৰ বাবে হাহাঁকাৰ কৰিব লগা হৈছে। পাহাৰৰ পৰা বৈ অহা জান-জুৰি কেইটাই অনা প্ৰচুৰ মাটিয়ে এই অঞ্চলৰ নদীবোৰ যথেষ্ট পৰিমানে বাম কৰি পেলোৱাৰ ওপৰিও এই প্ৰদুষিত পানী নামদাং আৰু বুঢ়ীদিহিঙত পৰাৰ ফলত এই নদী কেইখনৰ পানী সামান্য পৰিমাণে হলেও প্ৰদুষিত হৈছে।

চাৰি বছৰতে মষিমুৰ হোৱা এই ডাঠ অৰণ্য অঞ্চল এখন পুনৰ সৃষ্টি কৰা হয়তো কেতিয়াও সম্ভৱ নহব। আৰু ক'ল ইণ্ডিয়াৰ আচঁনি অনুযায়ী যদি অ'পন কাষ্ট পদ্ধতিৰে এই সমগ্ৰ অঞ্চল সামৰি লৈ কয়লা আহৰণ কাৰ্য্য চলিয়েই থাকে তেনেহলে অহা কেইবছৰ মানৰ ভিতৰত অসম আৰু অৰুণাচলৰ এক বৃহৎ এলেকা অনুৰ্বৰ মৰুভূমিলৈ পৰিবৰ্ত্তিত হব।

এইয়া হল অসমৰ খনিজ সম্পদৰ ওপৰত ভিত্তি কৰি গঢ় লৈ উঠা এটা উদ্যোগৰ ধ্বংসাত্মক কাহিনী আৰু লগতে সেই ধ্বংসাত্মক কাৰ্য্যৰ ফলশ্ৰুতি হিচাপে সেই অঞ্চলত পাৰিপাশ্বিকতাৰ ক্ষেত্ৰত নতুনকৈ সৃষ্টি হব ধৰা কিছুমান সমস্যাৱলীৰ প্ৰতিৰূপ। এতিয়া আহো তেল সম্পদৰ আলোচনালৈ।

১৯৫৭ চনত তেল আৰু প্ৰাকৃতিক গেছ আয়োগ অসমলৈ আহে আৰু ১৯৫৮ চনত ভূ-প্ৰাকৃতিক আৰু ভূ-তাত্ত্বিক জৰীপৰ জৰিয়তে দিচাংমুখ আৰু ৰুদ্ৰসাগৰ অঞ্চলত পোন প্ৰথমবাৰৰ বাবে খনন কাৰ্য্য চলোৱা হয়। ষাঠি দশকৰ প্ৰথম ভাগত ৰুদ্ৰসাগৰ অঞ্চলত তেলৰ উহঁ সহজে আবিস্কৃত হোৱাৰ পাছৰে পৰা এতিয়ালৈকে আয়োগে পূৰ্বাঞ্চলত থমকি ৰ'ব লগা হোৱা নাই। অবিৰতভাৱে হোৱা অনুসন্ধান আৰু খনন কাৰ্য্যৰ ফলত নতুনকৈ আবিস্কৃত হল সাগৰসদৃশ গেলেকী, লাকুৱা, আৰু শেহতীয়াকৈ ধনশিৰি উপত্যকাৰ বৰহোলা তৈল ক্ষেত্ৰ। এইবোৰ অঞ্চলৰ পৰা অসমে বৰ্তমান বছৰি ২'৫ নিযুত টন তেল উৎপাদন কৰি আছে।

কেইটামান চাকৰিৰ আশাত আমি অ, এন, জি, ছিক অসমৰ বাবে এক আশীৰ্ব্বাদ স্বৰূপ বুলি ক'লে ভূল কথা কোৱা হব। আয়োগৰ জৰীপ বিভাগে মাটি জৰীপ কৰি তেলৰ সন্ধান পালে তাতেই খনন কাৰ্য্য চলাবৰ বাবে মাটি লয়। ইয়াৰ বাবে খেতিৰ মাটি বা ঘৰবাৰী থাকিলেও দিবই লাগিব। অৱশ্যে তাৰ বিনিময়ত দেৰি আৰু কমকৈ হ'লেও গিৰিহঁতে ক্ষতি পূৰণ পায়। খেতিয়েই জীৱনৰ একমাত্ৰ সম্বল হোৱা দুখীয়া খেতিয়ক সকলৰ বাবে ই এটা গুৰুতৰ সমস্যা ৰূপে দেখা দিছে। খেতিয়কসকলে মাটিৰ বৰ্তমানৰ মূল্যতকৈ বহু কমকৈ দিয়া ক্ষতি পূৰণখিনি লগে লগে কেতিয়াও নাপায়। এইদৰে অনাৱশ্যকীয়ভাৱে দীঘলীয়া কৰা আমোলাতান্ত্ৰিক কাৰ্য্যই খেতিয়কসকলৰ দুখ-দুৰ্দশা বঢ়াই তুলিছে। অসমত আয়োগে তেল উদ্‌ঘাটনৰ বাবে কিমান মাটি অধিগ্ৰহণ কৰি আছে তাৰ লেখ দিয়া বৰ্তমান কঠিন হৈ পৰিছে। ৰাজ্য চৰকাৰৰ সংশ্লিষ্ট বিভাগৰ অমনোযোগিতাৰ বাবেও বহুত কৃষি উপযোগী মাটি আয়োগে তেল উদ্‌ঘাটনৰ নামত নষ্ট কৰিলে।

ইয়াৰোপৰি তৈল ক্ষেত্ৰৰ ওচৰ পাজৰৰ মানুহখিনিক লাহে লাহে নতুন নতুন সমস্যাই জুৰুলা কৰিবলৈ ধৰিছে। তেল খননস্থলীৰ পৰা ওলাই অহা দুৰ্গন্ধযুক্ত আৱৰ্জনাবোৰে শ শ বিঘা মাটিৰ খেতি ধ্বংস কৰি পেলাইছে। লাকুৱা মেচাগড়, বগীদ'ল আদি অঞ্চলত পথাৰবোৰত এসময়ত ধানেৰে ভৰি আছিল। এসময়ত ধানেৰে ভৰি থকা এই পথাৰবোৰত আজি-কালি ধানৰ

সলনি পতান হে উলায়। তেল ; গেছৰ দ্বাৰা যাতে বায়ুপানী দূষিত নহয় তাৰ বাবে আয়োগে কিঞ্চিতমান হ'লেও প্ৰচেষ্টা হাতত লোৱা নাই। আয়োগে প্ৰদূষণ নিয়ন্ত্ৰণৰ বাবে চৰকাৰৰ কোনো নীতিয়েই পালন কৰা নাই। চৰকাৰী নীতি অনুযায়ী প্ৰাকৃতিক গেছবোৰ মাটিৰ পৰা কমেও ৩০ ফুট উচ্চতাত জ্বলাব লাগে। কিন্তু এনে নকৰাৰ ফলত প্ৰচণ্ড তাপ আৰু পোহৰত কাযৰীয়া অঞ্চলত বাণিজ্যিকভাৱে কৰা মুগা পলুৰ খেতি অনিষ্ট হোৱাৰ লগতে উদ্ভিদ জগতৰো বিস্তৰ ক্ষতি হৈছে। আনহাতে তেল খাদৰ পৰা জি, জি এছ আদিলৈ সংলগ্ন তেল প্ৰবাহিত নলীবোৰ নিয়মমতে মাটিৰ পৰা ৩ ফুট তললৈকে পুতিব লাগে। কিন্তু কোনো কোনো ঠাইত নলীবোৰ মাটিৰ ওপৰতে ওলাই থকা দেখিবলৈ পোৱা যায়। সুৰক্ষা বিধিসমূহ ভালদৰে প্ৰয়োগ নকৰাৰ বাবে ইতিমধ্যে কেইবা ঠাইতো ঘৰবাৰী জ্বলাৰ লগতে মানুহেও মৃত্যুক সাৱটিব লগা হৈছে। তাৰোপৰি তেলখাদৰ চাৰিও ফালে বন্ধা ৰিং বান্ধটোত কেনেবাকৈ ফাট মেলি পথাৰ বোৰত তেল মিহলি পানী সোমাই ধান-মাছৰ উৎপাদন হ্ৰাস কৰাৰ উপৰিও প্ৰত্যেক বছৰে তেল মিহলি পানী, ঘাঁহ আদি খাই গৰু-গাই ; হাঁহ-কুকুৰা আদি জন্তুবোৰো মৃত্যুৰ কবলত পৰিছে। ড্ৰিল চাইটৰ তেল মিহলি লেতেৰা পানীয়ে ধান, মাহ মৰাৰ ওপৰিও বাৰীৰ তামোল, নাৰিকল. পান আদি গছৰো অপকাৰ সাধে। এই লেতেৰা পানীৰ সংস্পৰ্শ লৈ আহি বিল, খাল, পুখুৰী আদিৰ মাছো ক্ৰমান্বয়ে মৰি আহিছে।

ইয়াৰ পাছত আহোঁ প্ৰাকৃতিক গেছলৈ। প্ৰাকৃতিক গেছো খাৰুৱা তেলৰ দৰেই ভূ-গৰ্ভত থকা এবিধ অমূল্য খনিজ সম্পদ। ১৯৫৩ চনত প্ৰথম নাহৰকটীয়া তৈল ক্ষেত্ৰত প্ৰাকৃতিক গেছ আৱিস্কাৰ কৰা হয়। বৰ্তমান খাৰুৱা তেলৰ পাছতেই প্ৰাকৃতিক গেছ শক্তি উৎপাদনৰ এটা মূখ্য উৎস আৰু বিভিন্ন উদ্যোগৰ বাবে এটা আৱশ্যকীয় কেঁচাসামগ্ৰী। এই প্ৰাকৃতিক গেছক উপজীব্য কৰি অসমত কেইটামান উদ্যোগ গঢ়ি উঠিছে। তাৰ ভিতৰত নামৰূপৰ সাৰ কাৰখানা, নামৰূপ আৰু লাকুৱা তাপবিদ্যুৎ প্ৰকল্প, অসম পেট্ৰকেমিকেলছ লিমিটেডেই প্ৰধান। নামৰূপৰ সাৰ কাৰখানাটোৱেই ৰাজ্যখনৰ অৰ্থ নীতিত যথেষ্ট প্ৰভাৱ পেলাব পাৰিছে। প্ৰধানকৈ ই তেল পথাৰৰ প্ৰাকৃতিক গেছৰ এক বৃহৎ অংশ এনেয়ে জ্বলাই দিয়াৰ পৰা বচাইছে।

ৰাসায়নিক সাৰ উদ্যোগ বুলিলেই ভূপালৰ কথা মনলৈ আহে। নামৰূপ ৰাসায়নিক গোটসমূহৰ পৰা নিৰ্গত হোৱা গেছীয় তথা জলীয় পদাৰ্থসমূহ ভূপালৰ দৰে মাৰাত্মক নহয় যদিও ইয়াৰ ভয়াবহতা একেবাৰে নুই কৰিব নোৱাৰি। নামৰূপৰ পাৰিপাৰ্শ্বিকতাত ই সমস্যাৰ সৃষ্টি কৰিছে।

সাৰ কাৰখানাৰ পৰা নিৰ্গত হোৱা আবৰ্জনাসমূহ দুটা ভাগত ভগাব পাৰি। জলীয় আৰু বাষ্পীয়। বাষ্পীয় ভাগত আছে চালফাৰ ডাই-অক্সাইড ; চালফিউৰিক এচিড যুক্ত বাষ্প ; চালফাৰ-ট্ৰাই-অক্সাইড আৰু বিভিন্ন পদাৰ্থ। আনহাতে জুলীয়া ৰূপত কাৰখানাৰ পৰা নিৰ্গত হোৱা বিষাক্ত আবৰ্জনাৰ ভিতৰত আছে আছে'নিক, ক্ৰ'মিয়াম, নাইট্ৰ'জেনজাত পদাৰ্থ, তেল আৰু গ্ৰীজ জাতীয় পদাৰ্থ; বিবিধ ক্ষাৰ আৰু এচিড সামগ্ৰী আৰু উটি যোৱা বিবিধ গোটা পদাৰ্থ।

গেছীয় পদাৰ্থসমূহে বায়ুমণ্ডল যথেষ্ট পৰিমানে দূষিত কৰে। নামৰূপ নগৰখনৰ আকাশ দূৰৈৰ পৰা মেঘাচ্ছন্ন দেখা যায়। ই প্ৰদূষণৰেই প্ৰমান। তদুপৰি সাৰ কাৰখানাৰ পৰা নিৰ্গত হোৱা জুলীয়া আবৰ্জনাসমূহ কাৰখানাৰ কাষেৰে বৈ যোৱা দিলিছ বা দিল্লি নৈত পৰে। ফলত ইয়াৰ পানী খোৱাৰ বাবে গৰু, মহৰ মৃত্যু ; খেতিৰ ক্ষতি আৰু মাছ কাছৰ মৃত্যুৰ খবৰ ওলাই থাকে।

কাৰখানাৰ আবৰ্জনাৰ ওপৰিও সাৰ নগৰীখনৰ আবাসিক এলেকাৰ আবৰ্জনায়ো ওচৰ চুবুৰীয়া অঞ্চলৰ বাবে কিছু ভয়াবহ পৰিস্থিতিৰ সৃষ্টি কৰিছে।

এইবাৰ আহিছো বনজ সম্পদৰ ধ্বংসাত্মক অৱস্থাৰ এটি চুড়ান্ত নিদৰ্শন দিবলৈ। এই বনজ সম্পদৰ ধ্বংসাত্মক অৱস্থাৰ সৃষ্টি কৰা চুড়ান্ত নিদৰ্শনৰ পটভূমি হল জাগী ৰোড। জাগীৰোড, য'ত ভাৰতৰ ভিতৰতো কথাই নাই,

আনকি এচিয়া মহাদেশৰ ভিতৰতে তৃতীয় বৃহৎ কাগজৰ কলটো অৱস্থিত। বনজ সম্পদৰ ওপৰত নিৰ্ভৰ কৰি গঢ় লৈ উঠা এই কাগজ কলটো দেশৰ এটা আপুৰুগীয়া উদ্যোগ ; য'ত অসমৰ বনজ উদ্ভিদ বিশেষকৈ বাঁহৰ ধ্বংস লীলা পূৰ্ণোদ্যমে চলিব লাগিছে। এই কাগজ কলটোলৈ উত্তৰ-পূব অঞ্চলৰ বিশেষকৈ অসমৰ উজনিৰ পৰা ভাটিলৈ বিভিন্ন ঠাইৰ চুক-কোনৰ পৰা দৈনিক বাহৰ বোজা কঢ়িয়াই ট্ৰাকবোৰ আহে। গঞ্জা ৰাইজেও সামান্যতম লাভৰ আশাত নিজৰ কাৰণে অত্যাৱশ্যকীয় এই সম্বলটো বিনা দ্বিধাই কাটি ট্ৰাক ভৰাই পঠিয়াই আছে।

জাগীৰোডৰ এই কাগজ কলটোৱে পাৰিপাৰ্শ্বিকতাৰ ক্ষেত্ৰত বহু এলেকা জুৰি সমস্যা সৃষ্টি কৰিছে। এই অঞ্চলৰ মানুহে ২৪ ঘণ্টাই এটা অতি উৎকট দুৰ্গন্ধময় পৰিবেশত চলাফিৰা কৰিব লগা হৈছে। ইয়াৰ উপৰিও কাগজ কলৰ পৰা ওলাই অহা লেতেৰা পানীবোৰ কপিলীয়েদি নি ব্ৰহ্মপুত্ৰত পেলাইছে। প্ৰথম অৱস্থাত এই পানী খাই গৰু-মহ. হাঁহ-কুকুৰা আদি পশু-পখীবোৰ মৃত্যুৰ কবলত পৰিছিল। বৰ্তমান সেই পানীত এবিধ ৰাসায়নিক দ্ৰব্য মিহলাই অলপ পৰিমানে হলেও বিশুদ্ধ কৰিছে। কাগজ কলৰ এই পানী খুব জোৰত আহি নলাত পৰাত তাত ফেন উৎপত্তি হয়। এই ফেনবোৰ সময়ত খুব ডাঠ হয় আৰু ফেনৰ দ'মটো সময়ত ইমান ওখ হৈ পৰে যে তাক বতাহে আক্ৰমণ কৰিবলৈ সুবিধা পায়। ফলস্বৰূপে সেই ফেনবোৰ ক্ষুদ্ৰ-ক্ষুদ্ৰ কণিকাত পৰিণত হৈ গোটেই জাগীৰোড এলেকা ঢাকি ধৰে। ইয়াৰ ফলত একো বস্তুকে মুকলি কৰি ৰাখিব নোৱাৰা অৱস্থা হয়। অকনমান সময়তে সেই ফেনৰ কবলত পৰি সকলো বস্তুকে বগা কৰি দিয়ে। জাগীৰোড নগৰখন উৎকট দুৰ্গন্ধ আৰু লেতেৰা পানীৰ পৰা ওলোৱা ফেন বোৰৰ ওপৰিও কাগজ কলৰ পৰা ওলোৱা ধোৱাঁয়ো গোটেই আকাশ মেঘাচ্ছন্ন কৰি ৰাখে। ইয়াৰ বতাহ আৰু দুৰ্গন্ধময় পৰিবেশে মানুহক লাহে লাহে হলেও আক্ৰমন কৰি আছে।

এইদৰে বিভিন্ন ধৰণৰ উদ্যোগবোৰৰ পৰা হোৱা প্ৰদূষণে পাৰিপাৰ্শ্বিক ক্ষেত্ৰত সমস্যাৰ সৃষ্টি কৰিছে বুলি য়েই যে উদ্যোগ পতাটো বন্ধ কৰিব লাগে এনে নহয়। এখন দেশক সময়ৰ লগত খোজ মিলাবলৈ হলে নতুন নতুন উদ্যোগৰ নিতান্ত প্ৰয়োজন আৰু এইটো কথাও ঠিক যে উদ্যোগ হলে প্ৰদূষণ হবই। গতিকে উদ্যোগ বোৰৰ পৰা হোৱা প্ৰদূষণে যাতে মানুহৰ পাৰিপাৰ্শ্বিকতাৰ ক্ষেত্ৰত একো সমস্যাৰ সৃষ্টি কৰিব নোৱাৰে তাৰ সকলো ব্যৱস্থা হাতত লৈ উদ্যোগ প্ৰতিষ্ঠা কৰিব লাগে। তেনে কৰিলে খনিজ আৰু বনজ সম্পদত চহকী দেশ অসমে নিশ্চয় এদিন পৃথিৱীৰ সাতটা চুকৰ লগত নিজকে মিলাব পাৰিব। ★

---

★ প্ৰবন্ধটি গুৱাহাটী বিশ্ববিদ্যালয়ৰ ভূগোল-বিজ্ঞান বিভাগৰ দ্বাৰা ১৯৮৮ চনত আয়োজিত Project Environman শীৰ্ষক উত্তৰ-পূৰ্ব ভাৰত ভিত্তিক ৰচনা প্ৰতিযোগিতাত প্ৰথম স্থান লাভ কৰাৰ স্বীকৃতি পায়।


'দেশ মাটিতে তৈরী নয়, দেশ মানুষে তৈরী'

ৰবীন্দ্ৰনাথ ঠাকুৰ

# আলু ঃ আগত দিনবোৰ

ৰন্টুমণি শইকীয়া
স্নাতক, ২য় বাৰ্ষিক, ( বিজ্ঞান )

জীৱ-জগতক জীয়াই থাকিবৰ বাবে আহাৰৰ প্ৰয়োজন। এই আহাৰ সমূহ আমি উদ্ভিদৰ পৰাই পাওঁ। সাধাৰণতে আমাৰ প্ৰধান আহাৰ ভাত বা ৰুটি বুলি কওঁ, কিন্তু আমি যিমান বিলাক খাদ্য যেনে—চাউল, গোমধান, ঘেহু আদিৰ কথা কওঁ এই সকলো বিলাকতকৈ বিশ্বব্যাপি অৰ্থাৎ বিশ্ব মানৱে যি বিলাক পথ্য ব্যৱহাৰ কৰি আহিছে এই সকলোতকৈ আলুৰ দৰে এবিধেও জনপ্ৰিয়তা লাভ কৰিব




পৰা নাই। এই আলুত প্ৰচুৰ খাদ্যপ্ৰাণেৰে পৰিপূৰ্ণ হৈ আছে। আনহাতে বৰ্ত্তমান কেইখনমান দেশত এই আলুৱেই প্ৰধান খাদ্য হিচাপে পৰিগনিত হৈছে। ইমানেই খাদ্য প্ৰানযুক্ত যে এজন স্কান্দিনেভিয়া লোকে কেৱল আলু খাইয়েই ৩০০ দিন পৰ্য্যন্ত জীয়াই থাকিব পাৰে।

পৰীক্ষা কৰি জানিব পৰা গৈছে যে আলু চৰ্বীযুক্ত উপাদান নোহোৱাকৈ সীজাই খালে শৰীৰত কেতিয়াও মেদ জমা নকৰে। ই শতকৰা ৯৯.৯ ভাগেই চৰ্বীহীন। চয়াবিন প্ৰটিনতকৈয়ো ইয়াত যথেষ্ট পৰিমানে স্নেহজাতীয় পদাৰ্থ পোৱা যায়। এজন মানুহৰ দৈনিক আৱশ্যকীয় খাদ্য প্ৰাণ 'গ' (Vit 'C') এটা মাত্ৰ পুৰঠ আলুৱে যোগান ধৰিব পাৰে। সেয়ে সমুদ্ৰ পৰিক্ৰমত যোৱা নাৱিকসকলে যথেষ্ঠ পৰিমাণে আলু লৈ যায়। আলু 'ভদকা' আৰু 'একুৱাভিট' তৈয়াৰ কৰিবলৈকো ব্যৱহাৰ কৰা হয়। ইয়াৰ পৰা ৰং, ষ্টাৰ্চ, আঠা আদিও তৈয়াৰ কৰা হয়। আধুনিক বিজ্ঞানীসকলে ইয়াৰ পৰা প্ৰজ্জালক তেল তৈয়াৰ কৰিবলৈকো সমৰ্থ হৈছে।

অতৰ ভৱিষ্যতে বিজ্ঞানীসকলে আলুৰ পৰা নতুন ইন্ধন তৈয়াৰ কৰিবৰ বাবে গৱেষনা কৰি আছে। সম্ভবতঃ পেট্ৰল তথা বা পেট্ৰলজাতীয় সামগ্ৰীৰ নাটনিত আলুৱেই বিকল্প ইন্ধনৰ উৎস হব। আমেৰিকা যুক্তৰাষ্ট্ৰৰ বিখ্যাত উদ্যোগপতি মটৰ ব্যৱসায়ী হেনৰি ফ'ৰ্ডে গাড়ী ব্যৱসায়ৰ আৰম্ভনিতেই ভৱিষ্যত বাণী কৰিছিল। ইতিমধ্যে বিশ্বৰ বিভিন্ন ঠাইত চলোৱা গৱেষণাৰ পৰা প্ৰমানিত হৈছে যে ১ একৰ মাটিৰ পৰা উৎপাদিত আলুৱে বছৰি ১২০০ গেলন ইথাইল এলক'হল ($CH_3CH_2$-OH) যোগান দিব পাৰে।

আলু গছ যি কোনো জলবায়ুতে হোৱা দেখা যায়।

সমুদ্র পৃষ্ঠৰ অটল গভীৰতাৰ পৰা আৰম্ভ কৰি এন্দিজ তথা হিমালয়ৰ ৪২ কিঃ মিঃ লৈকে আলু গছ জীয়াই থাকে। কিন্তু গ্ৰীষ্মমণ্ডলৰ গহীন অৰণ্য আৰু পৰ্বত-পাহাৰে আগুৰি থকা ঠাইহে আলুৰ বাবে অনুপযোগী এই বিলাক ঠাইত গা-গছ লেবেলি যোৱা আৰু পাত গা-গছ কলা পৰা বেমাৰে দেখা দিয়ে। পৰীক্ষা কৰি জনা গৈছে যে ১ একৰ মাটিত ধান জাতীয় শস্যতকৈ আলুৱে প্ৰায় দুগুন শস্যৰ উৎপাদন কৰে। আলুত শত-কৰা ৮০ ভাগেই পানী থাকে আনহাতে ইয়াৰ শস্যকালো চমু ৮০ ৰ পৰা ১২০ দিন পুৰঠ হোৱা আলুবোৰ ৬০ দিনৰ ভিতৰতে চপাব পাৰি।

### ☐ উৎপত্তি ঃ

খ্ৰীষ্টাপূৰ্ব ৬০০০ বছৰ পূৰ্বে যাযাবৰ ৰেড্ইন্দিয়ান বিলাকে পেৰুৰ পৰা ৩৬ কি মিঃ উচ্চতাত থকা এন্দি-য়ান মালভূমি অঞ্চলৰ পৰা বনৰীয়া আলু প্ৰণালীবদ্ধ-ভাবে খেতি আৰম্ভ কৰিছিল আৰু তাৰ পাছত ক্ৰমা-ন্বয়ে আলু আজি মহামূল্যবান কৃষিদ্ৰব্য।

### ☐ প্ৰজাতি ঃ

সমগ্ৰ বিশ্বত মুঠ ৮ টা প্ৰজাতিৰ আলু খেতি কৰা হয়। বৰ্ত্তমান পেৰুত এই ৮ টা প্ৰজাতিয়ে ৩০০০-৫০০০ বিধ সচ খেতিয়ক সকলৰ পথাৰত দেখা যায়। প্ৰতিবিধ সচৰে বেলেগ বেলেগ নাম আছে। আলু 'চলানাম' (Solanam) বৰ্গৰ অন্তৰ্গত। আৰু এই বৰ্গৰ মুঠ ২০০০ টা প্ৰজাতি আছে। এই আলুবোৰ আকৃতি আৰু বৰণো বেলেগ বেলেগ দেখা যায়। কোনোটো ৰামধেনুৰ দৰে, কিছুমানৰ আকৃতি আপেলৰ দৰে, কিছুমান আনাবসৰ দৰে, আৰু বৰণ কিছুমানৰ কলা, মুগা, গুলপীয়া ইত্যাদিৰ দেখা যায়, কিন্তু বৰ্ত্তমান বিশ্বত সৰ্বাধিক খেতিকৰা প্ৰজাতি-টোৰ নাম হল "চলানাম টিউবাৰচাম" (Solanum tuberosum)

আলুৰ বিভিন্ন ৰোগৰ ভিতৰত "লেট ব্লাইট ৰোগ" Late blight disease) য়েই আটাইতকৈ মাৰাত্মক "ফাইট'পথৰা ইনফেনষ্টান্স" (Phytopthora infenstans) নামৰ এবিধ ভেকুৰে এই ৰোগৰ সৃষ্টি কৰে।

### ☐ আলুৰ আধুনিক তথ্য ঃ

আইৰিচ বিলাকৰ আলু হ'ল প্ৰধান খাদ্য। গতিকে বৰ্ত্তমান আলুত এই ব্লাইট ৰোগ হোৱাটো উন্নত দেশ বিলাকৰ কাৰণে বৰ লজ্জাজনক কথা। গতিকে বিভিন্ন পৰীক্ষামূলক তথ্যপাতি ৰেডিঅ' আৰু টেলিভিছনৰ সহায়েৰে কৃষক সকললৈ পৰামৰ্শ আগবঢ়োৱা হয়। সেই কাৰণে আলু-ৱেই হল তেওঁলোকৰ আটাইতকৈ গুৰুত্বপূৰ্ণ বিষয়।

নেডাৰলেণ্ডত ডাটচ্সকলে আলু ৰপ্তানীৰ জৰিয়তে তেওঁলোকৰ প্ৰিয় ফুল 'টিউলিপ' সংগ্ৰহ কৰাতকৈ বেছি ধন উপাৰ্জ্জন কৰে।

ফ্ৰান্সত আলু বৰ প্ৰিয় খাদ্য। তেওঁলোকৰ প্ৰতিবিধৰ আহাৰত আলুৰ অৱস্থান অপৰিহাৰ্য্য যিহেতু ই সোৱাদ বঢ়োৱাৰ ওপৰিও আহাৰৰ কমণীয়তা বৃদ্ধি কৰে। অথচ ফৰাচীসকলে ইয়াক প্ৰথমে অস্পৃশ্য ৰূপে গণ্য কৰিছিল।

ইউৰোপত আলু প্ৰথমে ব্যৱহৃত কৰা হয়। ১৮৫০ খ্ৰীষ্টাব্দত নিউয়ৰ্কৰ হোটেল এখনৰ 'ৰেড ইণ্ডিয়ান' ৰান্ধনী এজনে "পটেট' চিপ্চ" সৰ্ব্বপ্ৰথমে তৈয়াৰ কৰে। তেলত ভজা ডাঙৰ আলুবোৰ ডাঙৰ টুকুৰাৰ আলুবোৰ নাইসিজা বুলি অভিযোগ কৰাত ৰান্ধনী জনৰ খং উঠাত পাতল কৈ চকলিয়াই তেলত মৰমৰিয়াকৈ ভাজি দিয়ে। আৰু ইয়েই বৰ্ত্তমান জনপ্ৰিয় "পটেট' চিপচ"ৰ আৰম্ভণী।

পশ্চিম জাৰ্ম্মানীতেই আলুৰ আটাইতকৈ মূল্যবান ঘটনাটো ঘটে। ইয়াৰ মাকন প্লেঙ্ক জীৱবিজ্ঞান কেন্দ্ৰত বংশতত্ব প্ৰযুক্তিবিদ সকলে প্ৰখ্যাত বিজ্ঞানী ডঃ জৰ্জ মেলৰ্চাচৰ তত্বাৱধানত কোষ পৰস সংযোজন (Protoplast fusion)ৰ জৰিয়তে আলু (potato) আৰু বিলাহী (tomato)ৰ সংকচণ ঘটাই দুবিধ নতুন উদ্ভিদ পমেট' (Pomato) আৰু টপেট' (topato) সৃষ্টি কৰাত সমৰ্থ হয়। ডঃ মেলৰ্চাচ মতে আলু নিঃসন্দেহে ইতিহাসৰ এক স্তৰত উপনীত হৈছেহি আৰু ই 'জিন অভিযান্ত্ৰিক বিজ্ঞান' (Genetic Engineering) সকলে প্ৰয়োগ কৰিব পৰা অন্যতম্ গুৰুত্বপূৰ্ণ উদ্ভিদ।

### ☐ উপযোগী সঁচ ঃ—

বৰ্ত্তমান আলুৰ আন্তৰাষ্ট্ৰীয় গবেষণা কেন্দ্ৰই বিশ্বজুৰি

আহৰণ কৰা সচবিলাক পেৰুৰ 'হোবান বাই' উপকেন্দ্ৰত সংৰক্ষণ কৰি ৰাখিছে। এই কোষাগাৰত প্ৰায় ১৩,০০০ বিধ ভিন ভিন সচৰ আলু আছে।

এই সংৰক্ষনৰ বাহিৰেও আলু প্ৰকৃত গুটিৰ পৰা আলু খেতি কৰিব পৰাকৈ গবেষনা চলাই আছে। দঃ আমেৰিকাৰ বাহিৰে বিশ্বৰ বিভিন্ন ঠাইত আলুৰ বংশ গতিৰ বিভিন্নতা দেখা যায়। বিশেষকৈ "চলানাম এণ্ডিজেনা", "চলানাম ফুৰেজা", আৰু "চলানম ষ্টেনটনাম" এই তিনিটা প্ৰজাতত বংশতত্বৰ ভিন্নতা অধিক। এই প্ৰজাত কেইটা সচ প্ৰায়ে "লেট ব্লাইট" (late blight), আৰ্লি ব্লাইট (Early blight) "ৰাট", "ভাইৰাচ এক্স" আৰু "ৰাই" আদি বিভিন্ন প্ৰায় ২৬৫ টা বেমাৰে আক্ৰমন কৰে।

## ● সচ নিৰোগী হোৱাৰ উপায়ঃ

জৈৱ আৰু অজৈৱ কীটনাশক ঔষধ প্ৰয়োগ কৰি এই ৰুগীয়া আলুবোৰৰ ৰোগ নিৰ্মুল কৰিব পাৰি। আটাইতকৈ প্ৰধান উপায় হল ৰোগবিহীন আলুৰ সচ ৰীজতলিত ৰোপন কৰা।

আলু গছবোৰ ৫-৬ ছে, মি উখ হলে তাত ভেকুঁৰনাশী দ্ৰব্য যেনে— বৰড মিশ্ৰণদ্ৰব্য (Bordeaux Mixture) প্ৰতি ১০/১৫ দিনৰ মূৰে মূৰে ছটিয়াব লাগে।

তাৰ বাহিৰেও "ব্লাইটেক্স—৫০", (Bletex-50) "ফাইট লেন" (Fytolan), "ডাইথেন" (Dithane) আদি চিকিৎসকৰ পৰামৰ্শতে উপযুক্ত সময়ত চটিয়াব লাগে।

বীজবোৰ ৯০ মিনিট মান সময় ১ঃ১০০ অনুপাত "মাৰকিউৰিক ক্লৰাইডত" সঞ্চয়ৰ আগে আগে তিয়াই ৰাখিব লাগে।

বীজবোৰ ৪°-৫° উত্তাপত শুকান ঠাইত ৰাখিব লাগে।

বীজবোৰ মাটিৰ তলত দকৈ পুতি ৰাখিব লাগে। তেতিয়া বেমাৰে সহজে আক্ৰমণ কৰিব নোৱাৰে। বেমাৰে আক্ৰমন কৰাৰ লগে লগে ওচৰৰ বিশেষজ্ঞক তৎক্ষনাত জনাই পৰামৰ্শ লব পাৰে।

এতিয়া দেখা যায় এই মহামূল্যবান বিচিত্ৰ পাচলি আলুৰ সমকক্ষ্য পাচলি খুব কমেই আছে। গতিকে ইয়াৰ উৎপাদনৰ প্ৰধান বাধা হৈছে মাৰাত্মক 'ব্লাইট' ৰোগ। গতিকে এই 'ব্লাইট'ক নিয়ন্ত্ৰন কৰিব পাৰিলেই খাদ্যৰ সকলো সমস্যাৰ দুৰ হব। আয়াৰলেণ্ডত যদি ইয়াক ৰোধ কৰিব পাৰিছে গতিকে ভাৰত তথা অসমত নোৱাৰাৰ কাৰণ থাকিব নোৱাৰে। কিজানিবা আলুয়েই এসময়ত অমাৰ প্ৰধান খাদ্য হয়, নে কি কয় ??

---

বিঃ দ্ৰঃ— ছাঁ লৈ লিখা হৈছে।

## বিচিত্ৰ বাৰ্ত্তা

### ● কম্পিউটাৰ—

বৰ্তমান যুগটো হৈছে কম্পিউটাৰৰ যুগ। কম্পিউটাৰে মানুহক অসীম ক্ষমতা প্ৰদান কৰাৰ উপৰিও সময়ে সময়ে নিজ শক্তিৰো পৰিচয় দিছে। ১৯৮৩ চনত বাৰ লাইনৰ "হাইটেক" কামৰ কম্পিউটাৰটোৱে প্ৰথমবাৰৰ বাবে ছেচ (CESS) খেলত জিকি 'ছিনিয়ৰ মাষ্টাৰ' খিতাপ লাভ কৰে।

# ভূপেন হাজৰিকাৰ সামাজিক দায়বদ্ধতা এটি মূল্যায়ন

অতুল কাঠাৰ
স্নাতক, তৃতীয় বৰ্ষ, (কলা)



ভূপেন হাজৰিকা অসমৰ সাংস্কৃতিক জগতৰ এটি অতি পৰিচিত নাম। যোৱা কেইদশকমানৰ পৰা জনপ্ৰিয়তাৰ উচ্চ শিখৰত আৰোহণ কৰি অহা ডং ভূপেন হাজৰিকাৰ এই সুদীৰ্ঘ পৰিক্ৰমনৰ সঠিক মূল্যায়ন এতিয়াও হোৱা নাই। আমাৰ সাংস্কৃতিক আন্দোলনৰ দৃঢ়তাৰ বাবে এনে মূল্যায়ন কেৱল প্ৰয়োজনেই নহয় অতি গুৰুত্বপূৰ্ণও। দুই এজনে শিল্পী গৰাকীৰ জীবন আৰু সৃষ্টিৰ ওপৰত বস্তুনিষ্ঠ আলোচনা কৰিবলৈ চেষ্টা কৰিছে যদিও এই সংখ্যা অতি কম।

ভূপেন হাজৰিকাৰ অসাধাৰণ সংগীত প্ৰতিভাৰ বিষয়ে নিশ্চয় কাৰোৰেই দ্বিমত নাই। তেওঁৰ দৰে অপূৰ্ব পৰিবেশন ক্ষমতা থকা গায়ক অসমৰ সংগীত জগতত বিৰল। ডং হাজৰিকা কেৱল গায়ক নহয়, তেখেত একেধাৰে গীতিকাৰ, সুৰকাৰ, কবি আৰু চিত্ৰপৰিচালক। জ্যোতি প্ৰসাদ, বিষ্ণুৰাভাৰ দৰে বিৰাট প্ৰতিভা আৰু সমাজ সচেতন দায়বদ্ধ শিল্পী-ব্যক্তিত্বৰ সান্নিধ্যত সুদৃঢ় হৈছিল ডং হাজৰিকাৰ জীৱনৰ ভেটি। প্ৰশ্ন হয় জ্যোতিপ্ৰসাদ, বিষ্ণুৰাভাৰ শিল্পচেতনা, জীৱন দৰ্শনৰ কিমানখিনি ডং হাজৰিকাই গ্ৰহণ কৰিব পাৰিছে? মোৰ গানৰ হেজাৰ শ্ৰোতা তোমাক নমস্কাৰ' বুলি গোৱা ডং হাজৰিকাই বান্দৰ বিড়িৰ বিজ্ঞাপনৰ বাবেও গান গাইছে। চিন্তাৰ এনে স্খলনৰ কাৰণ কি? ডং হাজৰিকাৰ গীতসমূহৰ বক্তব্য বিশ্লেষণ কৰিলে সামাজিক দায়বদ্ধতাৰ এক স্পষ্ট লক্ষ্য থকাৰ ইঙ্গিত পোৱা নাযায়। পৰিবৰ্তে স্ব-বিৰোধী, আৰু সংকীৰ্ণ আদৰ্শৰ দ্বাৰা বাৰে বাৰে বিক্ষিপ্ত হোৱা-টোৱে দেখা যায়। এনে স্ব-বিৰোধীতাৰ কাৰণ কি? ই হঠাতে হোৱা ঘটনা নে?

ভূপেন হাজৰিকা সচেতন গায়ক-গীতিকাৰ হিচাবে জনপ্ৰিয় হয়—পঞ্চাশৰ দশকত। ভাৰতীয় গণনাট্য সংঘৰ মাজেদি ভূপেন হাজৰিকাই অসমৰ বাহিৰত বিশেষকৈ কলিকতাত অনুষ্ঠান কৰিবলৈ সুযোগ পায় আৰু তেনে সুযোগৰ ফলতেই শিল্প সংস্কৃতিৰ জগতত লাহে লাহে নিজৰ আসন লাভ কৰিবলৈ সক্ষম হয়।

ভাৰতীয় গণনাট্য সংঘৰ জন্ম হৈছিল ১৯৪৩ চনত। বৃটিছ সাম্ৰাজ্যবাদৰ বিৰুদ্ধে দেশৰ স্বাধীনতা সংগ্ৰাম আৰু কৃষক-শ্ৰমিকৰ ব্যাপক আন্দোলনৰ পৰা সৃষ্টি হোৱা নতুন সাংস্কৃতিক চেতনাৰ পৰিবেশ সৃষ্টি হয়। এই চেতনা আছিল সাম্ৰাজ্যবাদ বিৰোধী চেতনা, জমিদাৰ-পুঁজিপতিৰ শোষণ বিৰোধী চেতনা। দেশৰ শিল্পী সাহিত্যিকে বৃটিছ সাম্ৰাজ্যবাদৰ বিৰুদ্ধে প্ৰেৰণাময়ী গল্প-কবিতা, প্ৰবন্ধ, গীত ৰচনা কৰিছিল। জ্যোতিপ্ৰসাদ আগৰৱালা আছিল এনে স্বদেশী শিল্পী-সাহিত্যিকৰ দলৰ অন্যতম। জ্যোতি প্ৰসাদৰ 'বিশ্ব বিজয়ী ন-জোৱান,' 'জাগা-জননীৰ সন্তান' আদি স্বদেশী নতুন সংগীতৰেই উজ্জ্বলতম সৃষ্টি। এচাম শিল্পীয়ে স্বদেশী চেতনাৰ লগতে শোষিত নিপীড়িত শ্ৰমিক কৃষকৰ দুখ দুৰ্দ্দশা আৰু মুক্তিৰ বাবেও গীত-নাট ৰচিবলৈ লয়। কৃষক-শ্ৰমিকৰ আন্দোলনৰ পৰিপূৰক হিচাবে এই গীত আৰু নাটসমূহে বিশেষ ভূমিকা পালন কৰে। এই নতুন শিল্প-চেতনাৰেই গঢ়ি উঠিছিল ভাৰতীয় গণনাট্য সংঘ। অসমতো গণনাট্য সংঘৰ প্ৰভাৱ পৰিবলৈ ধৰে।

১৯৪৬ চনত সংঘৰ প্ৰাদেশিক সন্মিলনত জ্যোতিপ্ৰসাদক সভাপতি আৰু হেমাঙ্গ বিশ্বাসক সম্পাদক নিৰ্ব্বাচন কৰা হয়। ভূপেন হাজৰিকা ভাৰতীয় গণনাট্য সংঘৰ লগত জড়িত হয়—১৯৫৫-৫৬ চনত। গণনাট্য সংঘৰ লগত জড়িত হোৱাৰ ফলত দেশ-বিদেশৰ শ্ৰমজীৱী ৰাইজৰ সংগীত আৰু সংস্কৃতিৰ সংস্পৰ্শলৈ আহে। ১৯৪৯ চনত উচ্চ শিক্ষাৰ বাবে হাজৰিকা আমেৰিকালৈ যায়। তেতিয়াই দেশ-বিদেশৰ বিভিন্ন প্ৰগতিশীল শিল্পী লেখকসকলৰ সান্নিধ্যলৈ অহাৰ সুযোগ পায়।

'৬০ ৰ দশকৰ আৰম্ভণীলৈকে ডঃ হাজৰিকাৰ শিল্পী জীৱনক 'গণনাট্যৰ যুগ' বুলিব পাৰি। 'সাগৰ সংগমত কতনা সাতুৰিলেঁা, তথাপিতো হোৱা নাই ক্লান্ত,' জিলিকাৰ লুইতৰে পাৰ, হাৰাধন-ৰংমনৰ কথা, আদি গণনাট্যৰেই সৃষ্টি। 'এৰাবাট'ৰ সুৰ' 'মাহুত বন্ধুৰে' চলচ্চিত্ৰ দুখনো গণনাট্য যুগৰেই সৃষ্টি। এই দুখন ছবিতো মেহনতী মানুহৰ জীৱনৰ সুখ-দুখখিনিৰ আন্তৰিক প্ৰকাশখিনিও এই সময়ৰেই দান।

১৯৪৯ চনত উচ্চ-শিক্ষাৰ বাবে যাওঁতে 'মুক্তিৰ দেউল' ৰচনাৰ বাবে মাৰ্কিন যুক্তৰাষ্ট্ৰৰ প্ৰশাসনীয় কৰ্মকৰ্তাসকলে শিল্পীগৰাকীক বহুতো প্ৰশ্ন কৰিছিল। তেওঁৰ বিৰুদ্ধে অভিযোগ আছিল—'মুক্তি দেউল' গীতিনাট্যৰ কেইটামান গীত কমিউনিষ্ট বিষ্ণুৰাভাৰ স'তে ভূপেন হাজৰিকাই লিখাটো। মুঠতে ভূপেন হাজৰিকা তেতিয়া গায়ক হিচাবে ইমান জনপ্ৰিয় নহলেও সমাজ সচেতন আৰু কমিউনিষ্ট মনোভাবাপন্ন শিল্পী হিচাবে পৰিচিত আছিল। সেয়ে অসমৰ উচ্চ-মধ্যবিত্ত আৰু ধনীক শ্ৰেণীটোৱে হাজৰিকাক ভাল পোৱা নাছিল। গুৱাহাটী বিশ্ববিদ্যালয়ৰ 'ৰঙা শিক্ষাবীদ' বুলি হাজৰিকাক বিহু সন্মিলনীতো গান গাবলৈ দিয়া হোৱা নাছিল। বিশ্ব-শান্তি সন্মিলনলৈ যাওঁতে গুৱাহাটী বিশ্ববিদ্যালয়ৰ অধ্যাপকৰ পদৰ পৰা ইস্তফা লৈহে যাব লগা হৈছিল।

আজি ভূপেন হাজৰিকাৰ জনপ্ৰিয়তাৰ তুলনা নাই। অসমীয়া মধ্যবিত্ত আৰু ধনীক শ্ৰেণীটোৰ বাবে ভূপেন হাজৰিকাৰ গীত আজি আৰু চিন্তা বা ভয়ৰ কাৰণ নহয়, ভূপেন হাজৰিকাৰ প্ৰশংসাত আজি অসমীয়া মধ্যবিত্ত আৰু ধনীকশ্ৰেণী পঞ্চমুখ। প্ৰশ্ন হয়—এনে পৰিবৰ্ত্তনৰ কাৰণ কি? ডঃ হাজৰিকা কিমানদূৰ মেহনতী জনগণৰ শিল্পী?

হাজৰিকাৰ জীৱন-পৰিক্ৰমা লক্ষ্য কৰিলে দেখা যাব যে ষাঠীৰ দশকৰ পিছৰে পৰা ডঃ হাজৰিকাই শোষিত শ্ৰমজীৱি মানুহৰ পৰিবৰ্ত্তে মধ্যবিত্ত শ্ৰেণীটোৰ স্বাৰ্থৰ বাবে কাম কৰিবলৈ আৰম্ভ কৰে।

পঞ্চাশৰ দশকৰ ভূপেন হাজৰিকাৰ গীতৰ যুক্তিবাদী মানৱতাবোধ, আন্তৰ্জাতিকতাবোধ ষাঠিৰ দশকৰ পৰা ক্ৰমে ক্ৰমে কমি আহিবলৈ ধৰে। যাঠিৰ দশকৰ পৰা চলচ্চিত্ৰই বোলক গীতেই বোলক—কোনো ক্ষেত্ৰতেই আগৰ আবেদন পাবলৈ নাই। আঞ্চলিকতাবাদৰ ঠেক মানসিকতাৰ লগতে অৰক্ষয়ী চিন্তা-ভাবনাই ডঃ হাজৰিকাৰ ব্যক্তিত্ব গ্ৰাস কৰিবলৈ আৰম্ভ কৰে। উদাহৰণ স্বৰূপে চলচ্চিত্ৰৰ কথাকেই ধৰা যাওক-– এই সময়ছোৱাত তেখেতে কেবাখনো চিনেমা প্ৰযোজনা, পৰিচালনা আৰু নিৰ্মানত সহায় কৰিলে। কোনো এখন ছবিয়েই 'এৰাবাটৰ সুৰ', বা 'মাহুত বন্ধুৰে' বা 'লটিঘাটিৰ দৰে জীৱনধৰ্মী নহয়। শিল্পৰ বিকাশৰ নামত 'তকদিৰ' নামৰ এখন হিন্দী চিনেমাৰ অসমীয়া ভাষান্তৰ কৰিলে। সেই ছবিখনৰ মাজেদি কঠোৰ বাস্তৱতাৰ পৰিবৰ্ত্তে 'ভাগ্য'ৰ জয়গান গালে। সেইছবিখন চৰকাৰৰ লগত যোগাযোগ কৰি আমোদকৰ ৰেহাই কৰাই বহু টকা অসমৰ পৰা আত্মসাৎ কৰাত সহযোগিতা আগবঢ়ালে। 'একপল' নামৰ এখন হিন্দী চলচ্চিত্ৰতো সংগীত পৰিচালনা কৰিছিল ডঃ হাজৰিকাই। অসমীয়া সমাজৰ কাহিনীৰ ওপৰত আধাৰিত এই চিনেমাখনতো অসমীয়া সমাজৰ নামত অসমীয়া ধনীক শ্ৰেণীৰ (চাহ বাগিছাৰ মালিক!) বিজতৰীয়া সমাজ এখনৰ ছবি দাঙি ধৰাত সহায় কৰিলে। টি, ভি, চিৰিয়েল 'লোহিত-কিনাৰে' সম্পৰ্কে ইতিমধ্যে কাকতে-পত্ৰে বহু বিতৰ্ক উঠিছেই। ইয়াৰ আগতে 'ইয়ে গুলিস্তা হামাৰা' হিন্দী ছবিখনৰ মাজেদিও ডঃ হাজৰিকাই নগা জনজাতীয় ভাইসকলৰ সমাজ আৰু সংস্কৃতিৰ বিকৃত ৰূপ দাঙি

ধৰিছিল। এই ছবিখনৰ বিৰুদ্ধে নগা যুৱকসকলৰ প্ৰচণ্ড বিক্ষোভৰ ফলত নগালেণ্ডৰ চৰকাৰে ছবিখনৰ প্ৰদৰ্শন বন্ধ কৰিবলৈ বাধ্য হৈছিল। 'চিৰাজ' সম্পৰ্কেও একে অভিযোগ উঠিছে।

গীতৰ ক্ষেত্ৰতো লক্ষ্য কৰা গৈছে—'অহোৰাত্ৰি চিএঃৰে', 'ভাং ভাং', অগ্নিযুগৰ ফিৰিঙতি মই', বিস্তীৰ্ণ পাৰৰে', 'শীতৰে সেমেকা ৰাতিৰ' দৰে বলিষ্ঠ, গভীৰ জীৱনবোধ থকা গীতৰ পৰিবৰ্তে দিনে দিনে তেওঁৰ গীতবোৰৰ কথা আৰু বক্তব্য লেহুকা, তুলুঙা প্ৰেম সৰ্ব্বস্য আৰু মধ্য বিত্তীয় সংকীৰ্ণতাৰেই ভাবাক্ৰান্ত হৈ পৰিছে। উদাহৰণ স্বৰূপে 'তুমি বিয়াৰ নিশাৰ শয়ন পাটিত', তুমি জোন নে সোণ নে', আদি উল্লেখ কৰিব পাৰি।

এতিয়া প্ৰশ্ন হ'ল—ভূপেন হাজৰিকাৰ চিন্তা-চেতনাৰ এনে পৰিবৰ্ত্তনৰ কাৰণ কি? এক কথাত উত্তৰ দিয়া টান কিয়নো এই সম্পৰ্কে বিস্তৃত আলোচনাৰ প্ৰয়োজন আছে তথাপিও কেইটমান কথা কব পাৰি।

(ক) ভূপেন হাজৰিকাৰ জীৱনদৰ্শনৰ স্পষ্ট কোনো লক্ষ্য নাই। 'মোৰ গীতৰ হেজাৰ শ্ৰোতা' বুলি লিখিলেও ডঃ হাজৰিকাৰ গীতবোৰ সুক্ষ্মভাৱে বিশ্লেষণ কৰিলে দেখা যাব যে একধৰণৰ স্ব-বিৰোধী ৰোমাণ্টিচিজমৰ দ্বাৰা তেওঁ সদায়েই প্ৰভাবিত হৈ আহিছে। সেয়ে তেওঁৰ গীতত একেসময়তে কঠোৰ বাস্তৱতাৰ ছবিও পোৱাও যায়—আকৌ দুৰ্বল, থুনুকা প্ৰেমৰ গীতও পোৱা যায়।

(খ) গণনাট্য যুগৰ মূল আদৰ্শৰ পৰা আতৰি অহাৰ লগে লগে ডঃ হাজৰিকাই জনপ্ৰিয়তা'ৰ নামত মধ্যবিত্ত শ্ৰেণীটোকেই তেওঁৰ 'গানৰ হেজাৰ শ্ৰোতা' বুলি ধৰি লৈছে। ফলত মধ্যবিত্ত শ্ৰেণীটোক সন্তুষ্ট কৰিবলৈ জীৱন যাত্ৰা আৰু পদ্ধতি ( Life Style ) দিনে দিনে ব্যৱসায়িক হৈ পৰিছে। সেয়ে 'তকদিৰ', 'একপল, 'লোহিত কিনাৰে' বা 'ইয়ে গুলিস্তা হামাৰা' আদি চিনেমতে আদৰ্শতকৈ ব্যৱসায়িক স্বাৰ্থটোহে মুখ্য হৈ পৰিছিল।

শেষত কওঁ—ডঃ হাজৰিকাই উপ-সাগৰীয় সোঁতত উটি গলেও—মহাসাগৰৰ অশান্ত উৰ্মিমালাত সাতোৰাৰ প্ৰচেষ্টাও আমি দেখিছোঁ। আমাৰ সমাজৰ বৰ্তমানৰ সমস্যা জৰ্জ'ৰ সংকটময় পৰিস্থিতিত, ডঃ হাজৰিকাই এক প্ৰচণ্ড শক্তি হৈ পুনৰ সাধাৰণ দুখীয়া ৰাইজৰ হকে সক্ৰিয় হৈ উঠিবনে? ★


---

★ বিভিন্ন প্ৰবন্ধ আৰু গ্ৰন্থৰ সহায়ত লিখা হৈছে।

Oh, East is East and West is West and never the twin shall meet Till Earth and Sky stand presently at God's great judgement seat.

**Kipling**

# অসমৰ সমস্যা আৰু বিষ্ণুৰাভাৰ দৃষ্টিভঙ্গী



ৰমেশ স্বৰ্গীয়াৰী

---

'বুঢ়া লুইত! আই অসম অসমী জনম কালৰে পৰা তই বৈ আছ আৰু বৈ থাকিবও। আজি কৈ যা, সমিধান দি যা, অসমীৰ মৌ-সনা সোঁৱৰণী! নিমাতি অতীত স্মৃতিৰ গোপন কুঞ্জৰ এচুকত সোণৰ সজাত বন্দিনী সোঁৱৰণী পাখি আমাৰ মাজলৈ এৰি দি যা।'

এনেকৈয়ে মিঠা, হৃদয়স্পৰ্শী, তাৎপৰ্যপূৰ্ণ লিখনিৰে বিষ্ণুৰাভাই বুঢ়া লুইতক অসমৰ সমাজ আৰু বুৰঞ্জীৰ সাক্ষী হিচাবে তুলনা কৰি আহ্বান জনাইছিল। বিষ্ণুৰাভাৰ জীৱন আছিল ঝঞ্জাবিজয়ী সংগ্ৰামী বিপ্লবীৰ জীৱন। অসমৰ গাৱেঁ-ভূঞেঁ, চহৰে নগৰে, পাহাৰে-ভৈয়ামে সকলোতে পৰিচিত এই গৰাকী বিপ্লবীয়ে শোষিত-নিপীড়িত শ্ৰমজীৱী ৰাইজৰ শোষণ বঞ্চনাৰ মুক্তিৰ বাবে সংগ্ৰাম কৰিছিল। এই সংগ্ৰাম ধ্বংস কৰিবলৈ শোষক গোষ্ঠীয়ে নমাই আনিছিল নিৰ্মম অত্যাচাৰ। কিন্তু বিষ্ণুৰাভাৰ দৰে অনেক বিপ্লবীয়ে এই অত্যাচাৰৰ ওচৰত সেও নামানি গাৱেঁ-ভূঞেঁ পলাই ফুৰিছিল, অজ্ঞাতবাসত থাকি শোষিত ৰাইজক সংগঠিত কৰাৰ বাবে উদ্যোগ লৈছিল। এনে সংগ্ৰাম আৰু অজ্ঞাতবাসৰ ফলতেই বিষ্ণুৰাভাই অসমৰ সমাজজীৱনৰ বিভিন্ন দিশ অৰ্থাৎ বিভিন্ন জনগোষ্ঠীৰ সমাজসংস্কৃতি সম্পৰ্কে বাস্তৱ অভিজ্ঞতা লাভ কৰিবলৈ সক্ষম হয়। কমিউনিষ্ট বিষ্ণুৰাভাই মাৰ্কচবাদৰ আদৰ্শৰে এই অভিজ্ঞতা সমূহ বিশ্লেষণ কৰিবলৈ চেষ্টা কৰে। এনে বিশ্লেষণৰ ফলত বিষ্ণুৰাভাই অসমীয়া সংস্কৃতি, অসমৰ জাতি সমস্যা সম্পৰ্কে বিভিন্ন সভা-সমিতিৰ অভিভাষণৰ মাজেদি তেখেতৰ মতামত দাঙি ধৰিছিল। উক্ত

মতামতসমূহ আছিল বিজ্ঞানসন্মত আৰু বস্তুনিষ্ঠ। সেয়ে বৰ্তমানৰ সমস্যাসমূহ সমাধানৰ কাৰণে আজিও উক্ত বিশ্লেষণৰ প্ৰাসঙ্গিতা শেষ হৈ যোৱা নাই।

এটা সময় আছিল যেতিয়া বিষ্ণুৰাভা কমিউনিষ্ট বুলি তেওঁক 'সামাজিক বয়কট' কৰা হৈছিল, ঘিণ কৰা হৈছিল। আজি অসমৰ চুকে-কোনে বিষ্ণুৰাভাৰ মৃত্যু-বাৰ্ষিকী উৎসব পতাৰ সংখ্যা দিনে দিনে বৃদ্ধি পাইছে। কিন্তু প্ৰশ্ন হৈছে বিষ্ণুৰাভাৰ প্ৰাসঙ্গিকতাক আমি কেনেভাবে বুজিছোঁ? নে বিষ্ণুৰাভাৰ মৃত্যু-বাৰ্ষিকী পালন কৰাৰ নামত আমি তেওঁক দেবতাৰ আসনত বহুৱাই ব্যক্তি পূজা কৰিছোঁ? এই প্ৰবন্ধত বিষ্ণুৰাভাৰ কেইটামান প্ৰাসঙ্গিক বক্তব্যৰ চমু আলোচনা আগবঢ়াবলৈ প্ৰয়াস কৰা হৈছে।

আজি অসমৰ জাতি-সমস্যা অধিক জটিল হৈ উঠিছে। বিভিন্ন জনগোষ্ঠীয়ে নিজ নিজ স্ব-নিয়ন্ত্ৰণৰ দাবীত আন্দোলন গঢ়ি তুলিছে। তাহানিতে অসমত বাস কৰা সকলো জন গোষ্ঠীকে অসমীয়া বুলি কোৱা হৈছিল। আজি অসমত 'অসমীয়া জাতি' নামৰ সূত্ৰটো ভিন ভিন হৈ পৰিছে। তাহানিৰ বড়ো, মিছিং, লালুং আদি অসমীয়া বোলা উদাৰ সংজ্ঞা আজি অসমৰ ব্যৱহাৰিক সংজ্ঞা হৈ থকা নাই। বহুতে 'অসমীয়া জাতিৰ' উদাৰ সংজ্ঞাক মানি নলয়। অথচ বিষ্ণুৰাভাই বৃহত্তৰ অসমীয়া জাতি গঠনৰ সপোন দেখিছিল। সমন্বয় সাধনৰ সুত্ৰ আৰু সচেতনতা সম্পৰ্কে কবলৈ গৈ বিষ্ণুৰাভাই কৈছিল—

"এটা জাতিৰ আন এটা জাতিৰ লগত সমন্বয় হবলৈ হ'ল পৰস্পৰৰ ভিতৰত উভয় বিষয়ে সম্পূৰ্ণ জ্ঞান থকা উচিত। ......গভীৰ জ্ঞান, গভীৰ অধ্যয়ন নাথাকিলে ভুল-ত্ৰুটি থাকি যোৱাত প্ৰগতিৰ বাটত পৰস্পৰৰ ভিতৰত কাজিয়া হোৱাৰ ফলত হেঙাৰ পৰাৰ সম্ভাবনা থাকে।" জাতি বুলি কওঁতে বিষ্ণুৰাভাই ঠেক গণ্ডীত বিশ্লেষণ কৰা নাছিল। তেওঁৰ বিশ্লেষণ আছিল বৃহত্তৰ আৰ্থ সামাজিক ৰাজনৈতিক পটভূমিত। তেওঁ কৈছিল— "এই কুড়ি শতিকাত সাম্ৰাজ্যবাদীৰ যি ধুমুহা বলিছে, ধনতান্ত্ৰিকতাৰ বিজয় বৈজয়ন্তী ধ্বজা উৰিছে, সেই ধনতান্ত্ৰিকতাৰ আৰু সাম্ৰাজ্য-বাদৰ হেঁচাত অসমীয়া গাৱলীয়া দুখীয়া, হজুৱা, হালুৱা, বণুৱা বাঁচি থাকিবনে? যদি অসমীয়াৰ এই দুখীয়া শ্ৰেণী মৰে, তেন্তে অসমীয়া জাতিও মৰিব, লগে লগে লয় পাব অসমীয়া কৃষ্টি, অসমীয়া সংস্কৃতি, অসমীয়া সভ্যতা। এই কৃষ্টি, এই সংস্কৃতি, এই সভ্যতা বচাবলৈ লাগিব। এই নিস্পেষিত, নিৰ্য্যাতিত, নিপীড়িত দুখীয়া অসমীয়াক বচাব হলে, বচাব লাগিব বিপ্লবৰ মাজেদি সেই ধনীসকলৰ বিপক্ষে যুজি, যি ধনীৰ কোনো জাতি নাই, সমাজ নাই, ধৰ্ম্ম নাই, যিটো জাতি বৃটিছ সাম্ৰাজ্যবাদৰ বৰ খুটা, যতে যিহঁতৰ লাভ ততেই সিহঁত। (অসময়া কৃষ্টি)

বিষ্ণুৰাভাৰ এই বিশ্লেষণ আমাৰ সমাজৰ জীৱনৰ ভেটিত পৰীক্ষা কৰিলে আখৰে আখৰে সচাঁ বুলি প্ৰমাণিত হয়। উত্তৰ পূৰ্ব্বাঞ্চলৰ বিভিন্ন জনগোষ্ঠীয়ে (পূৰ্বৰ বৃহত্তৰ অসম) একেলগে একগোট হৈ বৃটিছ শাষকৰ বিৰুদ্ধে যুদ্ধ কৰিছিল- দেশৰ স্বাধীনতাৰ বাবে। কিন্তু দেশ স্বাধীন হোৱাৰ পিছত অবিভক্ত অসম প্ৰদেশখন টুকুৰা টুকুৰা হৈ উত্তৰ পূৰ্ব্বাঞ্চলত সাতভনীৰ প্ৰদেশলৈ ৰূপান্তৰিত হ'ল। কোণে কৰিলে, কাৰ স্বাৰ্থত হ'ল? ইয়াৰ উত্তৰ বিচাৰিব লাগিলে দেখা যাব ইয়াৰ বাবে সেই সময়ৰ কংগ্ৰেছ চৰকাৰৰ বিভাজনমূলক নীতি আৰু অসমীয়া ধনীক তথা মধ্যবিত্ত শ্ৰেণীটোৰ উগ্ৰ-জাতিয়তাবোধৰ দ্বাৰা পৰিচালিত ৰাজনীতিয়েই মুখ্যতঃ দায়ী। ষাঠি আৰু সত্তৰ দশকত পাহাৰত বাস কৰা অসমীয়া আৰু ভৈয়ামত কাম কৰা অসমীয়াৰ মাজত সমন্বয় সদ্ভাব আছিল। কিন্তু খিলঞ্জীয়া ভাষাসমূহক কাতি কৰি থৈ অসমীয়া ভাষাক একমাত্ৰ জাতীয় ভাষা হিচাবে স্বীকৃতি দিয়াৰ লগে লগে মেঘালয়, মিজোৰাম, অৰুণাচল আদি সুকীয়া প্ৰদেশ গঠনৰ প্ৰক্ৰিয়া আৰম্ভ হল। কিয়নো উচ্চবৰ্ণ হিন্দু অসমীয়াৰ পৰামৰ্শ আৰু চৰকাৰৰ পৃষ্ঠপোষকতাত অসমত বাস কৰা সকলো জনগোষ্ঠীয়ে 'সমন্বয়ৰ খাতিৰত' বাধ্যতামূলক ভাবে অসমীয়া ভাষা প্ৰতিটো বিদ্যালয়ত পঢ়িব লাগিব বুলি এক প্ৰস্তাব যোগে ঘোষণা কৰা হ'ল। এনে বাধ্যতামূলক নীতি গাৰ জোৰেৰে জাপি দিয়াৰ ফলত স্বাভাবিকভাবেই বিভিন্ন জনগোষ্ঠীৰ মাজত অসন্তোষ সৃষ্টি হ'ল। পাহাৰীয়া ভাই

সকলে নিজ নিজ জাতি-স্বত্বা, নিজ নিজ ভাষা-সংস্কৃতি বিপন্ন হোৱাৰ আশংকা কৰা কাৰণতেই আৰু অৰ্থনৈতিক ৰাজনৈতিক স্ব-নিয়ন্ত্ৰণৰ স্বাৰ্থতেই অসমখন টুকুৰা টুকুৰা হ'ল, সাতভনীলৈ বিভক্ত হৈ গ'ল। বৰ্তমানও ক্ষুদ্ৰ অসম খন একাধিক ভাগত বিভক্ত হও হও অৱস্থা।

স্বাধীনতা লাভৰ পিছৰে পৰা আজিলৈকে অসমৰ শাসকশ্ৰেণী আৰু জনজাতিৰ লগত বুজা-বুজি তথা আন্ত ৰিকতা যথাৰ্থভাৱে গঢ়ি উঠা নাই । অবহেলা আৰু উদাসীনতাৰ ফলত দীৰ্ঘদিন ধৰি জনজাতি সমস্যাসমূহ দিনে দিনে জটিলৰ পৰা জটিলতৰ হৈ উঠিছে।


বিষ্ণুৰাভাই ১৯৬৯ চনৰ ২৬ জানুৱাৰী তাৰিখে তেজপুৰত বহা অসম সাহিত্য সভাৰ এখন ৰাজহুৱা সভাত বক্তৃতাপ্ৰসঙ্গত কৈছিল—'অসমীয়া কৃষ্টি, সংস্কৃতি আৰু সাহিত্য ব্ৰহ্মপুত্ৰৰ দৰে বিশাল আৰু বিৰাট। সৰু সৰু জুৰি-নিজৰা, নৈ-উপনৈৰ সমষ্টিৰ শকতিৰ দ্বাৰা যেনেকৈ ব্ৰহ্মপুত্ৰই তাৰ বিশালতা আৰু বিৰাটতা লাভ কৰিছে ঠিক তেনেকৈয়ে অসমৰ বহুজাতি উপজাতি আৰু জনজাতি কৃষ্টি, সংস্কৃতিৰ দ্বাৰা অসমীয়া সাহিত্যই বিশা লতা আৰু বিৰাটতা লাভ কৰিছে।' আজি অসমৰ মুধাফুটা সংগঠন এই অসম সাহিত্য সভাই অসমৰ বিভিন্ন জাতি-উপজাতি আৰু জনজাতি, জাতিস্বত্তা আৰু কৃষ্টি সংস্কৃতিক উপযুক্ত মৰ্য্যাদা প্ৰদান কৰা নাই। বিভিন্ন জনগোষ্ঠীৰ নিজ নিজ ভাষা-সংস্কৃতিৰ বিকাশৰ ইচ্ছা আৰু আশা-আকাঙ্খাক পৃষ্ঠপোষকতা কৰাৰ পৰিবৰ্ত্তে পুতৌ বা উদাসীনতাহে দেখুৱাই আহিছে। এনে পুতৌৰ উল্লেখযোগ্য প্ৰমাণ হৈছে অসম সাহিত্য সভাৰ মঙ্গলদৈ আৰু ৰহা অধিবেশন। সেয়ে অসমত বাসকৰা বিভিন্ন জাতি উপজাতি আৰু জনবসতিসকলে অসম সাহিত্য সভাৰ 'মউ বৰষা' কথাত ভোল নগৈ নিজ নিজ ভাষা সংস্কৃতিৰ বিকাশৰ বাবে সুকিয়াকৈ সাহিত্য সভা গঠন কৰিছে। বড়ো সাহিত্য সভা, মিছিং সাহিত্য সভা, কাৰ্বী সাহিত্য সভা, টিৱা সাহিত্য সভা, ৰাভা সাহিত্য সভা আদিৰ জন্ম এনেদৰেই হৈছে । ইয়াৰ অন্যতম কাৰণ অসমৰ বিভিন্ন জনগোষ্ঠীসমূহৰ নিজ নিজ ভাষা-সংস্কৃতিৰ যি স্বকীয়তা আছে সেই স্বকীয়তা সম্পৰ্কে বৰ্ণ-হিন্দু অসমীয়াৰ নেতৃত্বত অসম সাহিত্য সভাই কোনোদিনেই উপলব্ধি কৰিবলৈ চেষ্টা কৰা নাই । বিভিন্ন জনগোষ্ঠীৰ শব্দ সম্ভাৰেৰে অসমীয়া ভাষা বিকশিত হোৱা স্বত্ত্বেও অসম সাহিত্য সভাই উক্ত ভাষাসমূহৰ সম্ভাবনা আৰু শক্তি সম্পৰ্কে উদাসীনতা অবলম্বন কৰি আহিছে।

কেৱল ভাষা সংস্কৃতিৰ ক্ষেত্ৰতেই নহয়— অৰ্থনৈতিক ৰাজনৈতিক ক্ষেত্ৰতো সমস্ত সুবিধা ভোগ কৰি অহা এই উগ্ৰ-বৰ্ণবাদী হিন্দু অসমীয়া গোষ্ঠীটোৱে জনজাতিসকলৰ সাংবিধানিক প্ৰাপ্যৰ ওপৰতো হস্তক্ষেপ কৰিবলৈ কুণ্ঠাবোধ কৰা নাই। এই গোষ্ঠীটোৱে জনজাতি-অজনজাতি উভয় গোঠীৰ দুখীয়া হালুৱা-বনুৱাশ্ৰেণীক শোষণ কৰি নিজৰ অৱস্থান টনকিয়াল কৰি লৈছে। এই ধনীকশ্ৰেনীটোৰ চৰিত্ৰ নুবুজিলে বিষ্ণুৰাভাৰ বৃহত্তৰ অসমীয়া জাতি গঠনৰ প্ৰকৃত তাৎপৰ্য্য আমি বুজিব নোৱাৰিম। বিষ্ণুৰাভাৰ বৃহত্তৰ অসমীয়া জাতি গঠনৰ সমাধান সূত্ৰৰ অন্যতম চৰ্ত হ'ল— সকলো ভাষা সংস্কৃতিৰ সমান মৰ্য্যাদা স্বীকাৰ কৰা, পৰস্পৰ সদ্ভাব আন্তৰিক সম্পৰ্ক সুদৃঢ় কৰা, পৰস্পৰৰ স্বকীয়তা সম্পৰ্কে বাস্তব অধ্যয়ন প্ৰসুত জ্ঞান অৰ্জন কৰা, জনজাতি-অজনজাতি দুখীয়া ৰাইজৰ ওপৰত ধনীকগোষ্ঠীৰ শোষণ অত্যাচাৰৰ অবসান কৰা। অসমীয়া জাতি গঠন হঠাতে হোৱা বিষয় নহয়, ই এক প্ৰক্ৰিয়া। উক্ত পদক্ষেপসমূহহে এই প্ৰক্ৰিয়া দ্ৰুত কৰে । আৰু ইয়েই অসমীয়া জাতি উন্নতিৰ শিখৰত উঠাৰ একমাত্ৰ চাবিকাঠি।

# স্ব-শাসিত ৰাষ্ট্ৰ 'ব্ৰাচীন'ৰ আঁচনি আৰু বিভাজনমুখী অসম

দিগন্ত কুমাৰ ডেকা
স্নাতক, দ্বিতীয় বাৰ্ষিক, (কলা)

বোম্বাইৰ সাপ্তাহিক 'ব্লিজ' কাকতত ১৯৮০ চনৰ ১২ এপ্ৰিলৰ সংখ্যাত লিখিছিল-- "তথাকথিত সাতভনীক সামৰি এখন স্বাধীন পাহাৰী ৰাষ্ট্ৰ গঠনৰ কাৰণে চীন আৰু আমেৰিকান সকলে কাম কৰিছিল।" এই সাতভনী হ'ল অসম, নগালেণ্ড, মেঘালয়, মিজোৰাম, মণিপুৰ, অৰুণাচল আৰু ত্ৰিপুৰা। ১৯৪২ চনত সেই সময়ত অসমৰ গভৰ্ণৰ চাৰ ৰবাৰ্ট ৰীডে ব্ৰহ্মপুত্ৰৰ দক্ষিণ পাৰে পাৰ্বত্য অঞ্চলবোৰ ব্ৰহ্মদেশৰ লগত চামিল কৰি এখন 'নিউ ইংলেণ্ড' গঢ়াৰ যোজনা কৰিছিল যাক বৃটিছ চৰকাৰেও সমৰ্থন দিছিল। ১৯৪৭ চনৰ ১৫ আগষ্টত বৃটিছে ভাৰত এৰি যাবলগা হোৱাৰ বাবে এই যোজনা সম্পূৰ্ণ নহ'ল। ইয়াৰ পাছৰ পৰাই আমেৰিকাই এই যোজনা সম্পূৰ্ণ কৰিবৰ বাবে ছলে বলে কৌশলে অহৰ্নিশে চেষ্টা চলাই আছে। তেওঁলোকৰ নেপথ্যৰ 'হাত'ৰ বাবেই অসম তথা পূৰ্বাঞ্চলত বিছিন্নতাবাদী শক্তি কিছুমান গা-কৰি উঠিছে। বিচ্ছিন্নতাবাদী শক্তিসমূহক বিশেষ ৰাজনৈতিক দলে উচ-তাই আছে বুলি টুলুঙা মন্তব্য দিয়াটো সমীচীন নহব। আমেৰিকাৰ এই ঔপনিবেশবাদ নীতিৰ বাবেহে অসমৰ পৰা মণিপুৰ, ত্ৰিপুৰা, মিজোৰাম, নগালেণ্ড, অৰুণাচল, মেঘালয় ফালৰি কাটি গ'ল আৰু আজি উত্তৰ কাছাৰ আৰু কাৰ্বি আংলঙে স্বায়ত্ত শাসিত ৰাজ্যৰ দাবী লগতে অসমৰ একাংশ বড়োলোকে পৃথক ৰাজ্যৰ দাবী প্ৰতিপন্ন কৰিছে। অসমৰ ব্ৰহ্মপুত্ৰ আৰু ব্ৰহ্মদেশৰ মাজৰ চিন্দ্ৱিন নদীৰ মাজৰ অংশ 'ব্ৰাচীন' নামদি এখন স্ব শাসিত ৰাষ্ট্ৰৰ পৰিকল্পনা সংগোপনে হ'ব ধৰিছে। 'ব্ৰাচীন' সন্দৰ্ভত 'ব্ৰাচীন নেচনেল ইউনিয়ন'ৰ কাৰ্যকলাপ ইতিমধ্যে প্ৰকাশ



ব্ৰাচীন স্বায়ত্তশাসিত অঞ্চল (আঁচ টনা অঞ্চলবোৰ)
জনগোষ্ঠীৰ সাংস্কৃতিক ভেটিত প্ৰস্তাৱিত দেশ

হ'ব ধৰিছে। 'ব্ৰাচীন নেচনেল ইউনিয়ন'ৰ উপসভাপতি শ্ৰীনৰেন গোহাঁইয়ে দিয়া মন্তব্য-- "ব্ৰাচীনক বাস্তৱত ৰূপায়ণ কৰিবৰ বাবে পৰ্বত-ভৈয়ামৰ জাতি-উপজাতি আৰু জনজাতি সকলৰ মাজত ভাষা, ধৰ্ম্ম, কলা-সংস্কৃতিৰ ৰক্ষণাবেক্ষণ, উন্নত মান বিশিষ্ট সামাজিক শিক্ষা-দীক্ষাৰ ব্যৱস্থা, সমৃদ্ধীয়া অৰ্থনৈতিক উন্নতি সাধন, বিজ্ঞানসন্মত

ভূমি নীতিৰ প্ৰৱৰ্ত্তন, সম্প্ৰতি প্ৰতিষ্ঠাৰ সুপৰিকল্পিত আঁচনি আদি যুগুতাই ৰখা হৈছে। এই আঁচনি ভৱিষ্যতে বাস্তৱত ৰূপায়ণ হ'লে পৃথক ৰাজ্যৰ দাবী কৰোতাসকলেও 'ব্ৰাচীন' পৰিকল্পিনাত সহযোগিতা আগবঢ়াই সুখ আৰু সম্প্ৰীতিৰ মাজত জীয়াই থকাৰ হাবিয়াসত উল্লসিত হৈ পৰিব। ভূমি পুত্ৰসকলৰ পৃথক ৰাজ্যৰ দাবীয়ে 'ব্ৰাচীন' পৰিকল্পনাত কোনো ধৰণৰ অন্তৰায়ৰ সৃষ্টি নকৰে। যিহেতু মানুহ হিচাপে জীয়াই থকাৰ অধিকাৰৰ পৰা বঞ্চিত নহ'লেই পৃথিবীত কোনোধৰণৰ কথাই সমস্যাৰূপে মূৰ দাঙি উঠিব নোৱাৰিব। পৃথক ৰাজ্যৰ দাবীটো প্ৰকৃত সমস্যা নহয়। সমস্যা মানুহে মানুহ হিচাপে জীয়াই থকাৰ, সুবিধাভোগৰ সম-অধিকাৰৰ পৰা বঞ্চিত হোৱাটোহে। এইখিনিকে কৰিব পৰা শোষণমুক্ত, ধৰ্মনিৰপেক্ষ, বিজ্ঞানসন্মত সমাজ-বাদী গণতান্ত্ৰিক গণৰাজ্য স্থাপন কৰিব পাৰিলেহে সকলোধৰণৰ সমস্যাৰ পৰা উদ্ভৱ হোৱা আন্দোলনৰ পটভূমিত জন্ম-গ্ৰহণ কৰা সন্ত্ৰাসবাদ আৰু ইয়াৰ পাছত উদ্ভৱ হোৱা 'ৰাজ বিপ্লৱ' আদিৰ অৱসান ঘটিব।"

অসমত অসমীয়া কোন ? এই প্ৰশ্নটো প্ৰতিজন অসমীয়াই কৰে যদিও প্ৰশ্নটোৱে 'বুমেৰাংহৈ প্ৰশ্ন কৰোতাজনৰ ওচৰলৈ ঘূৰি আহে। 'অসমৰ উন্নয়ন বিচৰাজনেই অসমীয়া' এই সহজ সূত্ৰটো প্ৰয়োগ কৰা হ'লে অসমৰ অসমীয়া বেলেগ অঞ্চলত বেলেগ সংজ্ঞাৰ সৃষ্টি নহ'লহেঁতেন। গতিকে বাংলাভাষী, ধৰ্মীয় পৃথকজন অসমীয়া নহয় এনে ভুল ধাৰণাৰ বীজ সৰ্বসাধাৰণৰ মনত সোমাই পৰাৰ বাবে ১৯৮৩ চনত ভাতৃঘাতী সংঘৰ্ষৰ পাতনি মেলা হ'ল। অসমীয়া সংজ্ঞা নিৰূপণত কোনো অঞ্চলত ভাষা, কোনো অঞ্চলত সাজ-পোছাক আদি বিষয়বস্তু গ্ৰহণ কৰাৰ বাবে 'জনজাতি' নামৰ ভাৰতীয় সংবিধানৰ আবেগিক শব্দটো চক্ৰান্তকাৰী গোষ্ঠীয়ে কৌশলেৰে ব্যৱহাৰ কৰি অসমীয়াৰ বিৰুদ্ধে অসমীয়াৰ মাজত বিভেদৰ বীজ সিঁচি দিলে যাৰ বাবে একাংশ অসমবাসীয়ে নিজৰ আদিভাষা, সাজ-সজ্জা এককথাত অস্তিত্বৰক্ষাৰ বাবে নিজাকৈ একোখন ৰাজ্য দাবী কৰিছে। এই দাবীবোৰৰ মৌলিকতা সেয়েহে একে বাবে অনস্বীকাৰ্য নহয়। অসমৰ ছবছৰীয়া অস্তিত্ব ৰক্ষাৰ আন্দোলনৰ যুক্তিবোৰ যেনেদৰে অলংঘনীয় নাছিল তেনেদৰে আজিৰ 'বড়োলেণ্ড' দাবীদাৰসকলৰ যুক্তিও অলংঘনীয় নহয়। কাৰচাজিৰে পৰিপূৰ্ণ ভাৰতীয় সংবিধানৰ 'জনজাতি' শব্দটোৱে অংশ বিশেষৰ মনত-- "যিসকল তথাকথিত অসমীয়া তেওঁলোক অসমৰ বাহিৰৰ পৰা অহা, আমিহে আচল অসমীয়া" আদি বিভেদৰ বীজ মনত সুমুৱাই দিয়া হৈছে। উদাহৰণ হিছাপে ১৯৮০ চনৰ ১২ এপ্ৰিলৰ বোম্বাইৰ 'ব্লিজ' কাকতৰ এটা বাতৰি- "নতুন দিল্লীৰ থাই ৰাষ্ট্ৰদূত সাতভনীৰ বিহুত অংশগ্ৰহণ কৰিবৰ বাবে অসমৰ শিৱসাগৰলৈ গৈছিল। একে সময়তে থাই ফুটবল খেলুৱৈৰ এটা দলে এক স্থানীয় ফুটবল প্ৰতি-যোগিতাত অংশগ্ৰহণ কৰি কৈছিল- আহোম গোষ্ঠী থাইলেণ্ডৰ পৰা ব্ৰহ্মপুত্ৰ উপত্যকালৈ আহিল বুলি জনা যায়।" ইয়াৰ দ্বাৰা প্ৰান্তিক কৌশল হিচাপে অসমৰ আহোম জনগোষ্ঠীৰ মনত তেওঁলোক যে অসম তথা ভাৰতীয় নহয় আৰু কোনো জাতিগত বান্ধোন নাই তেনে এটা মনোভাৱ ৰোপণ কৰা হ'ল আৰু তেতিয়াই ৰুই যোৱা বিভেদৰ পুলিটো আজি ঠন ধৰি উঠি 'আহোমলেণ্ড'ৰ দাবীত পৰিণত হৈছে।

পৃথক ৰাজ্যই কোনো সমস্যাৰ সমাধান নহয়। অসমৰ পৰা পৃথকহৈ যোৱা নগালেণ্ডৰ বুকুতো স্বকীয়া ৰাজ্যৰ বাবে আন্দোলন হয়। অসমৰ জাতি গঠনৰ বাবে অৰিহণা যোগোৱা জাতি-জনজাতিৰ মাজত বিভেদৰ বীজ ৰোপণ কৰি পৃথকতাবাদী মানসিকতা আমাৰ মনত সুমুৱাই দিয়া হৈছে। বিভাজনমুখী অসম শূন্যত ওপঙা বাগিছা সদৃশ। অসম তথা পূৰ্বাঞ্চলৰ জনসাধাৰণে গণতন্ত্ৰত শাসকৰ স্বৈৰতন্ত্ৰতাৰ নিৰ্মূল কৰাটোহে বিচৰা উচিত। স্বৈৰতন্ত্ৰ য'ত থাকিব তাত নিৰীহ লোকে সুখেৰে জীৱনধাৰন কৰাতো অবাস্তৱ। ঔপনিবেশবাদী, পুঁজিপতিসকলৰ শোষননীতিৰ বিৰুদ্ধে বিপ্লৱৰ পথ গ্ৰহন কৰাহে যুগুত হব। বিভাজন মুখী চক্ৰান্তৰ জালত ভৰি দিয়াৰ পৰিবৰ্ত্তে, সংহতিৰ সপক্ষে, শোষণৰ বিৰুদ্ধে থিয় দিয়াৰ সময় সমাগত।

# ফৰাচী বিপ্লৱৰ তাৎপৰ্য্য

লতামণি দাস,
মীনাক্ষী বৰকাকতী,
জয়া দাস,
ৰাতুল মেধি
দ্বিতীয় বাৰ্ষিক, স্নাতক, ( কলা )



পৃথিৱীৰ মানৱ বুৰঞ্জীত আজিলৈকে বহু বিপ্লৱ সংঘটিত হৈছে। কিন্তু ওঠৰ শতিকাৰ আগলৈকে ফৰাচী বিপ্লৱেই আটাইতকৈ তাৎপৰ্যপূৰ্ণ। ১৭৮৯ চনৰ ৪ জুলাইত সংঘটিত হোৱা এই বিপ্লৱেই সৰ্বপ্ৰথমে অভিজাত শ্ৰেণী, যাজক সম্প্ৰদায় আৰু ৰাজতন্ত্ৰৰ বিৰুদ্ধে আপোচহীন বিদ্ৰোহ ঘোষণা কৰি সাম্য-মৈত্ৰী আৰু ভাতৃত্বৰ বাণী তথা আদৰ্শ দাঙি ধৰিছিল। ১৬৮৮ চনৰ ইংলণ্ডৰ সংসদীয় বিপ্লৱৰ পিছত ফৰাচী বিপ্লৱেই হৈছে স্বেচ্ছাচাৰী ৰাজতন্ত্ৰৰ বিৰুদ্ধে জনসাধাৰণৰ আলোড়নকাৰী বিপ্লৱ। প্ৰশ্ন হয়—ৰাজতন্ত্ৰৰ বিৰুদ্ধে জনসাধাৰণ কিয় বিক্ষুব্ধ হৈছিল বা সাম্য, মৈত্ৰী ভাতৃত্বৰ আদৰ্শৰ বাস্তৱ ভিত্তি ক'ত ? এই প্ৰশ্নৰ উত্তৰ পাবলৈ হলে আমি বিচাৰ কৰিব লাগিব ফ্ৰান্সৰ সেইসময়ৰ আৰ্থ, সামাজিক আৰু ৰাজনৈতিক অৱস্থা।

ফৰাচী বিপ্লৱ সংঘটিত হৈছিল এনে এটা পৰিস্থিতিত যত ফ্ৰান্সৰ ৰাজনৈতিক-অৰ্থনৈতিক-সামাজিক অৱস্থা সাধাৰণ ৰাইজৰ দুখ-দুৰ্দশাৰ কাৰণ হৈ পৰিছিল। ফ্ৰান্সৰ বুৰ্বন বংশৰ ৰাজনৈতিক শাসন আছিল অতি স্বেচ্ছাচাৰী। সকলো ক্ষমতা ৰজাৰ হাতত কেন্দ্ৰভূত আছিল। ষ্টেট জেনাৰাল নামৰ সীমিত সংসদক অৱজ্ঞা কৰি ৰজাই স্বেচ্ছাচাৰী শাসন চলাইছিল। ষষ্টদশ লুইৰ ৰাজত্ব কালত স্থানীয় আৰু প্ৰাদেশিক শাসন কৰলৈ গলে একেবাৰে

ভাঙি পৰিছিল। অভিজাত শ্ৰেণী, যাজক সম্প্ৰদায় আৰু ৰাজকীয় বিষয়াসকলে একচত্ৰী কৰ্তৃত্ব আৰু সুবিধা ভোগ কৰিছিল। ইয়াৰ উপৰিও এই সম্প্ৰদায়টোৱে ৰাজকীয় সম্পত্তিৰ এটা অংশ ভোগ কৰিছিল। এই সম্প্ৰদায়ৰ আঙুলিৰ নিৰ্দেশত দেশৰ আইন-কানুন প্ৰণয়ন হৈছিল, তেওঁলোকে ইচ্ছাকৃতভাবে নিজ-স্বাৰ্থত সাধাৰণ ৰাইজক দোষী সাব্যস্ত কৰিছিল, শান্তি-শৃঙ্খলাৰ ক্ষেত্ৰত তেওঁলোক যথাচ্ছাচাৰ কৰিছিল। বিলাসী জীৱন যাপন, সম্পত্তিৰ পৰিমাণৰ ওপৰত আভিজাত্যৰ গৌৰব, প্ৰশাসনৰ সমস্ত ক্ষমতা, দায়িত্ব ভোগ কৰিও এই শ্ৰেণীটোৱে প্ৰশাসনৰ নামত ভেকো-ভাওনা কৰিছিল আৰু স্থিতাবস্থা ৰক্ষাকাৰী ৰজাৰ পৰম মিত্ৰ তথা বিশ্বস্ত বন্ধু আছিল। এওলোকৰ সহযোগতেই ৰজাই ষ্টেট জেনাৰেল নমতাকৈ শাসন কৰিছিল, খুচিমতে ৰাইজৰ ওপৰত কৰ বহুৱাইছিল। যাৰ ৰাজত্ব কালত ফৰাচী বিপ্লৱ সংঘটিত হয় সেই সম্ৰাট ষোড়শ লুই ব্যক্তিগত ভাবে ভাল মানুহ হলেও শাসক হিচাবে আছিল অপদাৰ্থ তেওঁৰ পত্নী মেৰী আতোয়ানেত আছিল অহংকাৰী, বিলাসীনি, যাজক আৰু অভিজাত শ্ৰেণীৰ প্ৰতি প্ৰিয়পাত্ৰী। সম্ৰাটৰ ওপৰত দেশৰ দায়িত্ব আৰু নিজৰ কৰ্তব্যবোধতকৈ ৰাণীৰ প্ৰভাৱ আছিল সৰ্বগ্ৰাসী। ৰজা আছিল ৰাণীৰ হাতৰ পুতলা। যাজক বা অভিজাত শ্ৰেণীৰ শক্তি হ্ৰাস কৰাৰ তেওঁ পক্ষপাতি নাছিল। ৰজাইও সংস্কাৰৰ প্ৰতি আছিল উদাসীন। অথচ নিজৰ ৰাজ প্ৰসাদ নিৰ্মাণৰ বাবে তেওঁ ৰাজভড়ালৰ পৰা প্ৰায় ৩০ কোটি টকা খৰচ কৰে। এনে বিলাসৰ ফলত ৰাজভড়াল প্ৰায় উদং হৈ পৰে। স্বাভাৱিক ভাবেই প্ৰশাসন আৰু অন্যান্য ৰাজনৈতিক ব্যৱস্থাত ইয়াৰ প্ৰভাৱ ক্ৰমে প্ৰকট হৈ উঠিবলৈ ধৰে। এনে সংকট দূৰ কৰিবলৈ ষোড়শ লুইৰ দুই মন্ত্ৰী টাৰগ'ট আৰু নেকাৰে কেইবাটাও অৰ্থনৈতিক সংস্কাৰৰ আচঁনি লয়। কিন্তু আচনিবোৰ কাৰ্য্যকৰী কৰিব নোৱাৰিলে। আনকি সংস্কাৰৰ নীতি লোৱা বাবে নেকাৰে শেষ পৰ্যন্ত বহিস্কৃতও হব লগা হয়।

ৰাজতন্ত্ৰৰ স্বেচ্ছাচাৰী শাসন ব্যৱস্থাত— এক কথাত কবলৈ গলে সাধাৰণ ৰাইজৰ দুৰ্দ্দশাৰ সীমা নাছিল। এনে দুৰ্দ্দশাৰ বাবে দেশৰ সামাজিক আৰু অৰ্থনৈতিক ব্যৱস্থাও আছিল অন্যতম কাৰণ। ফৰাচী সমাজখন প্ৰধানকৈ তিনিটা শ্ৰেণীত বিভক্ত আছিল। প্ৰথম শ্ৰেণীত আছিল ৰজা, ৰাজপৰিয়ালবৰ্গ আৰু যাজক সম্প্ৰদায়, দ্বিতীয় শ্ৰেণীত অভিজাত শ্ৰেণী আৰু তৃতীয় শ্ৰেণীত আছিল কৃষক, কাৰিকৰ, গাওঁ আৰু চহৰৰ ধনী আৰু দুখীয়া মানুহ। ফ্ৰান্সৰ মুঠ জনসাধাৰণৰ এক লাখ ত্ৰিশহাজাৰ জন আছিল কেথলিক ধৰ্মৰ যাজক সম্প্ৰদায়। এওঁলোকৰ ভিতৰত কাৰ্ডিনেল, আৰ্ক বিচপ, বিচপ আদি আছিল উচ্চ শ্ৰেণীৰ ধনী আৰু দুৰ্নীতি পৰায়ণ। এওলোকে সাধাৰণ প্ৰজাৰ পৰা টিথ নামৰ এবিধ ধৰ্মকৰ সংগ্ৰহ কৰিছিল। অভিজাত শ্ৰেণীৰ মানুহৰ মুঠ সংখ্যা আছিল এক লাখ পঞ্চাশ হাজাৰ। এই শ্ৰেণীটোৰ ভিতৰত আকৌ অস্ত্ৰধাৰী অভিজাত আৰু পদবীধাৰী দুইধৰণৰ অভিজাত শ্ৰেণী আছিল। এই শ্ৰেণীটো আছিল অতি সুবিধাভোগী। এওঁলোক বিনা পাৰিশ্ৰমিকত কৃষকক খটুৱাৰ অধিকাৰ পাইছিল। তৃতীয় শ্ৰেণীৰ অধিকাংশই আছিল কৃষক আৰু ভূমি দাস। এওঁলোকৰ কোনো অধিকাৰ নাছিল।

তৃতীয় শ্ৰেণীটোৰ ওপৰত প্ৰথম আৰু দ্বিতীয় শ্ৰেণীটোৰ শাসন-শোষনৰ সীমা নাছিল। অভিজাত আৰু যাজক সম্প্ৰদায়ৰ উপৰিও সাধাৰণ ৰাইজে ৰজাক বিভিন্ন ধৰণৰ পৰোক্ষ আৰু প্ৰত্যক্ষ কৰ দিব লাগিছিল। এই কৰ সমূহৰ ভিতৰত ভূমি আৰু ৰাজহ সম্পৰ্কীয় টাইলকৰ, যুদ্ধৰ ক্ষতিপূৰণ নামক (Poll tax) পলটেক্স আদি প্ৰত্যক্ষ কৰ আৰু এজভ, টিথ আদি পৰোক্ষ কৰ বিশেষভাবে উল্লেখ-যোগ্য। এনে কৰৰ বোজাৰ সমৰ্থনত যাজক সকলে এটা নীতি শিক্ষা প্ৰচাৰ কৰি কৈছিল— 'অভিজাত শ্ৰেণীটোৱে যুদ্ধ কৰিব, যাজক সম্প্ৰদায়ে প্ৰাৰ্থনা কৰিব আৰু সাধাৰণ ৰাইজে কৰৰ বোজা বহন কৰিব, এয়ে ঈশ্বৰৰ ইচ্ছা'।

এনে আৰ্থসামাজিক ৰাজনৈতিক অবস্থাৰ পৰিপ্ৰেক্ষিতত জনসাধাৰণৰ মাজত স্বাভাৱিক ভাবেই ব্যাপক অসন্তুষ্টিয়ে দেখা দিয়ে। বহুদিনৰ পৰাই শোষণ-বঞ্চনাৰ বিৰুদ্ধে নিৰবচ্ছিন্ন বিদ্ৰোহ সংগঠিত হবলৈ ধৰে। এনে স্বতঃস্ফূৰ্ত বিদ্ৰোহ সমূহ সংগঠিত কৰি সামন্তবাদী ৰাজতন্ত্ৰৰ অবসানৰ বাবে সংগঠিত কৰাত দেশৰ বুদ্ধিজীবি সকলৰ একাংশই বিশেষ ভূমিকা পালন কৰে। এই বুদ্ধিজীবি সকলৰ ভিতৰত

মণ্টেস্কু, ভলটেয়াৰ, ৰুচো আদিৰ ভূমিকা বিশেষভাবে গুৰুত্বপূৰ্ণ। এই বুদ্ধিজীৱিসকলে ফ্ৰান্সৰ স্বেচ্ছাচাৰী ৰাজতন্ত্ৰৰ, ধৰ্মীয় আৰু সামন্তবাদী সমাজ ব্যৱস্থাৰ কঠোৰ সমালোচনা কৰি ন্যায় আৰু সমতাৰ পৃষ্ঠপোষকতা কৰিছিল।

মণ্টেস্কোয়ে ১৭২১ চনত Parisian letters গ্ৰন্থত ৰাজপৰিয়াল আৰু অভিজাত সম্প্ৰদায়ৰ অন্যায় অবিচাৰৰ কঠোৰ সমালোচনা কৰে। ভলটেয়াৰে ধৰ্ম-ব্যৱস্থাৰ অনাচাৰ, অসাম্যক বিদ্ৰূপ কৰি ব্যক্তি স্বাধীনতাৰ আদৰ্শ দাঙি ধৰে। ৰুচো আছিল মনটেস্কো, ভলটেয়াৰ আদিৰ তুলনাত অধিক বিপ্লৱী আৰু প্ৰভাৱশালী ব্যক্তি। ১৭৬২ চনত 'চোচাল কনণ্ট্ৰেক্ট' গ্ৰন্থত ৰাষ্ট্ৰৰ উৎপত্তি সম্পৰ্কে ব্যাখ্যা কৰি ৰজাৰ ওপৰত জনসাধাৰণৰ কৰ্তৃত্বৰ গুৰুত্ব আৰোপ কৰে। তেওঁ মত প্ৰকাশ কৰিছিল যে জনসাধাৰণে নিৰ্বিচাৰিলে কোনো ৰজাই শাসনাধিষ্ঠ হৈ থাকিব নোৱাৰে। কিয়নো ৰজাক ক্ষমতাচ্যুত কৰাৰ কৰ্তৃত্ব জনশক্তিৰ আছে। বুদ্ধিজীৱী 'সকলৰ এনে সমালোচনা আৰু আদৰ্শবোধৰ প্ৰচাৰৰ ফলত ফ্ৰান্সৰ ৰজা, জমিদাৰ তন্ত্ৰ, অভিজাততন্ত্ৰ, ৰাজকীয় বিষয়াবৰ্গৰ অন্যায় অবিচাৰ আৰু অত্যাচাৰৰ বিৰুদ্ধে জনসাধাৰণৰ ক্ষোভ আৰু অসন্তোষ বিদ্ৰোহৰ আকাৰ লয়। এই বিদ্ৰোহসমূহে সুবিধাভোগী শ্ৰেণীটোৰ সমস্ত ক্ষমতা, অধিকাৰ বিলোপ কৰি সাম্য, মৈত্ৰী, ভাতৃত্বৰ আদৰ্শ প্ৰচাৰ কৰে।

১৭৮৯ চনৰ ১৪ জুলাই তাৰিখে বাস্তিলদুৰ্গ দখল কৰাৰ মাজেদি বিপ্লৱী জনসাধাৰণে ফৰাচী বিপ্লৱৰ পাতনি মেলে। ৰজা-ৰাণীক বন্দী কৰি ৰাজতন্ত্ৰৰ অবসান ঘটায়। নতুন সংবিধান প্ৰনয়ণ কৰি মানব অধিকাৰৰ ঘোষণা পত্ৰ প্ৰচাৰ কৰে। জমিদাৰতন্ত্ৰ আৰু চাৰ্চৰ ক্ষমতা বিলোপ কৰি গণতান্ত্ৰিক অধিকাৰ আৰু সমতাৰ ভেটি নিৰ্মাণ কৰে।

বিপ্লৱী ফ্ৰান্সক ধ্বংস কৰিবলৈ ইউৰোপৰ সকলো প্ৰতিক্ৰিয়াশীলশক্তিয়ে ফ্ৰান্সৰ বিৰুদ্ধে যুদ্ধ ঘোষণা কৰি শেষ বিচাৰত বিপ্লৱক ধ্বংস কৰিলেও ফৰাচী বিপ্লৱৰ তাৎপৰ্য্য নোহোৱা নহয়। প্ৰতি বিপ্লৱী শক্তিক দমন কৰিবলৈ ফ্ৰান্সত সন্ত্ৰাসৰ যি অমানুষিকতাৰ ৰাজত্ব নমাই অনা হৈছিল সেই সন্ত্ৰাসে ফৰাচী বিপ্লৱৰ বৈপ্লৱিক আদৰ্শ বহু পৰিমাণে নষ্ট কৰে। তথাপিও এই কথা কব লাগিব যে ৰাজতন্ত্ৰ, অভিজাত তন্ত্ৰ আৰু ধৰ্মীয় শাসন শোষণ ব্যৱস্থাৰ অৱসানৰ বাবে ফৰাচী বিপ্লৱে যি পদক্ষেপ আৰু আদৰ্শ স্থাপন কৰিছিল তাৰ প্ৰভাৱ কেৱল ফ্ৰান্সতেই সীমাবদ্ধ নাছিল। ইয়াৰ প্ৰভাৱ আছিল সুদূৰপ্ৰসাৰী।

শিল্প বিপ্লৱ অবিহনে যেনেকৈ ধনতান্ত্ৰিক ব্যৱস্থাৰ সৃষ্টি নহ'লহেঁতেন ঠিক সেইদৰে ফৰাচী বিপ্লৱ অবিহনেও ৰাছিয়া বা চীনৰ সমাজতান্ত্ৰিক বিপ্লৱৰ পথ প্ৰশস্ত নহলহেতেন। ফৰাচী বিপ্লৱৰ ফলশ্ৰুতি সম্পৰ্কে যোৱা দুশ বছৰে বিশ্বৰ বিভিন্ন প্ৰান্তৰ ভিন ভিন মনীষিয়ে যি তাত্বিক চৰ্চ্চা আগবঢ়াইছে, পৃথিৱীৰ আন কোনো বিদ্ৰোহ বা বিপ্লৱৰ ওপৰত তেনে ব্যাপক অধ্যয়ন বা চৰ্চ্চা কৰা হোৱা নাই। ফৰাচী বিপ্লৱৰ মূল ঐতিহাসিক তাৎপৰ্য্য সম্পৰ্কে কবলৈ গলে এটা কথাই কব লাগিব যে এই বিপ্লৱেই সৰ্ব প্ৰথমে পৃথিবীৰ মানুহৰ ওচৰত আত্মবিশ্বাস, সাম্য, মৈত্ৰী, ভাতৃত্বৰ আদৰ্শৰে স্বাধীনতা আৰু গণতান্ত্ৰিক অধিকাৰ প্ৰতিষ্ঠা কৰিছিল। সম-অধিকাৰৰ আদৰ্শৰ দ্বাৰা অনুপ্ৰাণিত হৈ দেশে দেশে গণতান্ত্ৰিক আন্দোলন বিকশিত হৈছে, ইউৰোপ, এছিয়া, আফ্ৰিকাৰ পৰাধীন দেশ সমূহৰ স্বাধীনতা সংগ্ৰামত অৰিহণা যোগাইছে। ফৰাচী বিপ্লৱেই পোন-প্ৰথমবাৰৰ বাবে জমিদাৰতন্ত্ৰ আৰু ৰাজ তন্ত্ৰৰ অৱসান ঘটাই প্ৰজাতন্ত্ৰ প্ৰতিষ্ঠা কৰে। ধৰ্ম-নিৰপেক্ষ শিক্ষা-ব্যৱস্থা প্ৰবৰ্তন কৰি ফৰাচী বিপ্লৱেই পোন-প্ৰথমবাৰৰ বাবে মানৱ অধিকাৰৰ ঘোষণা কৰি উদাৰ যুক্তি বাদী মানৱতাবোধৰ জন্ম দিছিল। সেয়ে সমস্ত সীমাবদ্ধতা স্বত্বেও ফৰাচী বিপ্লৱৰ তাৎপৰ্য্য আৰু প্ৰাসঙ্গিতা আজিও শেষ হৈ যোৱা নাই। ●

---

□ প্ৰবন্ধটি ফৰাচী বিপ্লৱৰ দ্বি-শতবাৰ্ষিকী উপলক্ষে বুৰঞ্জী বিভাগৰ দ্বাৰা আয়োজিত আলোচনাচক্ৰত পঠিত।

# অপৰাধপ্ৰবণতাঃ ছাত্ৰসমাজত ইয়াৰ প্ৰভাৱ

গীতাশ্ৰী বৰা
স্নাতক, প্ৰথম বাৰ্ষিক, (কলা)

অপৰাধপ্ৰবণতাৰ ওপৰত আলোচনা কৰিবলৈ হ'লে মুখ্যতঃ মনস্তাত্ত্বিক দিশটোৰ ওপৰত আলোক পাত কৰিব লাগিব। এটি অপৰাধপ্ৰবণ শিশুৱেই হওঁক লাগে ছাত্ৰই হওঁক সি সমাজৰ কাৰণে সদায়েই অনিষ্টকৰ। বৰ্তমানে অমাৰ সমাজত এটি শিশুৰ ওপৰত থকা ধ্যান-ধাৰণা অতীজতকৈ দ্ৰুতগতিত সলনি হৈছে। অতীজত এটি শিশুৰ মনোবিকাৰক অন্ধবিশ্বাসৰ তুলাচনীৰে জুখি চোৱা হৈছিল আৰু ভগবানৰ ওচৰত সকলো অৰ্পণ কৰিছিল। কিন্তু আজি বৈজ্ঞানিক ভিত্তিত এটি শিশুৰ মানসিক বিকাশক বা শিশুটিৰ ব্যক্তিত্বক মনস্তত্ত্ব আৰু শিক্ষাৰে জুখি চোৱা হয়।

মুঠতে, ক'বলৈ হ'লে শিশুৰ মানসিক বিকাশত ঘূণে ধৰিলেই আন কিছুমান কুকাৰ্য্যৰ লগতে অপৰাধমূলক কাৰ্য্যতো লিপ্ত হোৱা দেখা যায়।

শিশু মনস্তত্ত্বৰ ওপৰত অধ্যয়ন কৰি বিস্তৃত শিক্ষা-সূচীৰে আধুনিক শিক্ষালৈ নতুন চিন্তাধাৰাৰ প্ৰবৰ্তন কৰোঁতা মণ্টেশ্বৰী, ফ্ৰৱেল আদিৰ শিক্ষা-চিন্তাৰ মাজত শিশুৰ মানসিক অৱস্থাৰ প্ৰতিফলন দেখা যায়। শিশুৰ জন্মগত সুপ্ত দোষ-গুণবোৰ, পৰিবেশৰ আজন্ম প্ৰভাৱ মনোবিদ সকলৰ অধ্যয়নৰ মূলভেটি, আৰু ইবিলাকৰ মিশ্ৰিত প্ৰভাৱৰ প্ৰতিক্ৰিয়াত মানৱ প্ৰকৃতিৰ পৰিবৰ্তন এটা স্বাভাৱিক প্ৰক্ৰিয়া হিচাপে গন্য কৰিব পাৰি। সাহিত্যৰ ক্ষেত্ৰটো চেখভৰ ছুটি গল্পৰ ইংৰাজী অনুবাদ আৰু ডষ্টয়ভস্কিৰ উপন্যাসৰ অনুবাদসমূহতো মানৱ প্ৰকৃতিৰ পৰিবৰ্তনৰ কথা উল্লেখ আছে। ডষ্টয়ভস্কিৰ "Crime and Punishment" গ্ৰন্থতো অপৰাধমূলক কাৰ্য্যৰ ওপৰত মনস্তাত্ত্বিক বিশ্লেষণ কৰা হৈছে। ইয়াৰ নায়ক ৰাস্কেল নিজকে নিজকে কেনেদৰে অপৰাধমূলক কাৰ্য্যত লিপ্ত কৰিছে তাৰ দৃষ্টান্তও আছে। মনস্তত্ত্বৰ নিত্য নতুন আবিস্কাৰৰ ফলত বৰ্তমান শিশু মনস্তত্ত্বৰ ধাৰা আৰু সমীক্ষাৰ যে পৰিবৰ্তন আৰু উত্তৰণ ঘটিছে, সি অনস্বীকাৰ্য্য। মানসিক জটিলতা আৰু অৰ্থনৈতিক বৈষম্যই মূলতঃ এটি শিশুৰ ওপৰত শৈশৱৰ পৰাই মনস্তত্ত্বৰ প্ৰভাৱ পেলায়।

শিশুৰ অপৰাধপ্ৰবণতা এনে এক সমস্যা য'ত শিশুৱে বিশেষকৈ বয়ঃ সন্ধিকালত সমসাময়িক মানদণ্ডৰ প্ৰতিকূলে আচৰণ কৰে। এই অপৰাধপ্ৰবণতাৰ ভিতৰত যিকোনো ধৰণৰ সমাজবিৰোধী কামেই অন্তৰ্ভূক্ত হ'ব পাৰে।

অপৰাধপ্ৰবণতা এক অৰ্থত অপসমযোজনৰ পৰিণতি। প্ৰচলিত সমাজত খাপ-খুৱাব নোৱাৰি মানসিক সংঘাট আৰু আবেগিক উত্তেজনাত ধ্বংসাত্মক কাৰ্য্যৰ জৰিয়তে নিজৰ মনক তৃপ্ত কৰিব বিচৰা এটা মনো-দৈহিক অৱস্থা। বিশেষকৈ কিশোৰ-কিশোৰীসকলে অনুশাসন অমান্য কৰা, প্ৰতিশোধপৰায়ণতা, ধ্বংসাত্মক মনোবৃত্তি গ্ৰহণ আদিৰ জৰিয়তে নিজৰ অদম্য বাসনা চৰিতাৰ্থ কৰিবলৈ যত্ন কৰে। তেওঁলোক সমাজৰ চকুত অপৰাধী হ'লেও নিজে স্বাভাৱিক বুলি বিবেচনা কৰে। কিছুমান মনোবিজ্ঞানীয়ে ক'ব বিচাৰে যে, "অপৰাধপ্ৰবণতা হ'ল শিশুৱে কৰা এনে কিছুমান দোষণীয় কাম, যিবোৰ ডাঙৰে কৰা হ'লে আইনৰ চকুত দণ্ডনীয় হ'লহেতেঁন।" সাধাৰণভাৱে আনৰ বস্তু চুৰ কৰা, মাৰপিটত লিপ্ত হোৱা. যৌন অপৰাধ, হত্যাকাণ্ড পৰ্য্যন্তত ভাগ লোৱা, মিছা কথা কোৱা, সম্পত্তি নষ্ট কৰা, মাদক দ্ৰব্য সেৱন, টিকটবিহীনভাৱে ৰেলগাড়ীত ভ্ৰমণ কৰা, শ্ৰেণীকোঠাৰ পৰা পলাই যোৱা

আদি এশ এবুৰি অপৰাধমূলক কাৰ্য্যত শিশু লিপ্ত হোৱা দেখা যায়।

শিশুৰ এই অনৈতিক, অসামাজিক কামবোৰৰ ওপৰত মতামত দিবলৈ গৈ 'Healy' নামৰ মনোবিজ্ঞানীজনে কৈছে— "A child who deviates from the social norms of behaviour is called deliquent'

সাধাৰণভাৱে এটি শিশু বা ছাত্রৰ ব্যক্তিত্ব বংশ পৰিচয়ৰ দ্বাৰা আৰু বিশেষভাৱে পৰিবেশৰ দ্বাৰা নিয়ন্ত্রিত হয়। এইধৰণৰ কাৰ্য্যসমূহৰ বাবে বংশানুক্রমিকতা যেনেদৰে দোষণীয়, তেনেদৰে এটি শিশু ডাঙৰ দীঘল হোৱা পৰিবেশ টোও আমি দোষণীয় বুলি ক'ব পাৰো। শিশুৰ যৌন অপৰাধমূলক কাৰ্য্যত পৰিবেশে কেনেদৰে প্রভাৱ পেলায়, সেইবিষয়ে ডি, এইচ, লৰেন্সৰ "Sons and lovers" ত বহলাই আলোচনা কৰা আছে।

বৰ্তমান যুগত ছাত্র-ছাত্রীসমূহ লিপ্ত হোৱা আন এটি অপৰাধমূলক কাৰ্য্য হৈছে নিচাযুক্ত দ্রব্য সেৱন। যুৱক-যুৱতীসকলৰ মাজত নিচাযুক্ত দ্রব্যৰ প্রতি বাঢ়ি অহা আসক্তিৰ বহুবিলাক কাৰণৰ ভিতৰত ঘাইকৈ ঘৰুৱা পৰিবেশ, অন্ধ অনুকৰণ, সঙ্গদোষ আৰু হতাশাগ্রস্ততাই মূল বুলি ধৰিব পাৰি।

ঘৰুৱা পৰিবেশ দুই প্রকাৰে আমাৰ উঠি অহা ছাত্র-ছাত্রীসকলক বিপথগামী কৰিছে। বৰ্তমান পৰিয়ালবিলাকৰ বহুতে আৰ্থিক স্বচ্ছলতাৰ সন্ধানত স্বামী-স্ত্রী অথবা লৰা-ছোৱালীৰ মাক-দেউতাক দুয়ো উপাৰ্জনৰ কাৰণে ঘৰৰ পৰা আতঁৰত থাকে। ফলত আৰ্থিক স্বচ্ছলতা আহে সচাঁ, কিন্তু আচল সম্পদ ল'ৰা-ছোৱালী কেইটাই কোন পথে গতি কৰিছে তালৈ ভ্রুক্ষেপ নাথাকে। অত্যাধিক স্বচ্ছলতা আৰু প্রাচুৰ্য্যই মানুহক আগেয়ে ভোগ নকৰা নানা কাল্পনিক সুখৰ প্রতি আকৰ্ষণ কৰে। যেতিয়া ধন-সম্পদৰ সীমা চেৰাই যায় আৰু দেখনীয়াৰকৈ খৰচ কৰিবলৈ উপায় নাথাকে, তেতিয়া ধন ভাঙিবলৈ নতুন নতুন গুপ্ত পথৰ সন্ধান কৰিব লগা হয়। তাৰেই এটা পথ নিচাযুক্ত দ্রব্য। মাক-দেউতাকৰ অপৰ্য্যাপ্ত ধন কোমলমতীয়া ল'ৰা-ছোৱালীৰ হাতত পৰিলে সেই ধনে অন্ধকাৰৰ মুখলৈ টানি নিয়াৰ সম্ভৱনাই বেছি।

নিচাসক্ত লোকে নিজে পোৱা 'সুখ'টো আনক বিলাই দিবলৈ আগ্রহী হয় আৰু তেওঁলোকে যিকোনো উপায়ে লগৰীয়া সংগ্রহ কৰে। কিছুমানে নিজে নষ্ট হোৱা বুলি আনকো নষ্ট কৰিব খোজে। এইদৰেই তেওঁলোকৰ সমাজ খন ক্রমাৎ বহল হৈ যায়। যুৱ সমাজত বাঢ়ি অহা ভৱিষ্যত অনিশ্চয়তাৰ কাৰণেও কিছুমানে হতাশাগ্রস্ত হৈ বাস্তৱৰ পৰা সাময়িকভাৱে হ'লেও পলাই থকাৰ চেষ্টাত নিচা যুক্ত দ্রব্যৰ সেৱক হয়।

ইয়াৰোপৰি, মুকলি বজাৰত বহুল প্রচাৰিত নাৰীৰ অশোভনীয় মুকলি বিজ্ঞাপন, কোমল মনৰ শিশুক অবাটে নিব পৰা নিকৃষ্ট সাহিত্য আলোচনী, বোলছবিত দেখু-ওৱা হিংসা আৰু যৌন-অপৰাধ আদিয়ে শিশু মনলৈ অপৰাধপ্রৱণতাৰ যোগান ধৰে।

অৱসৰৰ সুস্থ আঁচনি নথকা শিক্ষানুষ্ঠান, গঠনমূলক সামাজিক কাম-কাজত ছাত্র-ছাত্রীসকলৰ অংশগ্ৰহন দিনে দিনে কমি অহাটো, সৃষ্টিমূলক প্রতিভা বিকাশৰ সুস্পষ্ট নীতি-নিৰ্দেশনা বিহীন অৱস্থাবিলাকে "an empty mind is devils workshop" কথাষাৰৰ সত্যতা প্রতিপন্ন কৰে।

ভাৰতবৰ্ষত অপৰাধপ্রৱণতাৰ আন এটা মূল কাৰণ হ'ল দৰিদ্রতা আৰু হতাশাগ্রস্ততা। যথোপযুক্ত নিয়োগৰ সুবিধা নথকা এখন দেশত যুৱ সমাজে যিকোনোধৰণৰ কাম-কাজ কৰি নিজক আৰু পৰিয়ালক পোহপাল দিয়া দেখা যায়, আৰু এনেধৰনৰ লোকসকলে অপৰাধী সকলৰ শতকৰা ৪০ ভাগক আকৰ্ষণ কৰি ব্যক্তিত্বৰ ওপৰত প্রভাৱ পেলোৱা দেখা যায়।

এইখিনিতে, এটা কথা পৰিস্কাৰ হোৱা প্রয়োজন যে এদিন বা এবাৰ তেনেকোনো অসামাজিক কামত লিপ্ত হ'লেই যে এটি শিশু অপৰাধী হ'ব তেনে নহয়। সমাজ, পৰিয়াল তথা সমগ্র পৰিবেশটোৰ বাবেই যেতিয়া শিশুৰ মনত তেনে কাৰ্য্যৰ প্রতি গভীৰ আসক্তি বা অনুৰাগৰ সাঁচ বহিব; তেনে কাৰ্য্যৰ প্রতি এটি প্রৱণতাই সেই মনক গ্রাস কৰিব, তেতিয়াহে তেনে শিশুক অপৰাধী শিশু বুলি কোৱা হ'ব।

বৰ্তমান সুস্থ যুৱ-মানসিকতাৰ বাবে প্রত্যাহ্বান

হিচাপে মূৰ দাঙি উঠা অপৰাধপ্ৰবণতা নিৰ্মূল কৰাৰ বাবে সাধাৰণভাৱে কিছুমান উপায় অবলম্বন কৰিব পৰা যায়। এই উপায়সমূহ হৈছে—ঘৰুৱা পৰিবেশত পিতৃ-মাতৃৰ তত্ত্বাবধান, স্কুলীয়া শিক্ষা, বিভিন্ন সংগঠনমূলক অনুষ্ঠান, চৰকাৰী বিধি ব্যৱস্থা, চিকিৎসা সেৱা, জন-মানসৰ সেৱা। এইকেইটা দিশৰ পৰা অপৰাধসমূহক নিৰ্মূল কৰিব পৰা যায়। ঘৰুৱা পৰিবেশকে আমি প্ৰধানকৈ অপৰাধপ্ৰবণতা নাশ কৰা মূল উপায় বুলি ক'ব পাৰো। সেইবাবে অভিভাৱক আৰু পিতৃ-মাতৃসকলে ঘৰুৱা পৰিবেশ সদায় শান্তি কৰি ৰাখিব লাগে। যাতে ঘৰখনত সুখ শান্তি বিৰাজ কৰে। তেওঁলোকে নিজৰ ল'ৰা-ছোৱালীৰ মনতো আত্মবিশ্বাসৰ ভাৱ জগাই তোলাৰ বাবে চেষ্টা কৰিব লাগে। পিতৃ-মাতৃয়ে ল'ৰা-ছোৱালীৰ লগত বন্ধুত্বৰে সৌহাৰ্দ্যপূৰ্ণ ব্যৱহাৰ কৰা উচিত। ল'ৰা-ছোৱালীক মুক্ত ভাৱে কথা কোৱাৰ সুবিধা পিতৃ-মাতৃয়ে দিব লাগে। ল'ৰা-ছোৱালীৰ ওপৰত পিতৃ-মাতৃয়ে সদায় এক পৰ্যবেক্ষণ দৃষ্টি ৰখা উচিত আৰু পৰিয়ালৰ মাজত ভুল বুজাবুজি দূৰ কৰিবলৈ যত্ন কৰিব লাগে।

ছাত্ৰ-ছাত্ৰীৰ মানসিক দিশৰ ওপৰত স্কুলীয়া পৰিৱেশেও যথেষ্ট বাতাবৰণৰ সৃষ্টি কৰে। শিক্ষকসকলে ছাত্ৰ-ছাত্ৰীক কেৱল শিক্ষাদান কৰাতে ব্যস্ত নাথাকি মৰম, সহানুভূতিৰে শিক্ষাৰ্থীৰ মানসিক উৎকৰ্ষতাৰ ওপৰতো গুৰুত্ব দিব লাগে।

আন আন সুসংগঠিত অনুষ্ঠানৰ দ্বাৰাও আমি এই বিলাক নিৰ্মুল কৰিব পাৰো। সামাজিক নাটসমূহত আমি এনেধৰণৰ চৰিত্ৰৰ সন্নিবেশ ঘটাব লাগে যাৰ দ্বাৰা ছাত্ৰৰ মনৰ সুবিকাশ হয় আৰু অনৈতিকতা দূৰ হয়।

আনহাতে, মনোবিশেষজ্ঞ আৰু চিকিৎসকসকলৰ দ্বাৰাও এই অপৰাধপ্ৰবণতা দূৰ কৰিব পৰা যায়।

ছাত্ৰ-ছাত্ৰী হৈছে এখন ৰাষ্ট্ৰৰ সম্পদ। গতিকে ছাত্ৰ ছাত্ৰীৰ ক্ষেত্ৰত সামাজিক ৰক্ষনাবেক্ষণবো প্ৰয়োজন। তাৰ কাৰণে বিভিন্নধৰণৰ সামাজিক কল্যাণমূলক অনুষ্ঠান আদি পতা উচিত।

অপৰাধপ্ৰবণতা এটা সামাজিক ব্যাধি আৰু সমাজৰ সকলোস্তৰৰ লোকেই এই ব্যাধি মষিমুৰ কৰাত অৰিহনা যোগাব পাৰে। উঠি অহা চামক এক সৰ্বাংগ সুন্দৰ পৰিবেশত গঢ় দিবলৈ সুযোগ দিয়াটোৰ ওপৰতে অপৰাধপ্ৰবণতা নোহোৱা কৰাৰ সফলতা নিৰ্ভৰ কৰিছে। সেই পৰিবেশ গঢ়াৰ দায়িত্ব সকলোৰে, পিতৃ-মাতৃ, অভিভাৱক, শিক্ষক, চিকিৎসক, প্ৰতিবেশী, চাকৰিয়াল বা জীৱিকাৰ আলম যোগোৱা ব্যক্তি বা প্ৰতিষ্ঠান আৰু চৰকাৰৰ।

উপসংহাৰত আমি ক'ব পাৰো যে, পিতৃ-মাতৃ আৰু শিক্ষকৰ প্ৰধান কৰ্তব্য হৈছে, ল'ৰা-ছোৱালীক সুশিক্ষা দান কৰা আৰু চৰিত্ৰৰ উপযুক্ত বিকাশ কৰা যাতে প্ৰতি শিশুৱে ভৱিষ্যতে এজন উপযুক্ত নাগৰিক হিচাপে থিয় দিব পাৰে।

গতিকে, এই সুমহান লক্ষ্যত উপনীত হ'বলৈ হলে শিশুৰ দেহ-মনক প্ৰভাৱান্বিত কৰিব পৰা সকলো ব্যক্তি, শিক্ষানুষ্ঠান, সমাজ আৰু চৰকাৰে শিশুৰ নিচেই শৈশৱ কালৰে পৰা সুপৰিকল্পিতভাৱে কাৰ্য্যসূচী পালন কৰিব লাগিব। ✶

* প্ৰবন্ধটি শিক্ষা বিভাগৰ দ্বাৰা আয়োজিত আলোচনাচক্ৰত পঠিত

## বিচিত্ৰ বাৰ্তা

**সাহসী ল'ৰা**— ডেনমাৰ্কৰ জন পেতাৰছন নামৰ এটি পাঁচ বছৰীয়া ল'ৰাই অলপতে তুবাৰ ২,৫০০ মিটাৰ ওপৰৰ পৰা পেৰা-ছুটৰ সহায়ত জপিয়াইছে। ল'ৰাজনে জপিওৱাৰ সময়ত তেওঁৰ পিতৃও কাষতে আছিল।

সংগ্ৰাহক— পূৰবী বৰগোঁহাই

# বিজ্ঞান বনাম কলা

ফুনুকুমাৰ ডেকা
স্নাতক, ২য় বাৰ্ষিক, (বিজ্ঞান শাখা)

প্ৰাচীন যুগৰ পৰাই বিজ্ঞান আৰু কলাৰ ধাৰা দুটা একেলগে বৰ্ত্তমানলৈকে বৈ আহিছে। কিন্তু মাজে সময়ে এই ধাৰা দুটিৰ দিশ সলনি হোৱা পৰিলক্ষিত হয়। বৰ্ত্তমানেও ইয়াৰ কোনো ব্যতিক্ৰম নহয়। এই ধাৰা দুটিক লৈ এতিয়াও বিতৰ্কৰ সৃষ্টি হোৱা দেখা যায়।

বিজ্ঞান বুলিলে কেৱল যুগ যুগ ধৰি বৈজ্ঞানিক সকলে আৱিস্কাৰ কৰা যন্ত্ৰপাতিবোৰকে নুবুজায়, নাইবা দুই এখন উপন্যাস বা গল্প কিতাপ ৰচনা কৰাকেই কলা নুবুজায়। ইয়াৰ একোটা ব্যক্তিগত সত্বা আৰু ঐতিহ্য আছে। এই দুয়োটাৰে মাজত এটা উমৈহতীয়া সম্বন্ধ আছে, মাথো একেখন নদীৰে দুটি ধাৰা।

কিন্তু এচাম পণ্ডিতে দকৈ চিন্তা নকৰাকৈয়ে বিজ্ঞান আৰু কলাৰ মাজত পাৰ্থক্যৰ উদ্ভাৱন কৰিছে। তেওঁ লোকে কৰ বিচাৰে যে বিজ্ঞান হৈছে বুদ্ধি আৰু কলা হৈছে সৃষ্টি ধৰ্মী। তেওঁলোকৰ মতে বিজ্ঞান বিষয়টো হৈছে বাস্তৱ আৰু অনাধ্যাত্মিক আৰু কলা বিষয়টো হৈছে আধ্যাত্মিক আৰু অনুভূতিপ্ৰৱন। এনে ধৰণৰ মতবাদ বোৰে সাধাৰণতে ৰাণী ভিক্টোৰিয়াৰ যুগৰ খৃষ্টীয়ান ধৰ্মৰ লগত জড়িত থকা এচাম ভুৱা পণ্ডিতৰ আছিল।

প্ৰাচীন কালৰে পৰাই বিজ্ঞান আৰু কলাই একেটা গতিপথতেই চলি আহিছে। দৰাচলতে এই বিজ্ঞান আৰু কলা একেটা মুদ্ৰাৰে ইপিঠি আৰু সিপিঠি। মহান পণ্ডিত ব্যক্তিসকলে বিজ্ঞান আৰু কলাৰ মাজত এক নিবিড় সম্বন্ধ স্থাপন কৰিছে, য'ত তেওঁলোকে দুয়োটা বিষয়তে তৃপ্তি পায়। ইতিহাসে কয় যে বিজ্ঞান বিষয়ত জ্ঞান সম্পন্ন লোকসকলৰ কলাৰ দিশতো সম্পূৰ্ণৰূপে জ্ঞান আছিল। উদাহৰণ স্বৰূপে এৰিষ্টট'ল, লিউনাৰ্ডো-ডা-ভিঞ্চি, আইনষ্টাইন আদি পণ্ডিতসকলৰ নাম উল্লেখ কৰিব পাৰি। এই ক্ষেত্ৰত এটা কথা উমৈহতীয়াভাৱে কৰ পাৰি যে জ্ঞান বিষয়টোৰ বিজ্ঞান আৰু কলা দুটা শাখাহে মাথো। কোনো এজন ব্যক্তিৰ কেৱল বিজ্ঞানৰহে প্ৰতিভা নাইবা কেৱল মাত্ৰ কলাৰহে প্ৰতিভা আছে বুলি ভৱাটো যুক্তিযুক্ত নহয়। বৈজ্ঞানিক প্ৰতিভা, কলাসুলভ প্ৰতিভা আৰু সাহিত্যিক প্ৰতিভাৰ মাজত পাৰ্থক্য আনিবলৈ যোৱাটো ভূল ধাৰণা।

বিজ্ঞানক অৱহেলা কৰিলেহে কলাৰ যথোচিত উন্নতি হ'ব বা কলাক অৱহেলা কৰিলেহে বিজ্ঞানৰ উন্নতি হ'ব, এইটো এটা হাস্যপদ কথাৰ বাহিৰে আন একো নহয়। এই ক্ষেত্ৰত এৰিষ্ট'টল, লিউনাৰ্ডো-ডা-ভিঞ্চি আদি পণ্ডিতসকলৰ যথেষ্ট অৱদান আছে। তেওঁলোকে বিজ্ঞান আৰু কলা উভয় বিষয়তে যথেষ্ট বৰঙণি আগবঢ়াইছিল। বিশেষকৈ এলিজাবেথীয় আৰু ৰেষ্টুৰেচন যুগত ইংলেণ্ডত বিজ্ঞান আৰু কলা উভয়ে প্ৰভূত পৰিমানে উন্নতি লাভ কৰিছিল। সেই সময়ত কলাকাৰ আৰু সাহিত্যিকসকলক বিভিন্ন বৈজ্ঞানিকৰ কাৰ্য্যাৱলী আৰু অৱদানসমূহে বাৰুকৈয়ে উৎসাহ আৰু অনুপ্ৰেৰণা যোগাইছিল।

এইদৰে দেখা যায় যে বিজ্ঞান আৰু কলা দুয়োটা পৰস্পৰ বিৰোধী নহয় নাইবা এটাই অন্যটোৰ বিকাশত বাধাও নজন্মায়। দুয়োটাৰ মাজত থকা সম্পৰ্কৰ কাৰণ হিচাপে কবলৈ হলে সাধাৰণ মানুহক দুয়োটাৰ বিষয়ে বুজাবলৈ এটা সাৰ্বজনীন ভাষা বা দৃষ্টিভঙ্গীৰ অভাৱৰ কথাকেই কৰ পৰা যায়। সেয়ে বিজ্ঞান আৰু কলাৰ মাজত যোগসূত্ৰ স্থাপন কৰিবলৈ হলে ইয়াৰ মাজত পাৰ্থক্য আছে বুলি থকা ভ্ৰান্ত ধাৰণাটো সাধাৰণ মানুহৰ মনৰ পৰা আতৰাব লাগিব। ইয়াৰ বাবে উপযুক্ত শিক্ষা ব্যৱস্থা অতীৱ প্ৰয়োজন। এই উপযুক্ত শিক্ষা ব্যৱস্থাৰ দ্বাৰাহে বিজ্ঞান আৰু কলাৰ মাজত থকা পাৰ্থক্যৰ ভূল ধাৰণা নিৰ্মুল কৰি দুয়োটা বিষয়ত সাধাৰণ যোগ-সূত্ৰ স্থাপন কৰি উন্নতিৰ বিকাশ সাধন কৰিব পৰা যাব।

★ জেকব ব্ৰোনোস্কিৰ "চাইন্স চেন্‌চিবিলিটি" পাঠৰ আধাৰত।

# গছ, পাত, শিপা ইত্যাদি

পৱন চন্দ্ৰ গগৈ
প্ৰবক্তা, শিক্ষা বিভাগ

যা যা যা যা পখী দূৰলৈ
উৰি উৰি উৰি যা নীলা আকাশলৈ
ঘূৰি ঘূৰি ঘূৰি চা মোৰ পথাৰলৈ··

—সুৰুচি সম্পন্ন মিঠাসুৰীয়া গায়ক ঋতুৰ্পণ শৰ্মাই গোৱা এটি গীতৰ ভাষাৰে এই লেখাৰ পাতনি মেলিছো। নীলা আকাশলৈ উৰি যোৱা জাক জাক গান গোৱা চৰাইৰ স'তে আকাশ-মাটি, পথাৰ সমাৰ, বায়ু-পানীৰ যি আজন্ম সম্বন্ধ, মানুহৰ লগতো ইয়াৰ আকাশ মাটি, পথাৰ সমাৰ, সেউজীয়া গছ গছনিৰ একে সম্বন্ধ। প্ৰত্যেক চৰায়ে গায় গান -প্ৰত্যেক চৰাইৰ বুকুতে আছে গান-- মানুহেও গায় গান-- মানুহৰ বুকুতো আছে গান-- সুখৰ-দুখৰ-পোৱা-নোপোৱাৰ গান! নীলা আকাশৰ বহু ওপৰলৈ উৰি উৰি যাওঁতে অতিকে আপোন পথাৰখনিলৈ ঘূৰি ঘূৰি চাবলৈ জনোৱা গীতিকাৰৰ আহ্বান, তাৰ অন্তৰালত থকা দৰদী অনুভৱেই এই লেখাচিন্তাৰ যেন মূৰ্ত্ত প্ৰকাশ। এই লেখাৰ পেৰণা।

জনজাতি অধ্যুষিত এই অঞ্চলত ক্ৰমবৰ্দ্ধমান উদ্যোগ-নগৰী, ব্যৱসায়-বাণিজ্যৰ প্ৰত্যেক্ষ পৰোক্ষ প্ৰভাৱ, ইয়ালৈ কৰ্ম্মজীৱনৰ দায়ত অহা বিভিন্ন ভাষা-ভাষী, ৰুচিভিন্ন মানুহৰ সংস্পৰ্শই জাগীৰোডক দিব খুজিছে যেন এটা নৱসাজ। সংস্কৃতিৰ (Material Culture) লগত ইয়াৰ বোকামাটি, সেউজীয়া গছ-গছনিৰ স'তে বান্ধ খাই থকা উশাহ-নিশাহ, ভাৱ-চিন্তা আদিয়ে মানুহৰ পুৰাতন-চিৰ-পুৰাতন অ-পাৰ্থিৱ সংস্কৃতিৰ (Non-material Culture) মাজত আজি সংঘাত ননাকৈ থকা নাই। সামাজিক সাংস্কৃতিক পৰিৱেশটোৰ পৰিবৰ্তন আৰু পৰিবৰ্দ্ধনৰ



প্ৰক্ৰিয়াটো হয়তু এনেবোৰ সংঘাতৰ মাজেৰেই লালিত-পালিত হব লাগিব। দেশৰ বাকী অংশবোৰৰ লগতে এই অঞ্চলৰ মানুহো নিশ্চয় এনে প্ৰভাৱৰ পৰা সাৰি যাব নোৱাৰিব। আকাশলৈ উৰি যোৱা উৰণীয়া পখীৰ দৃষ্টি যদি পথাৰলৈ এবাৰ নপৰে - পৰিবৰ্ত্তনৰ আলি-দোমোজাত মানুহেও যদি এবাৰ নিজৰ প্ৰাণময়-মধুময় সংস্কৃতিৰ পথাৰখনলৈ এবাৰ উভতি নেচায়-- তেনে পৰি-বৰ্ত্তনে মানুহ কিয় মানুহৰ বাসৰ জগতখনিকে অস্থিৰ কৰি তুলিব পাৰে ! এনেবোৰ চিন্তাই নতুন প্ৰজন্মৰ বাবে বিকাশৰ বাধা হৈ এসময়ৰ প্ৰগতিৰ পথতে হেঙাৰ হৈ ঠিয় দিব পাৰে। মানুহে ৰচা পথে মানুহকে আগচি ধৰিব পাৰে!

এই আলোচনাত এই অঞ্চলৰ লোকগীত, লোকনৃত্য তথা আধুনিক শিল্পকলা চৰ্চাৰ এটি পৰিপূৰ্ণ বিবৰণ দিবলৈ এই লেখক অপাৰগ। আজি ছয়/সাত বছৰৰ পৰা দেখি অহা ইয়াৰ সাংস্কৃতিক সমল, আধুনিক সংগীত কলাৰ প্ৰকাশ-বিকাশৰ যি সামান্যতম নিদৰ্শন ইয়াত

বিৰাজমান সেইবোৰৰ ওপৰতে এটি চমু আভাস দিবলৈ যত্ন কৰা হৈছে।

নিচেই চকুৰ আগতে থকা মাৰ্কাংকুচি টিৱা কৃষ্টি সংঘৰ নৃত্যগীত জাগীৰোডৰ সকলো মানুহে দেখিছেনে নাই নাজানো। প্ৰাণময় নৃত্যগীতৰ সাধনালব্ধ চানেকি তেখেতসকলৰ নৃত্যকলাত যেন প্ৰকাশ পায়। ইয়াতেই হয়তু হেৰাই যাব খোজা অনুপম সৌন্দৰ্য্য কলাক ধৰি ৰাখিবলৈ তেখেতসকলে প্ৰয়াস কৰে। চাৰাং কুচি, ভোমোৰা গুৰিৰ টিয়া কৃষ্টি সংঘ, দিকচাক আৰু বাক্ষৰ পলাচোং আদি ঠাইৰ কাববি কৃষ্টি দলৰ নৃত্যগীতও দেখিছো। হাওলাভেটি বড়ো কৃষ্টি সংঘৰ 'বাগৰুম্বা' নৃত্য দেখি যিকোনো ভাৰতীয় নেলাগে বিদেশী লোকৰো মন জুৰ পৰিব। ইয়াৰ নতুন গাঁৱৰ ৰাইজে পতা গোভাদেওবজা ৰঙালী বিহু, বাক্ষৰ বিহুতলীলৈ আহি গীত-নৃত্যৰ মাজত আপোন পাহৰা হোৱা জনজাতি প্ৰাণৰ সংস্কৃতি প্ৰেম উপলব্ধি কৰিব পাৰিলে প্ৰাচুৰ্য্যৰ মাজত নিজকে হেৰাই যোৱা যেন লাগিব। মাটিৰ ধৰণীৰ সতে নিবিড়ভাৱে সংলগ্ন, তেজ-পানীৰ লগত একীভূত এই সৌন্দৰ্য্যৰাশি জাগীৰোডৰ সংস্কৃতি চৰ্চাৰ আহিলা হোৱা উচিত।

জাগীৰোডত ভালেকেইখন বিহুতলি আছে। বিহুতলি আছে পৰিবেষ্টিত জনবসতিৰ সমাজবোৰতো। বছৰেকীয়া উৎসৱ বুলি অসমীয়াৰ আদৰৰ বিহুটো জাগীৰোডবাসীয়ে আন্তৰিকতাৰে আদৰে। পশ্চিম নগাঁও, পলাহগুৰি, নেলী, জাগীভকতগাঁও আদিতো বিহু অনুষ্ঠানৰ নামত হাজাৰ জন অসমীয়াই বছৰত এবাৰ হলেও নিজৰ সংস্কৃতিৰ তেজ-সনা শৰীৰটো চাই হেপাহ পলুৱায়। এইখিনিতে উল্লেখ নকৰি নোৱাৰিলো যে, জাগীৰোডত পোন প্ৰথমবাৰৰ বাবে টোকাৰী গীতৰ অনাতাঁৰ শিল্পী যত্ন খনিকৰ আৰু জাগীৰোড কলেজৰ প্ৰবক্তা হেমকান্ত চুতীয়াৰ নেতৃত্বত প্ৰায় ৪০ গৰাকীমান বিহুৱলীয়া ডেকা গাভৰুৱে যোৱা বহাগত জাগীৰোডত ঘৰে ঘৰে হুচৰী গাই, বিহু গাই গিৰিহঁতক বছৰৰ আশীৰ্ব্বাদ দি এক অভিলেখ স্থাপন কৰিছিল। এনে নিয়ম আগতে কেতিয়া হৈছিল এই লেখকৰ অজ্ঞাত।

সংগীত শিল্প কলা শিক্ষাৰ ক্ষেত্ৰত একমাত্ৰ অনুষ্ঠান 'সুৰ দেউলে' কণ্ঠসংগীত, তবলাৰ ওপৰিও কথক আৰু সত্ৰীয় নৃত্য চৰ্চা তথা সুকুমাৰ কলাৰ অনুশীলনৰ এটি নিয়মীয়া ব্যৱস্থা ৰাখিছে। প্ৰায় ২০০ গৰাকী ছাত্ৰ-ছাত্ৰীয়ে ইয়ালৈ ইবিলাকৰ চৰ্চাৰ বাবে অহাটোত অভিভাৱক সকলৰ শলাগ নিশ্চয় স্বীকাৰ্য্য।

কলামন্দিৰ এটি জাগীৰোডত প্ৰতিষ্ঠা হৈছে। অলপ ত চৰকাৰে ৩,৬৫,০০০ হেজাৰ টকা দান দিয়া 'বিষ্ণুজ্যোতি ৰংগমঞ্চ' হৈ উঠিলে জাগীৰোডৰ সংস্কৃতি বিকাশৰ এটি ডাঙৰ অভাৱ পূৰণ হব যেন লাগে। তৰুণ তালুকদাৰৰ একক প্ৰচেষ্টাত জাগীৰোড নাট্যগোষ্ঠীয়ে প্ৰায় প্ৰতিবছৰে একোখনকৈ সামাজিক নাট জাগীৰোডবাসীক উপহাৰ দিয়াৰ ওপৰিও, সদৌ অসমৰ প্ৰতিযোগিতাতে পুৰস্কাৰ বুটলিবলৈ সক্ষম হোৱা কাৰ্য্যই ইয়াৰ নাট্য চৰ্চাৰ এটি গতিশীল ৰূপ প্ৰতিফলিত কৰে। এইক্ষেত্ৰত পুৰণিসকলৰ লগতে নতুন চাম শিল্প অনুৰাগী যুৱক যুৱতী সমানে আগবাঢ়ি অহাটো সকলোৰে কাম্য।

হিন্দুস্তান কাগজ নিগমৰ অৱসৰ বিনোদন ক্লাবৰ বছৰেকীয়া অনুষ্ঠান উপলক্ষে পতা বিভিন্ন সংগীত কলাৰ প্ৰতিযোগিতাত নতুন মুখৰ শিশুসকলৰ অংশগ্ৰহণ উৎসাহ জনক। ইয়াৰোপৰি বছৰেকীয়া অনুষ্ঠানৰ নামত বিভিন্ন ক্লাব প্ৰতিষ্ঠানে পতা সাংস্কৃতিক সন্ধিয়াবোৰত সুৰুচিপূৰ্ণ অতিথি শিল্পীৰ আগমনে জাগীৰোডৰ নতুন চাম কলা প্ৰেমীক প্ৰেৰণা যোগাবই লাগিব।


আজিৰ জটিল সমাজখনত সুস্থ সাংস্কৃতিক আন্দোলন এটাৰ প্ৰয়োজন অধিক। শেহতীয়াকৈ সদৌ ভাৰত জোৰা নেহেৰু শতবাৰ্ষিকীত ভাৰতৰ বিভিন্ন ৰাজ্যৰ সাংস্কৃতিক গীত-নৃত্যৰ পৰিবেশনে ইয়াৰ মূল্যৰ প্ৰতি জনসাধাৰণৰ আকৰ্ষণ বৃদ্ধি কৰাত অৰিহণা যোগোৱা যেন লাগে। অন্য ৰাজ্যৰ তুলনাত অসমত শিল্পীৰ মূল্য নগন্য হোৱা কথাটোৱে উঠি অহা চামলৈ হতাশা আনিব পাৰে।

এইখিনিতে বোধকোৰো এই দশকটোৰ ভিতৰতে প্ৰথম বাৰৰ বাবে জাগীৰোডত পতা 'ওজাঢুলীয়া প্ৰতিযোগিতা আৰু বিহু নাচনী প্ৰতিযোগিতা' (অসম ভিত্তিত প্ৰকৃতা-


র্থত নহলেও ) এই অঞ্চলৰ বাবে প্ৰেৰণাদায়ক। তেনেদৰে শংকৰী কলা কৃষ্টিৰ ক্ষেত্ৰত নখোলা পলাচোং গাঁৱৰ ভাওনা লেখত লব লগা । গাঁৱৰ কিছুমান ঠাইত ডাঙৰ নামঘৰ দৃষ্টিগোচৰ হৈছে যদিও এই সম্পৰ্কে লেখিবলৈ এই লেখকৰ হাতত সমল নাই ।

বিহঙ্গম দৃষ্টিৰে জাগীৰোডৰ সংগীত কলা চৰ্চাৰ এটি চমু আভাস দাঙি ধৰা হ'ল । উল্লিখিত প্ৰায়বোৰ ব্যক্তি অনুষ্ঠানক কেতিয়াবা আঁতৰৰ পৰা, কেতিয়াবা ওচৰৰ পৰা স্পৰ্শ কৰাৰ সৌভাগ্য হৈছে । এইখিনিতে এটা কথা নিশ্চয় স্বীকাৰ কৰিব লাগিব যে, এই অঞ্চলৰ অতিকে অনুপম লোক-সংস্কৃতি তথা প্ৰতিভাধৰ বহু ব্যক্তি সিচঁৰিত হৈ আছে যদিও যত্ন কৰি ইবিলাক বুটলি আনি জন-সমাজত প্ৰচাৰ কৰাৰ উদ্যোগ লওঁতাৰ আজি অভাৱ । স্বৰ্গীয় ব্ৰহ্মানন্দ বড়োৰ নেতৃত্বত গঢ় লোৱা শিলচাঙ অঞ্চলৰ সাংস্কৃতিক দলে কেইবাবছৰৰ আগতে দিল্লীত গৈ যি নৃত্য-গীত পৰিবেশন কৰিছিল—তাৰ পিচত এই অঞ্চলৰ পৰা তেনে কোনো অভিলেখ সৃষ্টিকাৰী ব্যক্তি, সংগঠন ওলোৱা নাই ।

আমি আশাবাদী। এতিয়া নতুন চাম ডেকা-গাভৰুৱে নিজৰ কৃষ্টি সংস্কৃতিক আকোৱালী লব। বৈজ্ঞানিক দৃষ্টি ভঙ্গী তথা আধুনিকতাৰ সাজেৰে সজাই-পৰাই অসম তথা ভাৰতৰ মঞ্চত পৰিবেশন কৰি অঞ্চলটোলৈ নতুন পোহৰ আনিবলৈ সক্ষম হ'ব । এই আশা আমাৰ বুকুত সদায়ে আছে । আমি পৰিবৰ্ত্তন আৰু উত্তৰণৰ আকৰ্ষণতহে এই মহাবিদ্যালয়খনিৰ ছাত্ৰ-ছাত্ৰীসকলৰ লগত একাত্ম ভাৱে সংগীত কলাৰ অনুশীলনত ভাগ লৈছো। কেৱল গানৰ বাবেই গানত আমি বিকৰ্ষিত । ●



# গ্ৰন্থাগাৰ সেৱাৰ ওপৰত এভুমুকি ঃ





বাবুল মালাকাৰ
গ্ৰন্থাগাৰীক

জ্ঞান আহৰণৰ প্ৰতি থকা হাবিয়াস মানুহৰ সহজাত প্ৰবৃত্তি। শৈক্ষিক উন্নয়ন জীৱনৰ লক্ষ্য। গ্ৰন্থ সমূহ জ্ঞান আৰু শিক্ষা আহৰণৰ প্ৰধান অস্ত্ৰ। গ্ৰন্থাগাৰ সমূহ এই অস্ত্ৰৰ ভড়াল। কিন্তু কেৱল গ্ৰন্থৰ ভড়াল বুলিয়েই যদি গ্ৰন্থাগাৰ সমূহক কোৱা হয়; তেনেহলে ভুল কৰা হব।

গ্ৰন্থাগাৰ হ'ল-- পাঠকৰ সুবিধাৰ বাবে প্ৰণালীবদ্ধভাবে সংৰক্ষণ কৰি ৰখা বিভিন্ন নথিপত্ৰ আৰু গ্ৰন্থৰ ভড়াল; (Library is a Collection of books and documents arranged in a systemctic way for the effective use of readers) বিশেষকৈ চাৰিটা কাৰণত মানুহে গ্ৰন্থ অধ্যয়ন কৰে। সেই কাৰণ কেইটা হ'ল—

১) জ্ঞান আহৰণ,
২) জিবণি বা আজৰি সময় ব্যৱহাৰৰ সুবিধা,
৩) উৎসাহ উদ্দীপনা পাবৰ বাবে; আৰু
৪) তথ্য পাতি সংগ্ৰহ।

নিৰ্জনতা বা বিৰতিৰ পৰা ৰক্ষা পাবলৈ কিতাপেই উৎকৃষ্ট মাধ্যম। এনে অভ্যাসে মানুহক অনেক অসৎ প্ৰবৃত্তিৰ পৰা আঁতৰাই ৰাখে। কিছুমান গ্ৰন্থই মানুহৰ জীৱনৰ গতিকেই সলনি কৰি দিয়ে। আমাৰ অসমীয়া সাহিত্যিক হোমেন বৰগোহাঞি দেৱে কৈছে যে তেখেতৰ 'আত্মহত্যা' নামৰ গল্পটি পঢ়ি এজন অন্তৰঙ্গ বন্ধুৱে আত্মহত্যা কৰিলে। অন্যহাতে একোখন ভাল গ্ৰন্থই অনেক চৰিত্ৰহীন মানুহক দুস্কৃতিৰ অন্ধকুপৰ পৰা জীৱনৰ প্ৰকৃত পথলৈ তুলি আনে। টলষ্টয়ৰ 'Resurrection,' উইলচনৰ 'Saint Alena,' বীণা বৰুৱাৰ 'সেউজী পাতৰ কাহিনী; আদিয়ে মানুহৰ জীৱন, মানৱতা আদি গভীৰ ভাবে উপলব্ধি কৰোৱায়। ৰিচাৰ্ড এম, লুবেলিনৰ 'How green was my valley,' এন ফ্ৰাঞ্চৰ 'Diary,' টলষ্টয়ৰ 'war and peace,' আদি গ্ৰন্থই একোটা সভ্যতাৰ একোখন সমাজৰ ছবি দাঙি ধৰে।

কিছুমান গ্ৰন্থই পাঠকক দুঃসাহসিক কাম কৰিবলৈ উৎসাহ উদ্দীপনা যোগায়। একোখন ভাল গ্ৰন্থ আজীৱন ভাল বন্ধু। একোখন ভাল গ্ৰন্থই একোজন মহান ব্যক্তিৰ ধ্যান-ধাৰণা, চিন্তা-চৰ্চাক সমাজৰ আগত দাঙি ধৰে। এনে গ্ৰন্থৰ পৰা শিকিবলগীয়া, জানিবলগীয়া বহু কথাই থাকে।

একোটা নিৰ্দিষ্ট বিষয়ৰ ওপৰত খৰচি মাৰি জানিবলৈ 'Encyclopaedia' বিলাকে কম সহায়ক গ্ৰন্থ নহয়! 'মহাত্মা গান্ধী কোন? জৰ্জ বুশ্ব কোন? হিমালয় পৰ্বত কোন দেশত অৱস্থিত?' এই ধৰণৰ প্ৰশ্ন সমূহৰ উত্তৰ দিব পৰা আটাইবোৰ গ্ৰন্থ 'তথ্য আৰু গ্ৰন্থাগাৰ (Library and information Centre) সমূহে সংগ্ৰহ কৰি ৰাখে। গ্ৰন্থাগাৰ সমূহৰ অবিহনেতো আজি-কালিৰ গৱেষণা জগত' খনৰ কথা কল্পনাই কৰিব নোৱাৰি।

সাধাৰণতে গ্ৰন্থাগাৰ সমূহে পাঠকক বিধিগত (formal) শিক্ষা আহৰণতহে সহায় কৰে আৰু অবিধিগত (informal) শিক্ষা প্ৰদান কৰে। আমি ইয়াতে প্ৰধানকৈ মহাবিদ্যালয় গ্ৰন্থাগাৰ সমূহৰ কথাহে আলোচনা কৰিম।

তাকে কৰিবলৈ যাওঁতে গ্ৰন্থাগাৰ সমূহে কেনেকুৱা বাস্তব সমস্যাৰ সন্মুখীন হব লগীয়া হয় এনে ধৰণৰ কথাবোৰহে আলোচনা কৰিম।

কেৱল নিয়মীয়াকৈ শ্ৰেণীসমূহ চলি থাকিলেই মহাবিদ্যালয়ত প্ৰকৃত শৈক্ষিক বাতাবৰণ একোটাৰ সৃষ্টি হব নোৱাৰে; যদিহে তাত উপযুক্ত গ্ৰন্থাগাৰ একোটাৰ ব্যৱস্থা কৰা নহয়। এনে বাতাবৰণ একোটাৰ সৃষ্টি কৰাত গ্ৰন্থাগাৰ একোটাৰ ভূমিকাৰ কথা এষাৰতে কবলৈ টান লাগে। শ্ৰেণীত শিক্ষক সকলে একোটা নিৰ্দিষ্ট বিষয়ৰ ওপৰত বক্তৃতা দিওঁতে এক নিৰ্দ্ধাৰিত সময়ৰ ভিতৰত দিবলগীয়া হয় বাবে বিষয়টোৰ ওপৰত থুলমূল ধাৰণাহে দিব পাৰে। গতিকে বিষয়টোৰ ওপৰত বিতংভাবে জানিবলৈ গ্ৰন্থাগাৰ সমূহে সেই বিষয়ক বিভিন্ন গ্ৰন্থ, আলোচনী, বাতৰি কাকত আদি যোগান ধৰি ছাত্ৰ-ছাত্ৰী সকলৰ এই আধৰুৱা জ্ঞান পূৰ্ণ কৰোৱাত সহায় কৰে। শিক্ষাৰ মৌলিক লক্ষ্যই হৈছে জ্ঞান আহৰণ তথা জ্ঞানৰ বিশালতা আৰু বিভিন্নতাৰ সৈতে পৰিচয় কৰাই দি ছাত্ৰ-ছাত্ৰীৰ ব্যক্তিত্বৰ বিকাশ সাধন কৰা।

এনেধৰণৰ শিক্ষাদানৰ ক্ষেত্ৰত গ্ৰন্থাগাৰৰ প্ৰয়োজনীয়তা অপৰিহাৰ্য।

শিক্ষক সকলেও তেওঁলোকে নজনা অনেক কথা গ্ৰন্থাগাৰলৈ গৈ সংগ্ৰহ কৰি লব পাৰে। গ্ৰন্থ সম্বন্ধীয় বিভিন্ন কথা সুধি গ্ৰন্থা গাৰিকক বিপাঙত পেলাব পাৰে, পেলাব লাগে। পৃথিৱীত দিনে দিনে নতুন নতুন তথ্য; নতুন নতুন বিষয়ৰ আবিষ্কাৰ হবলৈ ধৰিছে। বিশ্বজ্ঞানৰ ভাণ্ডাৰটিৰ ইমান ব্যাপক ভাবে বিস্ফোৰণ হবলৈ ধৰিছে যে ই প্ৰতি দহ বছৰৰ মূৰে মূৰে দুগুণতকৈয়ো অধিক হৈ যায়।

গতিকে মানুহে ওৰেটো জীৱন অধ্যয়ন কৰিলেও একোটা নিৰ্দিষ্ট বিষয়ৰ এক সামান্য অংশহে জানিবলৈ সক্ষম হয়।

সেইবাবে গ্ৰীচ দেশৰ বিশ্ববিখ্যাত মনীষি প্লেটোৱে কৈছিল— "মই ইয়াকে জানো যে মই একো নাজানো।"

এনেবোৰ নানা কাৰণত মহাবিদ্যালয় সমূহত গ্ৰন্থাগাৰ একোটাৰ অবিহনে শৈক্ষিক পৰিবেশ একোটা বিচৰা মানে পৰ্ব্বতত কাচ কণী বিচৰা কথা।

সেয়েহে ১৯৬৪ চনৰ কাঠাৰী শিক্ষা আয়োগে' ভাৰত চৰকাৰক সাৱধান কৰি দি কৈছিল যে একোটা উপযুক্ত গ্ৰন্থাগাৰ অবিহনে কোনো মহাবিদ্যালয়, বিশ্ববিদ্যালয় বা কোনো শিক্ষা বিভাগ প্ৰতিষ্ঠা কৰিব নালাগে, ( ...No new University, College or any other depart ment should be set-up without taking its library needs in terms of staff, books, journals etc... )

পলমকৈ হলেও ভাৰতৰ মহাবিদ্যালয় আৰু বিশ্ববিদ্যালয় সমূহত ইতিমধ্যে একোটাকৈ গ্ৰন্থাগাৰৰ ব্যৱস্থা কৰা হৈছে। কিন্তু মহাবিদ্যালয়ৰ গ্ৰন্থাগাৰ সমূহৰ অৱস্থা অতি দুখ লগা। যি দুই চাৰিখন মহাবিদ্যালয়ত উপযুক্ত গ্ৰন্থাগাৰ ব্যৱস্থা আছে; তাতো উচ্ছৃংখল ছাত্ৰ-ছাত্ৰীৰ প্ৰকোপত না জল না স্থল অৱস্থা। গ্ৰন্থাগাৰৰৰ পঢ়া-কোঠাত বহি চিঞৰ-বাখৰ, হুলস্থূল কৰি ফুৰে। 'ডেস্ক, বেঞ্চত অশ্লীল কথা লিখে; অশ্লীল ছবি আঁকে। 'গোহাৰি পত্ৰ (Notice) নপঢ়ে। ( আটাইবোৰ ছাত্ৰ ছাত্ৰীক ইয়াৰ বাবে জগৰীয়া কৰিব নোৱাৰি।) ইয়াৰ কাৰণ হিচাপে অৱশ্যে ভেটি নোহোৱা অস্থিৰ শিক্ষা ব্যৱস্থা আৰু ঘূণে ধৰা সমাজ ব্যৱস্থাৰ কথা স্বীকাৰ কৰিও কব লাগিব যে এম ই আৰু হাইস্কুল সমূহত একোটাকৈ উপযুক্ত গ্ৰন্থাগাৰৰ ব্যৱস্থা নথকা বাবে ছাত্ৰ-ছাত্ৰী সকলৰ কিতাপ পঢ়া অভ্যাসটো গঢ় লৈ নুঠে। ফলত গ্ৰন্থাগাৰত ব্যৱহাৰ কৰিবলৈ নিশিকে। কিতাপ পঢ়াৰ অভ্যাস নাই যেতিয়া সেই ফেৰা কাম কৰি সময় কটোৱাৰ বাহিৰে অন্য উপায় কি?

প্ৰকৃততে গ্ৰন্থাগাৰ একোটা কি বস্তু? এই ধাৰণা বহুতৰেই নাই। সেইবাবে ভাৰতৰ 'হাণ্টাৰ কমিচন ( ১৮৮২ চনৰ ), 'মুদালিয়াৰ কমিচন, ( ১৯৫৩ চনৰ ) আদি শিক্ষা কমিচন সমূহে বিদ্যালয় বা স্কুল গ্ৰন্থাগাৰ স্থাপনৰ ওপৰত অধিক গুৰুত্ব দিছিল। কিন্তু বান্দৰে নাৰিকলৰ মোল নুবুজাৰ দৰে সেই আটাইবোৰ পৰামৰ্শ সময়ৰ সোঁতত ফুটুকাৰ ফেনত পৰিণত হ'ল। কিন্তু আমি এটা কথা জনা উচিত যে বিশ্বৰ বিভিন্ন দেশে খেল জগতত যেনেকৈ 'catch the young' ৰ ধ্বনি আজি তুলিছে; ঠিক

তেনেদৰে স্কুলতেই প্ৰকৃত গ্ৰন্থাগাৰ ব্যৱস্থাৰ প্ৰৱৰ্তন কৰি ছাত্ৰ-ছাত্ৰীৰ পঢ়া অভ্যাস গঢ়ি নুতুলিলে, মহাবিদ্যালয়ত আশানুৰূপ ফল পোৱা নাযায় । জুইশালাত গঢ়িলেহে কমাৰ শালত গঢ়িব পাৰি ।

গ্ৰন্থাগাৰসমূহ সূচাৰুৰূপে চলাবৰ বাবে পাঠকসকলৰ বাবে কিছুমান নিৰ্দিষ্ট নিয়মাৱলীৰ সূচনা কৰিবলগীয়া হয় । সেইবাবে দিবলগীয়া কিতাপ নিৰ্দিষ্ট সংখ্যা, সময় আদিৰ সীমা বান্ধি দিয়া হয় । কিছুমান গ্ৰন্থ, বাতৰি কাকত, আলোচনী আদি পাঠকসকলক ঘৰলৈ নিবলৈ অনুমতি প্ৰদান কৰা নহয় । বজাৰত ইবোৰৰ দুৰ্লভতা, অত্যধিক দাম, গ্ৰন্থাগাৰত যথেষ্ট সংখ্যক কপি নথকা, নাইবা পাঠকৰ সঘন প্ৰয়োজনীয়তা আদি ইয়াৰ প্ৰধান কাৰণ । কিছুমান পাঠকে (reader) এনে ধৰণৰ গ্ৰন্থ ঘৰলৈ নিবলৈ জোৰ কৰে । কেতিয়াবা কোনো কোনো শিক্ষকে গ্ৰন্থাগাৰলৈ গৈ চিঞৰি চিঞৰি ছাত্ৰ-ছাত্ৰীক পাঠদান কৰে । এনে ক্ষেত্ৰত ওচৰৰ পাঠকসকলে বিৰক্তি অনুভৱ কৰে । গ্ৰন্থাগাৰত সম্পূৰ্ণ নীৰৱতাৰ প্ৰয়োজন । ইয়াৰ উন্নতি কামনা কৰাটো পাঠক, কৰ্মচাৰী তথা কৰ্তৃপক্ষ আটাইৰে দায়িত্ব (Obligation) আছে ।

মহাবিদ্যালয়ত কেতিয়াবা কিবা উৎসৱ-পৰ্ব সভা সমিতি হলে গ্ৰন্থাগাৰৰ চকী, মেজ আদি ব্যৱহাৰ কৰা দেখা যায় । পিছত সেইবোৰ ঠিকমতে গ্ৰন্থাগাৰলৈ নাহে । অনেক মহাবিদ্যালয়ত গ্ৰন্থাগাৰিকে অধ্যক্ষৰ ওচৰত উত্থাপন কৰা সমস্যাসমূহৰ আওকান কৰি গ্ৰন্থাগাৰটোক এক এলাগী অনুষ্ঠান বুলিয়েই ভাবি থয় । এনে একুৰি এটা কাৰণত প্ৰতিখন মহাবিদ্যালয়তেই শিক্ষক, ছাত্ৰ, অধ্যক্ষ আৰু গ্ৰন্থাগাৰিকক অন্তৰ্ভুক্ত কৰি একোখনকৈ গ্ৰন্থাগাৰ কমিটি গঠন কৰা উচিত । তেতিয়াহে তেওঁলোকে গ্ৰন্থাগাৰিকে সন্মুখীন হোৱা সমস্যাসমূহৰ উপলব্ধি কৰিব পাৰিব ।

গ্ৰন্থ ক্ৰয় কৰা অভ্যাসটো এটা সু-অভ্যাস । প্ৰতিখন ঘৰত সৰুকৈ হ'লেও একোটা গ্ৰন্থাগাৰ থাকিলে কিছু পৰিমাণে হলেও ঘৰখনিত শৈক্ষিক বাতাবৰণ এটি আনি দিয়ে । কিন্তু প্ৰত্যক্ষ অভিজ্ঞতাৰ পৰা কব পাৰো যে আমাৰ শিক্ষিত চামৰ ৯০% ভাগৰে এই অভ্যাসটো নাই । আৰ্থিক অৱস্থা টনকিয়াল থকা ব্যক্তিসকলোৰো নাই । গ্ৰন্থাগাৰসমূহ সমাজৰ দুখীয়া পাঠকসকলৰ বাবে বিশেষ সহায়ক । ইয়াৰ অবিহনে বৰ্তমান শিক্ষা জগত খনৰ কথা ; সভ্য সমাজখনৰ কথা কল্পনাই কৰিব নোৱাৰি । সেইবাবেই ইতিহাসে ঢুকি নোপোৱা দিনৰে পৰা এই আন্দোলনে গা কৰি উঠিছিল যদিও উনৈশ শতিকাৰ পৰা গোটেই বিশ্বকে ভূমিকম্পৰ নিচিনাকৈ কঁপাই তুলিছে । দেশে দেশে বিভিন্ন গ্ৰন্থাগাৰ, তথ্যকেন্দ্ৰ, ডকুমেণ্টেচন কেন্দ্ৰ আদি গঢ়ি উঠিছে । ভাৰতৰ INSDOC,ICSSR, NISIET, চোভিয়েত ৰাচিয়াৰ VINITI আদি অসংখ্য এনে ধৰণৰ কেন্দ্ৰৰ উপৰিও FID, IFLA, ICA আদি অসংখ্য আন্তৰ্জাতিক কেন্দ্ৰ গঢ়ি উঠিছে । এই সেৱা আগবঢ়াবলৈ UNESCO য়ে আগবাঢ়ি আহিছে । ইতিমধ্যে ভাৰত, পাকিস্তান আদি বিভিন্ন দেশে এই সংগঠনটোৰ পৰা যথেষ্ট সুবিধা আদায় কৰিছে ।

এনে এটি যুগত আমি মহাবিদ্যালয় গ্ৰন্থাগাৰ সমূহৰ বাবে এখনি ভাল কিতাপ, এখন দামী আলোচনী, এখন বাতৰি কাকত কিনিবলৈ টকা পইচাৰ অভাৱ হোৱাটো অতি দুৰ্ভাগ্যৰ কথা ।

'ডি পি আই' অফিচৰ ফালৰ পৰা মাজে-সময়ে মহা-বিদ্যালয় গ্ৰন্থাগাৰ সমূহলৈ একুৰি,দুকুৰিকৈ গ্ৰন্থৰ যোগান ধৰা হয় । কিন্তু এই গ্ৰন্থ সমূহৰ দুই এখনৰ বাহিৰে বাকী আটাইবোৰেই নিয়খাপৰ । এনেবোৰ গ্ৰন্থই গ্ৰন্থাগাৰটোৰ ঠাই আৱদ্ধ কৰি ৰখাৰ বাহিৰে পাঠক সকলৰ একো উপকাৰ সাধন কৰিব নোৱাৰে । তাৰ পৰিবৰ্তে গ্ৰন্থাগাৰ সমূহলৈ সেইখিনি অৰ্থৰ যোগান ধৰা হলেও কৰ্তৃপক্ষই অত্যাৱশ্যকীয় গ্ৰন্থ কেইখনি মান কিনি লব পাৰিলেহেতেন ।

অসমৰ শিক্ষিত চামৰ বেছি ভাগৰেই এই 'গ্ৰন্থাগাৰ আৰু তথ্য' সেৱাৰ ওপৰত অভিজ্ঞতাৰ অভাব । নহলেনো গুৱাহাটী আৰু ডিব্ৰুগড় বিশ্ববিদ্যালয়ে তিনিবছৰীয়া স্নাতক-পাঠ ক্ৰমত প্ৰৱৰ্তন কৰা 'আধাৰ পাঠ' নামৰ পুথি খনিত এই বিষয়টোৰ ওপৰত লিখা কোনো প্ৰবন্ধ পাতি সন্নিবিষ্ট নকৰাৰ কাৰণ আৰুনো কি হব পাৰে !

দেশৰ শিক্ষা-পদ্ধতি সম্পূৰ্ণ পৰীক্ষা-নিৰীক্ষাৰ মাজতে থকাৰ দৰে 'তথ্য আৰু গ্ৰন্থাগাৰ' সেৱাও ( Library and information Service ) সম্পূৰ্ণ পৰীক্ষা-নিৰীক্ষাৰ মাজতে আছে । গতিকে তাৰ ফলাফল যিমান পৰা যায় নিৰ্ভুল ভাবে উলিওৱাৰ চেষ্টা কৰাটো আটাইৰে কৰ্তব্য । এই ক্ষেত্ৰত দেশৰ নাগৰিক সকল সজাগ হবৰ হ'ল ।

# কবিতা
# কবিতা
# কবিতা



ৰঞ্জুমনি শইকীয়াৰ কবিতা
স্নাতক, ২য়বৰ্ষ (বিজ্ঞান)

তিনিখন ছবি

ছবি কেইখন ময়েই আঁকিলোঁ।
প্ৰথমখন এগৰাকী মাতৃৰ,
যন্ত্ৰণাকাতৰ বিষাদ-মলিন ধৰ্ষিতা আইৰ
নাম থলোঁ 'নীৰৱতা'!

দ্বিতীয়খন এজন নিখুঁত অভিনেতাৰ
মুখা পিন্ধা ভদ্ৰলোকৰ,
নাম থলো 'কাপুৰুষ'!

তৃতীয়খন স্নিগ্ধ নিশা পূৰ্ণিমাৰ,
আশাবাদী কবিৰ হৃদয়ত
হেৰুৱা কবিতাৰ ছন্দ,
নাম থলো 'আশা'। ●

ইন্দ্ৰেশ্বৰ দেউৰীৰ কবিতা
স্নাতক, দ্বিতীয় বৰ্ষ (কলা)

প্ৰশ্ন

জীয়াই থাকিলেই জানো
জীৱন হব পাৰে?
গতানুগতিকতাৰ ধুমৰলিত উটি ভাঁহি
যন্ত্ৰণাদগ্ধ হোৱাটোৱেই জানো জীৱন?
সোঁতৰ বিপৰীতে সাঁতুৰিছা নে কেতিয়াবা?
যদিহে সাঁতুৰিছা
সযতনে সাঁচি থোৱা হৃদয়ৰ গভীৰত
উপলব্ধি আৰু অনুভূতিৰ তীব্ৰতা! ●

# কবিতা
# কবিতা
# কবিতা



## ৰাজুমনি শইকীয়াৰ তিনিটা কবিতা

স্নাতক, তৃতীয় বৰ্ষ (কলা)

### এমুঠি শব্দৰ বাবে

চেলামি বজাৰত শব্দ নেবেচোঁ

কাকতৰ কবিতাত
এমুঠি শব্দৰ বাবে হৃদয়ক বন্ধক থৈ
কবিতা লিখাৰ ইচ্ছা মোৰ নাই !
মানুহৰ ওঁঠৰ মাজত শব্দ পঢ়ো
নঙলা খুলি সোমাই পৰো
আইৰ বুকুত
অভিধানত নথকা শব্দ বিচাৰি ! ●

### ডালে পাতে গুটিয়ে গুটিয়ে

মোৰ বুকুৰ মাজতো সোমাই পৰিল
এথুপি সময় !
এতিয়া
মোৰ ভিতৰৰ মানুহটো
ডালে-পাতে পৰিপূৰ্ণ,
ফুলে-ফলে পুৰঠ অভিজ্ঞতা ! □

### আঘোণ

সৰিয়হ তেলৰ দ'ৰে গোন্ধায়
মোৰ ধাননিৰ ৰ'দ, যেতিয়া
থোৰ মেলা ধানৰ মাজেদি বৈ পৰে
তোমাৰ সোনোৱালী মুখ ! □

# কবিতা

# কবিতা

# কবিতা



দিনেশ বড়োৰ কবিতা

স্নাতক, দ্বিতীয় বৰ্ষ, (কলা)

## অৱদান

কিহেৰে জুখিম তোমাৰ অৱদান
শত-শ্ৰমেৰে গঢ়া তোমাৰ জীৱন !
সহজ-সৰল, নিভাঁজ প্ৰেমৰ পূজাৰী
তুমি,
দেশ আৰু মাটি
মানুহ আৰু প্ৰকৃতিৰ
ৰাজহাড় !
তোমাৰ বুকু গছকি
সিহঁতে গঢ়ে অট্টালিকাৰ প্ৰাসাদ
নেতা হয় সভ্যতাৰ
আৰু
তুমি পৰি থাকা
জুপুৰি ঘৰত, জৰাজীৰ্ণ অপৰিস্কাৰ ! □

বাবুল চন্দ্ৰ দাসৰ কবিতা

স্নাতক, দ্বিতীয় বৰ্ষ (কলা)

## অনুভৱ

মোৰ জীৱনৰ প্ৰতিটো মুহূৰ্ত্ততে
উপলব্ধি কৰোঁ তোমাৰ অস্তিত্ব !
গাত লই বতাহৰ গোন্ধ
গা চুই ফুলৰ পাহিৰ
মোৰ সৰ্বাংগত অনুভৱ কৰোঁ তোমাৰ স্পৰ্শ !
নিশাৰ জোন্নাত বিয়পি বয় ফুলৰ সুবাস
সুবাসত তোমাৰ সজীৱ উপস্থিতি। □

কবিতা

# কবিতা

কবিতা



গজেন চন্দ্ৰ পাটৰ

## বসন্ত

ফাগুনী বতাহে দেউ দি নাচি
উকণ্ঠা কৰিছে হিয়া,
বৃক্ষৰ পাতবোৰো নোহোৱা হৈছে
নিৰাভৰণ কৰিছে দেহা।

বিশ্ব প্ৰকৃতিৰ ন-যৌৱনেই
দেহৰ অঙ্গে অঙ্গে কৰিছে ন-আলোড়ন,
বসন্ত ঋতুৱে সজাই পৰাই
ন-যৌৱনত বোলাইছে ৰহণ।

বৰষাৰ পৰশত শ্যামলী হ'ল ধৰা
কুউ কুউ মাতেৰে কুলিয়ে বিনাইছে
প্ৰাক-ইতিহাসৰে পৰা।

ঢোল, পেপা, গগনাৰ অনুপম সুৰে
বহাগক কৰে আমন্ত্ৰণ,
কৃষ্টি-কলাৰ সৃষ্টিৰ ধ্বনিয়ে
বসন্তক কৰে শিহৰন।

এয়া বতাহৰ লহৰে লহৰে
অপূৰ্ব্ব সংস্কৃতিৰ অনুপম ৰাগ,
ঐক্যৰ জৰীৰে সাঙোৰ খোৱা
তাৰেই মিঠা নাম বহাগ। □

# কবিতা
# কবিতা
# কবিতা


শ্ৰীবাবুল চন্দ্ৰ দাস
স্নাতক, ২য় বাৰ্ষিক (কলা)


## "তোমাৰ পবিত্ৰ পোহৰত"

মোৰ জীৱনৰ প্ৰতিটি মুহূৰ্ততে
উপলব্ধি কৰো তোমাৰ অস্তিত্ব
গাত লই বতাহৰ গোন্ধ
গা চুই ফুলৰ পাঁহিৰ

মই বাৰুকৈয়ে অনুভৱ কৰিব পাৰো তোমাৰ স্পৰ্শ !
নিশাৰ জোস্নাত বিয়পি ৰয় ফুলৰ সুবাস
মই নিজকে পাহৰি পেলাও
পাহৰি থাকো মোৰ দুঃখৰ ব্যথা-বেদনা
এইদৰে সৌৰ শক্তিৰ উৎস তোমাক
বৰ আপোন যেন লাগে
তোমাৰ পৱিত্ৰ পোহৰৰ জ্যোতিত
মেলি ধৰো নিজকে
বৰ সুন্দৰ যেন লাগে। ●


শ্ৰীপুতুল চন্দ্ৰ হাজৰিকা
T. D. C. (Sc.) 2nd year.


## পূঁজা

আৰু নো কিমান দিন,
মোৰ এই পুঁজাৰ পৰ্ব ?
আৰু নো কিমান দিম,
মোৰ এই জীৱন অৰ্ঘ ?

কিন্তু আজি ঃ

এজাক মূখা পিন্ধা চইতানৰ দলে,
দালদাকে ঘি'উৰ দৰে আদৰ-সন্মান কৰি,
নিবেদিছে মোৰ পূঁজা পৰ্বৰ বেদীত ॥

কোলাহল

এই বাবে তুমি পাৰিবানে থাকিব,
একে লগে ?

সপ্ততৰংগিনী

আজি মই সপ্ততৰংগিনী হৈ,
সপ্তদিশে আহিছো বৈ ;
মাথো—
মূখা পিন্ধাহঁতৰ শান্তিৰ হকে ॥

সাৱধান

সেই দিনা তহঁতে নিস্তাৰ নাপাবি,
যি দিনা মোৰ সু-যোগ্য সন্তানসকলে ;
অহিংসাৰে তহঁতৰ মূখা খুলি দিব ॥

আৰু

সেইদিনাই মই মুক্ত হ'ম,
এই কোলাহল কলংকিত কালিমাৰ পৰা ॥

প্ৰাৰ্থনা

হে কৰুণাময় দয়াৰ সাগৰ,
অস্তিত্ব যেন, মোৰ নিশেষ নহয় ;
পূৰ্বৰ দৰে এক হৈ যেন মই,
অনায়াসে বৈ যাব পাৰো ;
সাগৰ মহা-সাগৰলৈ ॥ □



মেকুৰী-জনীৰ মিউ মিউ মাতৰ শব্দত হঠাৎ চক্ খাই উঠিছিল লীলাই। কেবাটাও বিনিদ্ৰ ৰজনী অতিক্ৰম হোৱাৰ পিছত আজি শেষ ৰাতি চিল্-মিল্কৈ অলপ টোপনি ধৰিছিলহে মাত্ৰ। কিন্তু মেকুৰীজনীয়ে সম্ভবতঃ ভয়ঙ্কৰ মাতদি ঘৰৰ ভিতৰত সোমাবৰ চেষ্টা কৰিছিল। এক অজান ভয়তে লীলাৰ বুকুখন কপিবলৈ ধৰিলে। ভয়ত তাইৰ হৃদয়ৰ স্পন্দন নাইকীয়া হোৱাৰ উপক্ৰম।

ৰাতিৰ কোনোবা এক সময়ত এক অজান বতাহ আহি টেবুলত থকা চাকীটোও নুমুৱাই থৈ গৈছে। ভয়তে অস্থিৰহৈ লীলাই ওচৰতে শুই থকা ৰজতক বুকুত সাৱতি ল'লে। আজি প্ৰায় এসপ্তাহ হ'ল, লীলাৰ জীৱনৰ একমাত্ৰ সম্বল ৰজতৰ ভীষণ জ্বৰ। দুঘণ্টামান আগতে অলপ কমিছিল, সেয়েহে আশা-নিৰাশাৰ মাজত অলপ সময় টোপনি মাৰিছিল। কিন্তু তেনে সময়ত মেকুৰীজনীৰ অমঙ্গল মাততে তাইৰ জীৱনৰ সকলো সুখ যেন শেষ হৈ গৈছিল। মনে মনে ৰাতি পুৱাবৰ বাবে ভগবানৰ ওচৰত প্ৰাৰ্থনা কৰিছিল। ওচৰতে থকা পাহাৰৰ পৰা নিজৰাৰ ঝৃঁ-ঝৃঁ শব্দৰ লগতে কিছুমান অজান পক্ষীৰ মাতে পৰিস্থিতি আৰু ভয়ঙ্কৰ কৰি তুলিছিল যদিও বহুদূৰৰ পৰা আহি কাণত পৰা কুলি কেইটাৰ মাতে পৰিস্থিতিক অলপ পৰিবৰ্ত্তন কৰি লীলাৰ মনৰ বিষাদ ভাবটো অলপ দূৰ কৰি ৰাখিছিল। কুলি কেইটায় যেন লীলাৰ শেষহৈ যোৱা দিন কেইটাৰ কথাকে মনত কৰি দিছিল।


এৰা, লীলাৰ কি নাছিল? কিন্তু এই পাঁচটা বছৰতে যেন সকলো উলট পালট হৈ গ'ল। নিষ্ঠুৰ সময়ে লীলাৰ জীৱনৰ সকলো আশা আকাঙ্খা কঢ়িয়াই লৈ গ'ল। কেতিয়াবা ভাবে কাৰোবাৰ আগত কথা খিনি কৈ অলপ শান্তি পাব। কিন্তু লাভ কি? নাভাবো বুলিও কিছুমান কথা নভবাকৈ থাকিব নোৱাৰি। গোটেই খিনি ঘটনা মনত পৰিলেই যেন এক অজান বি.ষ হেঁচা মাৰি ধৰে। কিমান ৰজনী বিনিদ্ৰহৈ গৈছে সঁচাকৈ আজি যদি ৰজতৰ ওচৰত তেখেত থাকিলহেতেন! কিমান আশা-হাঁহি সকলো শেষহৈ গ'ল। কেবল অতীত স্মৃতিক লৈ আজি জীয়াই আছে, মাত্ৰ ৰজতৰ বাবে। ৰজতক মানুহ কৰিব লাগিব; —নহলে প্ৰদীপৰ আত্মাই শান্তি নেপাব।

প্ৰদীপ! প্ৰ দী প — আকৌ এবাৰ লীলাই গোটেই অতীত জীৱনটোক মনত পেলালে। আজিও কুলিকেইটাই মাতিছে। কুলিৰ মাতে লীলা আৰু প্ৰদীপৰ গোটেই অতীত স্মৃতিক মনত ভাহি তুলিছিল। কথা বিলাক ভৱাৰ আগতেই হয়তো চকুলো বাগৰিছিল। হয় সেই দিনাও কুলি চৰাইবোৰৰ মাতে যৌৱনৰ জোৱাৰ তুলিছিল।

সেই দিনা আছিল বহাগী বিদায়ৰ উৎসব। লীলাৰ ভাল দৰেই মনত আছে প্ৰদীপ আগবাঢ়ি গৈছিল মঞ্চৰ পিনেদি। কিন্তু প্ৰদীপ থমকি ৰৈছিল কিয়? হয়তো লীলাৰ কাৰণেই; লীলাৰ কণ্ঠৰ ইমান সুললিত সুৰৰ গান শুনি প্ৰদীপ যেন ব্যাকুলহৈ উঠিছিল, লীলাইও সহস্ৰ দৰ্শকৰ মাজেদিও বাৰে বাৰে প্ৰদীপৰ পিনে চাই আছিল। গান শেষ হোৱাৰ পিছত প্ৰদীপে সাজঘৰত গৈ লীলাৰ পৰিচয় লৈছিল আৰু নিজৰ পৰিচয়ৰ লগত ধন্যবাদ জনাইছিল। প্ৰদীপ আছিল B. A. (বি, এ,)ৰ প্ৰথম বাৰ্ষিকৰ ছাত্ৰ আৰু লীলা দশম মান শ্ৰেণীৰ ছাত্ৰী। সেই পৰিচয়ৰ পিছত লাহে লাহে সিহতৰ পৰিচয় প্ৰেমত পৰিণত হৈছিল আৰু প্ৰদীপে এটা বেচৰকাৰী আস্থানত এটা কেৰাণীৰ কাম সংগ্ৰহ কৰি লীলাক নিজৰ জীবন সঙ্গিনী কৰি লৈছিল। কিন্তু অভিশপ্ত ভালপোৱা ভগবানেও সহ্য কৰিব নোৱাৰিলে।

প্ৰদীপ আছিল তেতিয়া যুব সমাজৰও সম্পাদক, গতিকে অস্থিত্ব ৰক্ষাৰ সংগ্ৰামত জপিয়াই পৰিছিল। হয়—, সেই দিনটো আছিল ফেব্ৰুৱাৰী মাহৰ কিবা এটা দিন! গণতন্ত্ৰ ৰক্ষাৰ বাবে চাৰিওপিনে বাজি উঠিছিল ৰণবাদ্য। কিছুমান মানুহে বলপূৰ্ব্বক বাধা দিবলৈ লীলাৰ জীবনৰ প্ৰদীপক নুমুৱাই দিছিল। লীলাৰ মনত তেনে ধৰণৰ কোনো দুঃচিন্তা নাছিল কিন্তু যেতিয়া তেজৰে প্ৰদীপৰ ৰঙা মৰা শ'টো লগৰীয়াহঁতে শুভা-যাত্ৰা কৰি আনি লীলাহঁতৰ পদুলিত ৰাখিছিল তেতিয়া দেখা পাই লীলাই একে চিঞৰ মাৰি মূৰ্চ্ছা গৈছিল। তিনিদিনৰ পিছত জ্ঞান পাই লীলাই আত্মহত্যা কৰিব ওলাইও মাত্ৰ ৰজতৰ শিশু মনটোৰ কথাকে ভাবি উভতি-ছিল। খুব ভাগ্যবতী নোহোৱা হলেনো নিজৰ স্বামীক অকালতেই হেৰুৱাই যাতনা ভুগিব লাগে? চকুৰ পানীৰে কেতিয়াৰা দুগাল তিতি গৈছিল লীলাই ক'বই নোৱাৰিলে।

কুকুৰাজনীৰ মাততহে লীলাৰ তন্ময়তা ভাগিল। খিৰিকীখনেদি বাহিৰলৈ চাই দেখিছিল পূৱ আকাশৰ ৰঙা পোহৰে ধৰিত্ৰীলৈ কঢ়িয়াই আনিছে যেন এটা নতুন দিনৰ নতুন আশা।



# স্মৃতি

ৰূপালী দাস
উচ্চতৰ মাধ্যমিক, প্ৰথম বৰ্ষ

সেই দিনাখন আছিল বুধবাৰ । ইমান গৰমৰ মাজেদি বৈ অহা কেঁচা ঘামখিনি মচি মচি মেঘালীয়ে খুলি দিলে তাইৰ কোঠালীৰ বন্ধ খিৰিকী খন । আবেলি পৰৰ শীতল সেমেকা আৰু আমেজ লগা বতাহ এজাক তাইৰ কোঠালী টোলৈ সোমাই অহাত তাইৰ গা কঁপাই তুলিলে আৰু বন্ধ হৈ যাব খোজা উশাহ-নিশাহবোৰ যেন তাই সচল হৈ উঠিল । কিমানপৰ যে সেই কোঠালীত মেঘালী বন্দী হৈ আছিল তাই নিজেই কব নোৱাৰিলে । অতীতৰ কথাবিলাক স্মৰণ কৰি তাইৰ দুচকু বৈ আহিল । তাৰোপৰি বিবাহিতা জীৱনত বহুতো কথাই সহ্য কৰি যাব লগা হৈছিল । তাই কোনো দিনেই দুখ-যাতনাৰ কথা উপলব্ধি কৰা নাছিল । পতীৰ অত্যাচাৰত সকলোবোৰ ত্যাগ কৰি মাথো দুটি সন্তানক বুকুত বান্ধি জীয়াই থকাৰ কামনাৰে দিনবোৰ পাৰ কৰি গৈছিল ।

দিগন্তৰ প্ৰথম দৰ্শনতেই মেঘালীৰ বিয়া ঠিক কৰি পেলাইছিল মেঘালীৰ মাক-দেউতাকে । সেই দৰেই দিগন্তৰো মাক-দেউতাকে প্ৰথম পদক্ষেপত মেঘালীৰ আচাৰ-ব্যৱহাৰত আৰু সৌন্দৰ্য্যৰে ভৰা ভাল লগাত প্ৰথম দৰ্শনতেই বোৱাৰী ৰূপে স্বীকৃতি দিছিল । এদিন মাঘৰ মাহৰ ২৪ তাৰিখে মেঘালী আৰু দিগন্তৰ বিয়া হৈ গৈছিল । এখন চহকী ঘৰৰ বোৱাৰী ৰূপে মেঘালীয়ে প্ৰথমতে খুব ভাল পাই-ছিল । এইদৰেই চাৰিটা বছৰৰ মাজত দুয়োৱে লাভ কৰিছিল দুটা সন্তানৰ সুখৰ সংসাৰ । এইদৰেই দিনবোৰ বাগৰিবলৈ ধৰিলে ।

এদিন হঠাতে দিগন্তৰ নামত মেঘালীলৈ বুলি দিয়া এখন চিঠি পাইছিল । চিঠিখনত দুখ-যাতনাৰ কথা উল্লেখ আছিল । তাৰোপৰি চিঠিখনৰ এষাৰ বাক্যই দিগন্তকো চিন্তিত কৰি তুলিছিল । লিখা আছিল "এনে প্ৰেৰণা যোগোৱাত আছিলা তুমি নিজে"

এইদৰেই কেইবাখনো চিঠি পাইছিল দিগন্তই । কিন্তু এখনো চিঠি মেঘালীক দিয়া নাছিল । দিগন্তই সেই বাবে মেঘালীক সন্দেহৰ চকুৰে চাইছিল । এদিন দিগন্তই খঙতে মেঘালীক শুনাইছিল এইবুলি জনাহলে তেওঁ কেতিয়াওঁ বিয়া বাৰু নকৰালেহেতেন। মেঘালী জনীয়ে কান্দি কান্দি ইয়াৰ উত্তৰ পাবলৈ দিগন্তক অনুৰোধ জনাইছিল। এদিন অফিচ বাদ দি মেঘালীক চিঠিবোৰ দেখুৱাই এই পৰমানন্দ চলিহা কোন তাক সুধিলে। আজি তুমি এই পৰমানন্দ চলিহাৰ কথা কবই লাগিব ।

মেঘালীয়ে মাথো হুমুনীয়া কাঢ়ি পৰমানন্দৰ বিষয়ে পাতনি মেলিলে ।

এদিনাখন মেঘালী কলেজৰ পৰা আহি বিচনাত পৰিছিলহে। এনেতে এজন লৰা আহি দুৱাৰত টুকুৰিয়ালে। মেঘালী ওলাই আহিল আৰু লৰা জনক কাক বিচাৰিছে সুধিলে । মেঘালীয়ে লৰাজনক বহিবলৈ সহাঁৰি দি ভিতৰলৈ সোমাই গ'ল । মাকে আহি লৰাজনৰ সকলো পৰিচয় লৈ এটা খালি কোঠালী দেখুৱাই দিলে । লৰাজনে গধুলী আহি কোঠালীটো পৰিস্কাৰ কৰি থাকিবলৈ ললে। এই দৰেই কিছুদিন যোৱাত লৰাজনে মেঘালীৰ সৰু ভাই-ভনী দুটিক পঢ়ুৱাবলৈ ধৰিলে । মাত্ৰ এটা সৰু চাকৰিৰে টকা-পইচাৰ অভাৱত মাথো দুবেলা দুমুঠি খাই পৰমানন্দই দিন কটাবলৈ ললে । তাৰো পৰি পৰমানন্দৰ এটা ডাঙৰ অনুখ থকাৰ বাবে তেওঁ নিজৰ বিয়া বাৰুৰ কথা চিন্তা নকৰি মেঘালীহঁতক আপোন বুলি ভাৱিয়েই হাঁহিমুখে দিন কটাইছিল । পৰমানন্দই গুপুতে ৰখা বেমাৰৰ প্ৰতি সদায় সজাগ হৈছিল । এই বেমাৰৰ কথা কেৱল মেঘালীৰ বাদে আন কোনেও জনা নাছিল। লাহে লাহে পৰমানন্দৰ বেমাৰটো বেয়াৰ ফালে ঢাল খালে । এনে সময়তে পৰমানন্দৰ চাকৰি বদলিৰ কাগজ আহিল । যিদিনাখন পৰমানন্দ যাব সেই ঠাই এৰি, সেই দিনাই এটা লটাৰী টিকত কিনি আনিছিল । যোৱাৰ আগদিনা আবেলি পৰত পৰমানন্দ যাবলৈ ওলোৱাত মেঘালীয়ে পৰমানন্দৰ পৰা "স্মৃতি স্বাক্ষৰ" হিচাবে এটা ভৱিষ্যত জীৱনৰ টোকা বিচাৰিলে । তেতিয়া পৰমানন্দই সেই লটাৰী টিকট খনৰ বিষয়ে লিখি কৈছিল যে এই টকাখিনি যদি পায় তেনেহলে তেওঁ মেঘালীক দি দিব । কাৰণ পৰমানন্দৰ এই জগতত মেঘালীহঁতৰ বাদে আন কোনো নাই । এনেদৰে কথা বহু সময়লৈ পতাত মেঘালীৰ মাকে মেঘালীক কোঠালী-টোৰ পৰা টান মাৰি ভিতৰলৈ লৈ গৈছিল। পৰমানন্দৰ কোঠাত মাথো "স্মৃতিৰ স্বাক্ষৰ" খন পৰি ৰল । মাকে পৰমানন্দক বেয়া ব্যৱহাৰ কৰিলে, ওলাই যাবলৈকো হুকুম দিছিল । পৰমানন্দই দুচকু মচি মচি ওলাই গৈছিল কোঠালীৰ পৰা । মেঘালীয়ে বিচনাত পৰি ভগবানৰ প্ৰতি ঘৃনা জন্মাত নিজকে কৈ উঠিল "ভগবান যে ইমান নিষ্ঠুৰ" ! ইয়াৰ পাচত আৰু পৰমানন্দৰ কোনো খা-খবৰ পোৱা নগ'ল । এইখিনি কথা কৈ মেঘালী খন্তেক ৰ'ল ।

এনে সময়তে দিগন্ত বৰুৱাক বিচাৰি এজন চৰকাৰী উকিল আহিল । উকীলজনক বহিবলৈ দি অহাৰ কাৰণ সোধাত উকীলজনে দিগন্ত বৰুৱাক ওচৰৰ চোফাখনত বহুৱালে । ঘৰৰ সকলো মানুহও বহিল । উকীলজনে পৰমানন্দৰ বিষয়ে সকলোবোৰ কথা আঁতি-গুৰি মাৰি বিবৰি কৈছিল আৰু দিগন্তৰ ফালে উকীলজনে এখন "স্মৃতি স্বাক্ষৰ"ৰ লগত এখন ২ লাখ টকাৰ "বেংক ড্ৰাফট" দি কৈছিল যে তেখেত আৰু এই সংসাৰত নাই। যোৱা ২৪ আগষ্টৰ তাৰিখে ডিব্ৰুগড় মেডিকেল হস্পিতেলত মৃত্যু হৈছে । মৃত্যুৰ আগ মূহুৰ্তত উকীলজনক এই টকাৰ "বেংক ড্ৰাফ্‌ট" আৰু 'স্মৃতি স্বাক্ষৰ'খন দি যায়। এখন চিঠিওঁ এই "স্মৃতি স্বাক্ষৰ" খনৰ লগত উক্ত টকাখিনি কোনে পাব উল্লেখ আছিল ।

তেতিয়া দিগন্তই আচৰিত আৰু আবেগেৰে মেঘালীৰ চকুলৈ চাইছিল । ম্লান পৰা শেতা মুখ খনলৈ তেতিয়াও মেঘালীৰ হাঁহি বিৰিঙা নাছিল । চলচলীয়া চকুত ভাঁহি উঠিছিল পৰমানন্দৰ শয্যাগত ৰুগ্ন দেহাটো। মেঘালীয়ে খিৰিকিখনেদি চাইছিল আকাশখনলৈ— এখন ধূসৰ আকাশ !

# অফ্‌বিট্‌

* সজাইছে—পুৰবী বৰগোঁহাই/অজিৎ বিশ্বাস/লক্ষ্যজ্যোতি শইকীয়া/সুভাষ কান্তি ৰায় আৰু চিন্ময় দাস গুপ্তই

# অফ্-বিট্

বিচিত্র বাৰ্তা—

● পৰুৱাৰ বাবে গাখীৰ ঃ— গ্ৰীচত বাস কৰা এবিধ পৰুৱাই "লাৰ্ভি" নামৰ বগা পোক এবিধ সংগ্ৰহ কৰিছিল। বগা পোক বিধে উমনি দি পোৱালি জগাওঁতে সিহঁতে পৰুৱাবোৰক গাখীৰ দিছিল, যিদৰে গৰুৱে আমাক গাখীৰ দিয়ে।

সংগ্ৰাহক—**পূৰবী বৰগোহাঁই**

H. S. 2nd year (Arts)

ছাত্ৰ আৰু বান্দৰৰ বৈশিষ্ট্য—

● ধুমূহা, বতাহ, বৰষুণত বান্দৰ বোৰে গছৰ ডাল বা খোৰঙ অথবা গুহা আদিত কুচ্‌মুচ খাই বৰষুণত তিতি বুৰি চিন্তা কৰি থাকে "এইবাৰ বতাহ, বৰষুণ, ধুমূহা যোৱাৰ লগে লগেই মই এটি ভাল ধুনীয়া ঘৰ সাজি লম। তেতিয়া দেখা যাব বেটাঃ- ধুমূহা বৰষুণে মোক আৰু ক'ত লগ পায়।" কিন্তু ধুমূহা-বৰষুণ যোৱাৰ লগে লগেই বান্দৰ বোৰে কিৰিলি পাৰি এখন গছৰ পৰা আইন এখন গছলৈ জপিয়াই ফুৰে।

● সেই একে পৰ্য্যায়ৰেই কথা—

ছাত্ৰ-ছাত্ৰী সকলে পৰীক্ষাৰ আগমূহূৰ্তত তীব্ৰ গতিত পঢ়াশুনাত মন দিয়ে। তেতিয়া ছাত্ৰ-ছাত্ৰীসকলৰ মাজত চিন্তা আহে, ঠিক একে পৰ্য্যায়তেই "মই পৰীক্ষাৰ পিচতো মনোযোগ দি পঢ়াশুনা কৰি যাম। এই বাৰৰ পৰা ঘুৰি ফুৰা বন্ধ।

কিন্তু হায়! পৰীক্ষা যোৱাৰ লগে লগেই 'এহ্, কেইদিনমান ভাল টোপনিও মাৰিব পৰা নাই'। ঠিক এনেদৰেই লাহে লাহে পঢ়াৰ প্ৰতি ধাউতি কমি আহে।

হে ছাত্ৰ-ছাত্ৰী বন্ধু-বান্ধৱী সকল এলাহ নামৰ প্ৰবৃত্তিক প্ৰশ্ৰয় দিয়াটো ত্যাগ কৰিবলৈ যত্ন কৰিলে আমাৰ একমাত্ৰ সাধনা, ছাত্ৰজীৱনৰ চৰম লক্ষ্যত অনায়াসে উপনীত হব পাৰিম।

শ্ৰীঅজিৎ বিশ্বাস,

স্নাতক দ্বিতীয় বাৰ্ষিক (কলা)

□ গ্ৰাহক – হেৰা আপেলৰ কিলো কেনেকৈ দিছা ?

দোকানী— নিয়ক, কিলো বাৰ টকা। সস্তাতে দিছোঁ।

গ্ৰাহক — পাচ টকা হলে এক কিলো দিয়া—।

দোকানী— হেৰি, ইয়াৰে এটা আপেলত এনেয়ে একামোৰ মাৰি যাওঁক মানুহে সুধিলে গৰুৱে খালে বুলি ক'ম।

০০ ০০ ০০ ০০ ০০

□ ৰিপু— মা, বাহিৰত চিঞৰি থকা বুঢ়াটোক দিবলৈ আঠ অনা পইছা দেচোন।

মাক – ৰেডিঅটোৰ কাষতে দুটা শিকি আছে দেগৈ যা। পিছে বুঢ়াটোৱেনো কি বুলি চিঞৰিছে ?

ৰিপু— আইচক্ৰীম, আইচক্ৰীম বুলি

□ প্ৰেমিক— (দীঘলীয়া নীৰৱতাৰ পাচত) মিঠা কোমল কিবা এটা কোৱানা !

প্ৰেমিকা— (অলপ ভাবি) পায়স।

□ মন্ত্ৰীৰ এজন "চামচাই" মন্ত্ৰীলৈ ফোন কৰি জনালে "চাৰ, মোৰ ল'ৰাটোৱে এইবাৰো পৰীক্ষাত কম্পাৰ্টমেণ্টেল পালে। তাক আৰু পঢ়োৱাৰ ইচ্ছা নাই। গতিকে কিবা এটাত সোমোৱাই দিয়ক।"

মন্ত্ৰী— "আপুনি কি কয় ? অসমত কেইজন লৰাই কম্পাৰ্টমেণ্টেল পায়। আপোনাৰ গৌৰৱৰ কথাহে। আপোনাৰ অসুবিধা হলে ময়ে তাক বিদেশত উচ্চ শিক্ষা লবৰ বাবে সুবিধা কৰি দিম বুজিছে।" নহলে অহাবাৰ নিৰ্ব্বাচনত প্ৰতিদ্বন্দ্বিতা কৰিবলৈ মই পাৰ্টিৰ পৰা টিকেট দিয়াৰ ব্যৱস্থা কৰি দিম বাৰু !

সংগ্ৰাহক— লক্ষ্যজ্যোতি শইকীয়া

স্নাতক (বিজ্ঞান) ২য় বাৰ্ষিক

০০ ০০ ০০ ০০ ০০

● ৰগৰ ঃ— এহাল গিৰীয়েক ঘৈনীয়েক। গিৰীয়েকে ঘৈনীয়েকক শুধিলে, —'হেৰা, আজি কালি যেতিয়াই ঘৰত আঁহো তোমাক কান্দি থকা দেখা পাওঁ, কি-বা স্কুলীয়া বন্ধু-বান্ধবৰ কথা মনত পেলাই কান্দি থাকা নে-কি ? ঘৈনীয়েকে কলে— 'নহয়, আপুনি ঘৰত অহাৰ লগে লগে মোৰ চকুৰেদি পানী ওলায়। কাৰণ, আপোনাৰ তপা মুৰত ৰ'দ বা বিজুলীৰ পোহৰ পৰিলে মোৰ চকুত জিলিকি মাৰি পানী ওলায়।

সুভাষ কান্তি ৰায়

টি, ডি, চি, প্ৰথম বাৰ্ষিক।

# বাংলা বিভাগ

* দুটা কবিতা লিখিছে সীতা দে আৰু চিন্ময় দাসগুপ্তই আৰু
* এটা চিন্তাশীল প্ৰবন্ধ লিখিছে বিমল লোধে

কবিতা
**কবিতা**
কবিতা



## জীবন

মীতা দে
স্নাতক, দ্বিতীয় বর্ষ, কলা

জানিনা এ জীবন কিসের জীবন
কেন এত দুঃখ !

কিসের তরে এই আসে এই যায়
সুখের একপলকের তরী !

সুখ কি ক্ষণিকের স্মৃতি
না দুঃখের সুর-লহরি ?

কবিতা
# কবিতা
কবিতা



## যুগধারা

চিন্ময় দাসগুপ্ত
স্নাতক, প্রথম বর্ষ, কলা

এ মানুষ আর মানুষ নয়রে
মিথ্যের অধিকারী,
মতি যার হয়েছে বেতাল
হায়! কোথা গিয়ে মরি!

মরিতে পৃথ্বী আছে কি আর?
নরকের পথে,
পাপের পৃথিবী হবে যে বিলীন,
প্রলয়ের দুর্বার শ্রোতে।

নিস্বার্থের তরী আছে যে পড়ি
যাত্রী হীন তীরে,
বাহিতে বাহিতে যাত্রী, শেষ নাহি হয়
স্বার্থের নদী ধারে।

বাসিবে ভাল কাহারে তুমি আজি
কাহারে দিবে জীবন,
মন প্রাণ যাকে করিবে দান
সে করিবে তোমারে আপন?

এসো ভাই, সকলে মিলি
যা কিছু হয়েছে হারা,
সকলে মিলে, আবার আনিব ফিরায়ে
নতুন সমাজ ধারা।

# সুকান্ত ঃ জীবনই যার কাব্য

বিমল লোধ
স্নাতক, তৃতীয় বার্ষিক

সুকান্ত বাংলার যৌবনের কবি। যে সময় সমগ্র দেশের সঙ্গে বাংলা বিদ্রোহ বিক্ষোভে উত্তাল, ফ্যাসিজিম, সাম্রাজ্যবাদ এবং শোষনের বিরুদ্ধে এবং যে সময় বাংলা আলোড়িত তার মধ্যেই সুকান্তের শৈশব এবং কৈশোর আরম্ভ হইয়াছিল।

উনবিংশ শতাব্দীর বুর্জোয়া দৃষ্টিভংগীজাত মানসিকতা, নীতিবোধ এবং সৌন্দর্য্য অনুভূতি প্রথম মহাযুদ্ধের সময় ছিন্ন-ভিন্ন হইয়া গিয়াছিল। ১৯২৯-৩০ সনের অর্থনৈতিক বিপর্যয়ের ফলশ্রুতি স্বরূপ বেকার সংখ্যা, মূল্যবৃদ্ধি অতিমাত্রায় বাড়িয়া যায়। ধনতান্ত্রিক সভ্যতার অন্তঃসারশূন্যতা জ্বল জ্বল হইয়া দেখা দিল। ভারতের জাতীয় আন্দোলনের মধ্যে বিভিন্ন মত পার্থক্য দেখা দিয়াছিল। এই ঘূর্ণীজালে পরিয়া মধ্যবিত্ত বুদ্ধিজীবি সম্প্রদায়ের মন সুতীব্র নৈরাশ্য এবং নৈরাজ্যবাদী ধ্যান-ধারণার অন্ধকুপে নিমজ্জিত হইল।

ঠিক এখন সময়ই এই গলিত অবক্ষয়িত সমাজব্যবস্থার মাঝে এক নতুন শক্তির অভ্যুদয় দেখা দিয়াছিল। রাশিয়ার সমাজতান্ত্রিক বিপ্লবের সাফল্য আমাদের দেশের শ্রমিক শ্রেণীকে এক বিশিষ্ট রাজনৈতিক শক্তি হিসাবে প্রতিষ্ঠা করিতে প্রভুত অবদান যোগাইয়াছিল। সাম্যবাদীভাব ধারায় ব্যাপক জনসাধারনের আগ্রহ জন্মিয়াছিল।

সুকান্ত ভট্টাচার্যের আত্ম প্রকাশ ঠিক সেই সময়েই। জীবনের জটিলতা মানুষকে অভিজ্ঞ করিয়া তোলে। তাই অতি কম সময়ের মধ্যেই সুকান্ত পরিণত মনের অধিকারী হইয়া উঠিয়াছিল। তাঁহার সংগ্রামী কবি মন সমস্ত অমানবিক নিষ্ঠুর শোষনের বিরুদ্ধে গর্জিয়া উঠিল। মন মানসিকতার এই উত্তরণে সুকান্তকে সাম্যবাদী আদর্শে দীক্ষিত করিল, কমিউনিষ্ট পার্টির সহিত সক্রিয়ভাবে অংশ গ্রহণ করিল। পুরাতন দুর্বল দৃষ্টি-ভঙ্গীর পরিবর্তে হৃদয়ে স্থান পাইল নতুন বলিষ্ঠ শ্রমিক শ্রেণীর মানবীয় দৃষ্টিভঙ্গী। কবি মনের সেই মানব দরদী ভাব কবিতায় রৌদ্রদীপ্ত হইয়া আত্মপ্রকাশ করিল। যুব জনতার কবি সুকান্ত সংগ্রামের মাধ্যমে আবিষ্কার করিয়াছিল কমিউনিজম, মার্ক্সবাদ-এবং লেনিন বাদের ভাবধার। তাই সুকান্তকে বলা হয় বিপ্লবের কবি, সাম্য বাদের কবি।

সুকান্তের জন্ম এক মধ্যবিত্ত পরিয়ালে। ১২-১৩ বৎসর বয়সেই সুকান্ত কবিরূপে পরিচিত হইয়াছিলেন। জীবনের যন্ত্রণাময় দিকটি তিনি অতি কম বয়সের মধ্যেই উপলব্ধি করিয়াছিলেন। এই যন্ত্রণা কোনো ব্যক্তিগত হতাশা বা ব্যর্থতার দ্বারা হয় নাই। তাঁহার চারিদিকে শ্রমিক, গ্রাম বাসী দিনমজুর ইত্যাদি দরিদ্র জনসাধারনকে

দেখিয়া তিনি সঠিকভাবে সাম্রাজ্যবাদ এবং শাসন শোষনের স্বরূপ বুঝিতে পারিয়াছেন। কাব্যের মাধ্যমে শত্রুকে সনাক্তকরণ তাঁহার ভুল হয় নাই। তিনি বলিয়াছিলেন, 'জন্মেই দেখি ক্ষুব্ধ স্বদেশ ভূমি।' মধ্যবিত্তের সংস্কার, ছলনার কোনো চিহ্ন তাঁহার জীবণে অথবা কবিতায় নাই। আঙ্গিক এবং বিষয়-বস্তু উভয়দিকে বিপ্লব এবং মানবদরদী ধ্বজা বহন করিয়াছে। বহু কবি এবং সমালোচক সুকান্তের রাজনীতি পছন্দ করিতনা, কিন্তু তাঁহার কাব্য প্রতিভাকে অস্বীকার করার ক্ষমতা তাঁহাদের ছিলনা। প্রকৃত পক্ষে, সুকান্ত রাজনীতি করিয়াছিল এবং সেই রাজনীতিছিল মানুষের শোষণ এবং দুঃখজনের রাজনীতি। তাঁহার কবিতা ইহারই শিল্প স্বরূপ। ঘনিষ্ঠ জনসংযোগ এবং স্পষ্ট রাজনৈতিক দর্শন না-থাকিলে বিশ্বসাহিত্যের অনবদ্য সম্ভার 'বিবৃতি' 'রোধন,' 'রানার', চট্টগ্রাম', 'আগ্নেয়গিরি,' 'ছাড়পত্র,' 'প্রার্থী' ইত্যাদিরমত বিশ্বসাহিত্যেয় অমূল্য সম্পাদের রচনা তাহার পক্ষে সম্ভব হইতনা। তাই বলা হয়, 'রাজনীতি করিতে সিয়া তিনি সার্থক কবি হইলেন।'

সুকান্ত ছিলেন গণতান্ত্রিক বিপ্লবের পক্ষে, রাজনৈতিক ও অর্থনৈতিক ভাবে স্বাধীন ভারতের সংগ্রামে অংশ গ্রহনকারী যোদ্ধা। বিদেশী অর্থনৈতিক শোষনও রাজনৈতিক শাসনের পতণ ঘটাতে সুকান্ত হইয়াছিলেন জাতীয় বিপ্লবের সামিল। সামন্ত-তন্ত্রের অবসানে ঘটাইয়া গণতান্ত্রিক বিপ্লবে অংশ গ্রহণ করার জন্য সুকান্ত কমিউনিষ্ট হইয়াছিলেন। শুকান্ত বিশ্বাস করিতেন, সাম্রাজ্যবাদের সঙ্গে সমাজতন্ত্রের লড়াইয়ের যুগে শান্তি ও স্বাধীনতা একমাত্র লক্ষ্য। তাই সুকান্ত কামনা করিয়াছিলেন শ্রমিক ও মধ্যবিত্ত শ্রেণীর মৈত্রী। তাহার মতে ভারত বিপ্লবের চরিতার্থতার উৎস লেনিন এই কথা তিনি বিশ্বাস করিয়াছিলেন।

'শিগারেট,' 'দেশলাই কাঠি,' 'কলম' ইত্যাদি সুকান্তের নিভৃত মনের প্রতিফলন। যেন কবি অগ্নিমন্ত্রে দীক্ষিত সূর্য পূজারী। 'শিগারেট' কবিতায় শোষিতের যাতনা যন্ত্রণা প্রতীকের সাহায্যে সুন্দরভাবে ফুটিয়া উঠিয়াছে—

"দিন এবং রাত্রি—রাত্রি এবং দিন
তোমরা আমাদের শোষণ করছো সর্বক্ষণ
আমাদের বিশ্রাম নেই, মজুরী নেই
নেই কোনো অল্পমাত্রার ছুটি।"

কিন্তু একদিন যে শোষিত, বঞ্চিত মানুষের অগ্নি স্ফুলিঙ হইয়া শোষক শ্রেণীকে ধ্বংস করিবে, কবিতাটিতে সেই আশার আলোকে সমাপ্ত করিয়াছেন —

"জলন্ত আমরা ছিটকে পড়ব, তোমাদের, হাতথেকে
বিছানায় অথবা কাপড়ে
নিঃশব্দে হঠাৎ জ্বলে উঠে
বাড়ীশুদ্ধ পুড়িয়ে মারব তোমাদের
যেমন করে তোমরা আমাদের মেরেছ এতকাল।"

'বিবৃতি' কবিতায় দুর্ভিক্ষের যে মর্মর ধ্বনি উচ্চারিত হইয়াছে, হৃদয়ের গভীর হইতে উপলব্ধি নাথাকিলে এখন কবিতা লেখা সম্ভব হইত না।

"ভারতবর্ষের উপরে গলিত সূর্য ঝরে আজ
দিগ্বিদিকে উঠেছে আওয়াজ
রক্তে আনো লাল
রাত্রির গভীর বৃন্ত থেকে ছিঁড়ে আনো
ফুটন্ত সকাল।"

'ঐতিহাসিক' তাঁহার অন্য এক শ্রেষ্ঠ কবিতা। বুর্জোয়া অর্থনীতির জন্য অভাব অনাটন, ও প্রবঞ্চিত

মানুষের দুঃখ, বেদনা ফুটিয়া উঠিয়াছে। কিন্তু কেবল অভাব অনটন মাথাপাতিয়া গ্রহণ করিলেই মুক্তি আসিবে? সেইজন্য প্রয়োজন জাগরনের কবিতায় বঞ্চিত মানুষকে বারে বারে স্মরণ করিয়া দিয়াছে অধিকার ফিরিয়া পাওয়ার সংগ্রামে লিপ্ত হইতে, সেইজন্য তিনি প্রকৃতির একটি জীবন্ত ছবি তুলিয়া ধরিয়াছেন—

তাই 'লেনিন' কবিতায় তিনি লিখিয়াছিলেন —

'লেনিন ভেঙেছে বিশ্ব জনস্রোতে অন্যায়ের
বাঁধি অন্যায়ের মুখোমুখি লেনিন জনায় প্রতিবাদ
মৃত্যুর সমুদ্র শেষ, পালে লাগে উদ্যাস বাতাস
মৃত্যুর শ্যামল তীর, চোখে পড়ে আন্দোলিত
যাস লেনিন রক্তে, কবিতার কাছে সেই ঋণ
বিপ্লব স্পন্দিত বুকে, মনে হয় আমিই লেনিন।'

সূর্যের আলোর মতো তীক্ষ্ণ ছিল শুকান্তের কবিতা। তাঁহার কবিতা মানেই যেন জননীর প্রতি ভালবাসার ক্ষুধার্ত মানুষের ক্রন্দন। তাই আজ শুকান্তের কবিতা প্রতি ঘরে ঘরে। শুকান্ত প্রতিজ্ঞা সচেতন, আশাবাদী এবং কর্মমুখর কবি। তিনি 'ছাড়পত্র' সংকলনের দ্বিতীয় কবিতাটিতে লিখিয়াছিলেন—

"জড় নই, মৃত নই, অন্ধকারের খনিজ
আমিতো জীবন্ত প্রাণ,
আমি এক অংকুরিত বীজ।"

রক্তাক্ত মাটি এবং অশ্রুর কাহিনী পাঠ করিয়া তিনি নিজেই হইয়া পড়িয়াছেন এই ইতিহাস। ১৯৪৩ সন হইতে ১৯৪৭ সন পর্যন্ত যুগসন্ধিরা এই পাঁচটা বৎসর একদিকে মৃত্যুকীর্ণ যুদ্ধ এবং দুর্ভিক্ষ, বন্যা এবং মহামারী, অন্যদিকে জীবন প্রতিষ্ঠার মরণপণ সংগ্রাম, জয়-পরাজয় এবং উত্থান-পতন, সুখ-দুঃখ এবং আশা-নিরাশায় ভরা এই পাঁচটি বৎসর ছাড় পত্রে সন্নিবিষ্ট হইয়াছে। কোটি কোটি মানুষের বলিষ্ঠ আশা কবির কলমের নির্ভীক ঘোষণায় ফুটিয়া উঠিয়াছে এই নির্ভীকতা দ্বিধাহীন হইলেও অশ্রুসজল। 'বোধন' কবিতায় নারীঘাতী, শিশুঘাতী কুৎসিত বীভৎসতাকে কেবল ধিক্কার দিয়াই ক্ষান্ত থাকিলেন না তিনি, বীর্যদীপ্ত কণ্ঠে ঘাতক প্রতিপক্ষকে প্রত্যাহ্বান জনালেন—

"শোনরে মালিক, শোনরে মজুতদার
তোদের প্রাসাদে জমা হল কত মৃত মানুষের হাড়
হিসাব কি দিবি তার?"

"আর মনে করো আকাশে আছে এক ধ্রুব নক্ষত্র
নদীর ধারায় আছে গতির নির্দেশ
অরণ্যের মর্মর ধ্বনিতে আছে আন্দোলনের ভাষা
আর আছে পৃথিবীর চিরকালের আবর্তন।"

মাটির রসে সমৃদ্ধ এবং পুষ্ট তাঁহার দেহমন। যেন মাটির বুক হইতে তিনি উঠিয়া আসিয়াছিলেন। পুরাতন পুতিগন্ধময় পৃথিবীকে নবজাতকের বাসযোগ্য করিয়া তোলাই তাঁহার পরম সাহিত্যিক কর্তব্য। সেইজন্য তিনি অত্যন্ত নিবিড় ভাবে বলিয়াছিলেন, 'জীবনটাকে দেবো পার্টির জন্যে, জীবনটো দিয়ে দিবো।' যে কথা সে কাজ, তাঁহার কথা তিনি পালন করিয়াছেন। পালন করিয়াছেন তাঁহার অঙ্গীকার।

"এসেছে নতুন শিশু, তাকে ছেড়ে দিতে হবে স্থান;
জীর্ণ পৃথিবীতে ব্যর্থ মৃত আর ধ্বংসস্তূপ পিট
চলে যেতে হবে আমাদের।
চলে যাব—তবু আজ যতক্ষণ দেহে আছে প্রাণ
প্রাণপণে পৃথিবীর সরাব জঞ্জাল,
এ বিশ্বকে শিশুর বাসযোগ্য করে যাবো আমি
নবজাতকের কাছে এ আমার দৃঢ় অঙ্গীকার।"

সুকান্তের কাব্য প্রতিভা অন্যদশ জনের ভিড়ের

মধ্যে হারাইয়া যাইবার মত নয়। সুকান্ত তাহা হইলে কি ধরণের কবি? 'যে কবির বাণী শোন বার জন্য কবিগুরু কাণ পেতেছিল সুকান্ত সেই কবি।'

সুকান্তের নিজের ভাষায়—'আমি যে জনতার কবি হতে চাই জনতা বাদ দিলে আমার চলবে কিকরে? তাছাড়া, কবির চেয়ে বড় কথা আমি কমিউনিষ্ট-কমিউনিষ্টদের কাজ কারবার সব জনতা নিয়েই?'

সুকান্ত ভট্টাচার্য যে কবিয়েই ছিলেন এমন নয়, মৃত্যুর আগমুহূর্ত পর্যন্ত তিনিছিলেন কমিউ নিষ্ট পার্টি'র সক্রিয় কর্মী। সেই সময়ের কমিউনিষ্ট আন্দোলনের অন্যতম বার্তাবাহক 'বাংলা কিশোর বাহিনী'র তিনি ছিলেন কর্ম সচিব। দায়িত্ব পালনে তিনি ছিলেন দৃঢ়মনা। সামাজিক দায়বদ্ধতা পালন করিতে গিয়া তিনি ব্যক্তিগত জীবনের সুখ সাচ্ছন্দ্য অকাতরে বিসর্জন দিয়াছিলেন। সুকান্তের কবিতাকে শ্লোগান ধর্মী বলিয়া যে সকলে মন্তব্য করিতে চায় তাহারা জানিয়া রাখা ভাল যে একমাত্র সুকান্তই কবিতার জাত যাওয়ার ভয়ে নিজের বক্তব্য ঢাকিয়া রাখার চেষ্টা করেণ নাই; বরং হাজার হাজার মানুষের কণ্ঠে যে ভাষা আবেগের তরঙ্গ তুলিতে পারিয়াছিল, যে ভাষা মানুষের দুঃখ যন্ত্রণা গুলি রাজপথে বহন করিয়া আনিয়াছিল সেই ভাষা সার্থকভাবে ব্যবহার করিতে পারার জন্যই সুকান্ত সার্থক কবি। সুকান্তই সমাজকে নতুন রূপে রূপ দান করিতে আসা লোকের 'শিল্পী' বলিয়া গণ্য করিয়াছিল এবং সেই জন্য হয়তো তিনি নিজেকে কমিউনিষ্ট বলিয়া স্বীকৃতি দিতে শঙ্কাবোধ করেন নাই।

ইহাই ছিল স্বপ্নভঙ্গের কবি, পুনরভ্যুত্থানের কবি সুকান্ত। মাত্র একুশ বৎসর বয়সে উনিশ শ' সাতচল্লিশের মে মাসে যক্ষ্মারোগে আক্রান্ত হইয়া উপযুক্ত আধুনিক চিকিৎসার অভাবে বিপ্লবী সুকান্ত পৃথিবী হইতে নীরবে সরিয়া গেলেন। নিভে গেল একটি জলন্ত প্রতিভা। জীবনের অভিজ্ঞতাকে ক্ষমতায় আবদ্ধ করিয়া তিনি যখন ক্ষমতার বিদ্যুৎ শক্তিকে কলকারখানা, রাজপথে কৃষকের ঘরে ঘরে প্রবাহিত করিয়াছিলেন, ঠিক তখনই মৃত্যুর ক্রুদ্ধ দৃষ্টি তাঁহার উপরে নিক্ষিপ্ত হইল। পৃথিবীকে যে নতুন শিশুর বাসযোগ্য করার অঙ্গীকার তিনি করিয়াছিলেন সেই নতুন শিশুর মৃত্যুকে আশীর্বাদ জানাইয়া নিজেই হইয়া পড়িলেন এক ইতিহাস এবং সম্পূর্ণ একটি নতুন যুগ।

## TEACHING AND NON-TEACHING STAFF
## KAPILEE ANCHALIK COLLEGE, JAGIROAD



Sitting. ( from L to R ) : Prof. T. Bordoloi, Mrs. R. Borthakur ( library Asst. ), Prof Mrs. R Baruah, Sri M. Borthakur ( G. B. member ), Sri N. L. Upadhyaya ( G. B. member ), Prof Mrs. R. Bhattacharjee, M. Ahom ( principal ), M. Sharma ( Accounts officer ), Prof. Mrs. M. Goswami, Prof. Mrs S. Phukan. Dr. J. Das choudhary.

Middle Row. (L to R) : Professors : A.K. Gohain, S. Saha, R.K. Das, K.K. Pattanayak, R. Bhuyan, U.M. Phukan; P. Banerjee, M. Tahabilder. P. Goswami, H.K. Chutia, P. Gogoi, M. Phukan, R. Nath, M D. Goswami

Third Row (L to R) : B C. Malakar. (Librarian), P.K. Sharma, N.L. Sharma, D Bordoloi (All L.D.A). M K Bordoloi (U.D.A), N Phukan, M. Teron (4 th.Grade)

---

Profs : K. Sharma, N. Goswami, Mrs. A. Dutta, D. Dutta, D.J. Baruah, Miss M. Paul, Mrs. K. Chaudhary, Mrs. I. Mahanta, B. Bora, D. Rajbanshi, Dr. D. Dwibedi, A Borah, and the office bearers P. Chakroborty, Prem prasad sharma are not seen.

# english section

* Six analytical essays written by—
Khagen Sarmah, Lecturer
Dipakjyoti Baruah, Lecturer
Kalikinkar Pattanayak, Lecturer
Prabir Banerjee, Lecturer
Lata Upadhyaya
Lakshyajyoti Saikia

# GEO-POLITICAL PROBLEMS OF NORTH EAST INDIA : A study in political Geography.

**Khagen Sarma**
**Lecturer, Deptt. of Geography**

The most important geographical premise about North East India is its location in the North-Eastern corner of India. Comprising seven States : Assam, Meghalaya, Nagaland, Manipur, Mizoram, Tripura and Arunachal Pradesh. NE India is located between latitude 22° N—29° N, and longitude 89°46′ E-97°30′ E

While the rest of India has direct access to the seas, this region is virtually land locked by China, Burma, Bangladesh and Bhutan. It is connected with the main land by a narrow corridor of foot hill land of only 12 Km. width.

The region has common border with China (1140 Km ) Burma (1450), and Bangladesh (3910 Km). The boundaries with Bhutan, China and Burma are physical, whereas boundary between NE India and Bangladesh is a cultural one, which at present has posed numerous problems.

Physiographically the region is not a homo geneous unit. It has mountainous, plain and plateau areas. Apart from Assam, all other six States are hilly. Plateau regions are found in Meghalaya and Karbi-Anglong district of Assam. The Brahmaputra Valley, Barak valley and Manipur plains are important plain areas.

The river Brahmaputra with its innumerable tributaries, the Barak river the Baraile range, the patkai range, Meghalaya plateau, the hills of Arunachal Pradesh, Mizo hills, the high lands of Manipur and Tripura have great bearing on the topography and political Geography of North East India.

Diversity in ethnic composition prevails in North-East India. Each of the ethnic group shares different culture and traditions. They speak of different dialects ; have different ways of adaptation to natural environment.

The region covering 2,55,000 Sq. Km of uneven surface supports a population of 27 million persons ( 1981 ). This region has strategic importance. It is surrounded by foreign countries—China, a giant state is lying in the North. The region is rich in natural resources like oil, coal, silliminite, water

resource, forest and agricultural resource. It produces more than 50% of India's oil and Tea. The importance of oil is can hardly ignored.

During the pre-independent and post independent periods, the people of various ethnic groups have migrated to this region from other parts of India, Bangladesh, Nepal and Bhutan These new migrants have created many socio-economic problems besides disturbing the original ethnic structure.

During the British regime, this region was a single geographic unit. But in the post independent era the region has been politically dissected by the political surgeons.

The Caste Hindus have traditionally dominated the politics of Assam ; the tribals in their craze for power have demanded the division of Assam into separate States,

During the last 70 or 80 years, foreign christian missionaries have been working in NE India. In recent years some pseudo Missionaries. the so-called secret agents of foreign countries have began to operate. They have encouraged subversive activities against the Indian Government. Some of the rebels (Naga, MNF. NSCN, TNV etc) are being trained in China, Burma and Bangladesh. with the help of these agents.

These tribals have democratic system. The modern democratic system is not suitable to them They donot feel that they are also integral parts of Indian Society. The separate hill state was advocated by prof. Coupland in 1943. Naga tribes demanded an independent State They were engaged in hostile activities. Roads were damaged ; bridges collapsed and the official buildings were burnt. But the claim for the seperate independent state was an unrealistic issue. After long deliberation the parliament created a 16 th State in Indian union on August 1, 1960. But Fizo, the great Naga leader did not agree on it. He formed a under ground government and took the citizenship of England. Subvergence gurrilla warfare still continues ; same is the case with other hill states. The Mizos also demanded an independent state All Party Hill Leader conference demanded a separate hill state Comprising Garo Khasia, & Jaintia hills.

Achieving internal stability in Arunachal Pradesh is of crucial importance than that of other hill states. After 1911, the British paid more attention to this area. In 1919, Arunachal became a constituent part of Assam. Indian Government took an active interest in this area and made administrative changes in 1990 forming NEFA. In 1987 it became a fullfledged state of India. China claimed Arunachal Pradesh as her integral part. She invaded Arunachal Pradesh in 1962 and captured it. China has not recognised the Mc Mahon line. which is an imaginary boundary line between China and India's north eastern part.

Manipur and Tripura were never a part of Assam even in historic past. They were tied with Assam from the Socio-Cultural point of view.

At present, the geo-political problems of Assam are more complicated. Boundary dispute between Assam-Nagaland, Assam-Meghalaya, and Assam-Arunachal is yet to be solved. The foreign immigrants of Assam have not yet been detected and deported. The mania for creation of a new state and union territory reach, its peak : All Bodo Students' Union ( Upendra Nath Brahma group ) has launched a violent orgitation to press their demand for Bodoland'. The demand for 'Udayachal' by the P T C A, 'Ujani Asom' by Ujani Asom Rajya Parisod, union territory in Karbi Anglong and North Cachar District by All Karbi Students' Union and Autonomous State Demand Committee is still in the air.

Apart from these, each and every ethnic group has started agitation to fulfil their demand : for example, URMCA and AATSU demand for reservation and local self administration in the state, Koch Rajbonshi Khyetriya Sanmilon, All Tai Ahom Students' Union, All Assam Tea Tribe Students' Union, All Assam Tribal Students' Union have frequently observed bandhs to fulfil their demand which sound democratic to them.

Recently a new organisation- United Leberation Front of Assam (ULFA) emerges; it wins popularity among the commonage of Assam. Now they act as crusaders against rampant corruption and anti-social elements. Besides; it is learnt that this organisation is trying for the creation of a sovereign scientific socialistic state in Assam. Linguistic problem can hardly be over-emphasized.

North East India still remains virtually neglected and economically backward. Transportation within the state and its adjoining states is also not developed. During the British period, communal politics played a pirotal role and the centrifugal forces were let loose to divide the region.

The importance of the North-East India is so vital from the strategic, economic and political point of view that its internal stability calls for immediate attention from the central Government.

# RHYTHM IN POETRY AND PROSE

**Dipak Jyoti Baruah**
**Lecturer, Deptt. of English**

Why do we read a poem ? Poetry, like many other forms of literature is read for enjoyment. This is unlike most of the enjoyments of us. If a poem, with all the elements that it necessarily should have, has a satisfying unity of its own, the total effect of the piece is sure to reverberate in our minds.

While we talk about the total effect, we, in other words talk about the tone of a poem. The tone of a poem may be of any nature. It may even be evocative of mere sadness. But what about its intricate function ? The tone, in its subtle way feeds the intellect of the reader with the poet's own intellect. The experience thus the reader undergoes, renders a satisfying impact ( caused by his own understanding of the poem ) upon his soul. And the enjoyment of reading a poem also lies in that. I use the term 'intellect' in a limited sense only. It is in respect of the poet's talent in composing the poem in associations to the basic necessities that a poem generaly shuld pertain as a 'form'.

While we discuss the structure of poetry, the element which comes first is rhyme. The rhyme may or may not be obviously present there, ofcourse. In case of the poems we read in our adolescence, the rhyme is neither quite obvious nor seemingly obscure. But the words are arranged in such a way that there comes an inner fluidity in their progress or movement. I quote here a few lines from D. H Lawence's 'The Rainbow' :

*Even the rainbow has a body made of drizzling rain and is an architecture of glistening atoms built up, built up*
*Yet you can't lay your hand on it, may nor even your mind.*

There is a rhythm in these lines which makes the words move in an easy pace and that pace is somewhat inner. In case of our childhood poems, the composer is mostly concerned about the rhyme only In 'The Rainbow', the intellect of the poet plays the vital role and so naturally we observe the seriousness of the thoughts. For all such poignant feelings, a pattern of rhyme which can readily catch the eyes of the reader would certainly not help

Well, the prose does also have its own rhythm. To substantiate, here are a few

lines from "A Farewell to Arms" by Ernest Hemingway :

*'The forest had been green in the summer when we had come into the town but now there were the stumps and the broken trunks and the ground torn up, and one day at the end of the fall when I was out where the oak forest had been I saw a cloud coming over the mountain.*

In these lines the words are arranged thus : 'the forest had been green' – here, 'been' rhymes with 'green'. Then, there is the word 'town' in the part—'in the summer ... ... .. town' and 'town' rightly rhymes with some preceding words viz. 'been' and 'green' It is followed by—'but now there were the stumps and the broken trunks and the ground torn-up, 'where the word 'and' is twice used. Then there is pause indicated by a comma and the next part of the line starts with another 'and'. Taking this part of the line as a whole :— 'and one day at the end of the fall when I was out where the oak forest had been I saw a cloud coming over the mountains", we find that here the words 'out' and 'cloud' rhyme and the line thus acquires a special grandeur of it. For all this, this line of the "Farewell to Arms' takes the form of a lyrical expression But poetry, in its entirety cannot be similar to prose. Poetry has its own language, I mean– syntax or the other aspects for which it happens to be more concise, concentrated and concrete than a few lines of prose

For a proper or an adequate outlet of thoughts and feelings, rhythm acts as a real force It is also somewhat complimentary in choosing or selecting words. However, the fact that we have a very close acquaintance with rhythm ( in our day to day conversations and where not ! ), right from our childhood and also the fact that words do not necessarily make a poem unless they stand in a context, must be sufficient to make us conclude here that rhythm can bring out the understanding of a context in a precise and effective way.





# Coffee

**Prabir Banerjee**
**Lecturer in Physics**

Hot fumes of Coffee.
Assort my nostrils ;
Of the Sweet aroma,
I try to efface,
The memory of the days
I left behind,
With no achievements.
With every sip of the dark coffee,
I try to overpower pessimism :
As the taste of coffee creeps my brain, my soul;
Optimism retards, pessimism hurls around.
With the bitter taste of dark colour liquor,
I realise the truth—
As whenever we come
A little close towards perfection,
We find, its time to part ;
Isn't it the tragedy of life ?

# The Romantic As Revolutionary And Vice Versa

**Kalikinkar Pattanayak,**
**Lecturer in English**

Two terms-'Romance' and 'Revolution' warm the bosoms of many a young man. Very oftend it is held that a Romantic is away from reality whereas a Revolutionary strives to change the face of reality. A Romantic is highly imaginative; imagina tion, however lovely, is artificial. So a Romanticist does not appear to be a pragmatist. On the contrary, a Revolutionary understands the pulse of the time; he does or dies for a drastic change in the thinking of men. Hence to consider 'Romantic As Revolutionary And vice versa is a paradox.

In I779, the French preferred revolution to evolution in politics. The cause is they were 'born free' but found themselves in 'chains. They clamoured: Down with the Autocracy The monarchy was overthrown; the feudalism destroyed and the Rights of Man were proclaimed. Liberty, Equality and 'Fraternity' became the watch-words of the revolution. Wordsworth, the great Romantic sang :

'Europe at this time was thrilled with joy. France standing on the top of golden hours And human nature seeming born again'.

wordsworth rejoiced in the rebirth of human nature, that is, radical change in the out-look of men. The Romantics upheld the revolutionary ideologies but they were, soon, disillusioned with the means most of the rebels adopted. There was 'Reign of terror' Madame Jeanne Roland, a Revolutionary cried out :

*O Liberte. liberty what crimes*
*are committed in thy name*

The revolution being the mother devoured her own children. The rebels were branded as criminals. In 'ode to France' Coleridge condemned the rebels as' dark and sensual.

A true Revolutionary is concerned with the welfare of men, not their slaughter. Hencc these Romantics being Revolutionaries in true sense of the term, denounced the terrorists activities.

In the history of English poetry, the Romantics have revolutionary message :

In an ode "Destruction of the Bastille" Coleridge of dwells upon liberty :

*Liberty. the soul of life shall reign*
*shall throb in every pulse,*
*Shall flow through every vain.*

life without liberty is no life. It is meaningless.

In "ode to the west wind" Shelley wants the wind to be trumpet of his prophecy :

*O ! Wind*
*If winter comes can spring be far behind ?*

Robust optimism is , evident. winter symbolizes despair ; spring—hope. One shouldn't be hopeless even if he is helpless. one should aways look forward

Byron dreams of a society :

*There is a society where none intrudes :*

The poet is against exploitation and terroism. John keats lends a new dimension to the concept of beauty. Beauty is ephemeral in life but eternal in art He writes :

*Where Beauty cannot keep her*
*Lustrous eyes ... ..*
(*Ode to A Nightingale*)

*Beauty is truth, Truth Beauty .*
(*Ode on a Grecian Lern*)

*A thing of beauty is a joy for ever,*
(*Endymion*)

Real beauty doesn't lie in the skin but in the essence of everything. So it is equated with truth. It is the permanent source of joy.

Thomas Gray in his famous "Elegy" written in a country churchyard" laments :

*Many a flower is born to*
*blush unseen.........*

In fact the poet makes an appeal for the discovery of hidden talents.

Thus the Romantics can inspire the ideals in the massese which a Revolutionary aspires for : sense of liberty. optimism, voice against exploitation, appreddciation of the beauty etc.

A Romantic is a visionary. He visualizes an ideal society. Life for him is a multi-coloured glass.- A Revolutionary struggles against Evil-something that destroys the smooth flow of life and retards progress. All the Revolutionaries, therefore, live the lives of adventure; their lives read like romances. A few examples will suffice to prove the point :

In the history of ancient India, Buddha is regarded as the 'Light of Asia'. Buddhaism is nothing but protestant Hinduism. Buddha held that a harlot is no sinner but a child of the divine. Ambapalli, a noted courtesan became his disciple. He viewed that the whole world is governed by a law that is the law of action. He insisted on the righteousness in action. Buddhism gradually declined after the disappearance of Buddha. In modern India M. K. Gandhi emerged as a Revolutionary by choice not by chance ; he questioned the moral basis of-human existence in

twentieth century. He brought independence to India without causing much blood-shed. He acted as a crusader against the forces of communalism and sectarianism . He was misunderstood and shot-dead. Sir Winston churchill. an outstanding statesman of our age and a vigorous war leader astounded all in the House of commons with an appeal : blood and tears ; toil and sweat but his enthusiasm didn't last long.

In 1970's Jay prakash gave a clarion call for 'Total Revolution'-that is, total transformation of existing human relationships but with his demise his ideology became a myth . History reserves a place for subhas Bose among the extremists. "Give me blood; I 'll give you freedom"
was his cry. To Bose, liberty is the birth -right of every individual . but the price of liberty is very high. One is to shed blood and sacrifice life. But his sudden disappeara-nce from the world is an enigma .

In modern times Marx-Freud, Sartre and Sri Aurobinda have revolutionized the thinking of men. Marx strikes a radical note in the abolition of class distinction and economic disparity. Freud holds man as a biological phenomenon-a creature of instincts and impulses and considers sex -instict as the central force of human psyche . Sartre propounds that man is his own salvation, creator of his own values· his essence follows his existance. Sri Aurobinda calls upon me to have revol-ution in consciousness, that is, sublimation of thoughts and feelings; and ennoblement of aspiration.

In the realm of Literature, Shakespeare stands as a class by himself. He is everywhere or nowhere in his works. He is no doctrinaire ; for life is above all doctrines. He holds mirror to life in all its complexities .

All these Revolutionaries -either in action or contemplation are romantic in the sense that their dreams, hopes and aspi-rations stir the young and the old alike. One can't but admire their adventurous spirit which is the soul of Romanticism though all their revolutions appear to be bubbles in the stream of time .

A teen-aged girl falls in love with a young man ; slopes with her lover and marries him . True, she is Romantic . It is a greater truth that she is a rebel, She consideres what her lover is ; not what he has . She does not care for caste, religion and creed which are mere accidents. Her thought is novel; her action-adventurous. She is infact, more revolutionary in her out-look than a band of terrorists.

Romance lends charm to life ; no man worthy of being a Ravolutionary can ignore it. Very often it is viewed that the modern poets who are revolutionary in out-look tend to be anti-romanctic. In fact it is the mis-representation of the idea and misinter pretation of the term, 'romance' W.H. Auden, under the spell of Marx, writes :

*I do not want any more hugs ;*
*Make me some fresh tea, fetch me some rugs,.*

'Hugs' implies tight embrace. In fact Auden is against idle romance of the upper class. Ideal romance can be had in the union of hearts ; it can be made over a cup of tea. The diction 'fresh' and 'fetch' bring out the romantic spirit in Auden.

W. H. Davies in his poem 'In the country' puts questions :

*Can I admire the parks' green tree*
*A roof for homeless misery ?*

The question is fundamental. The parks' green tree can't enchant the homeless'. The best place for them to make romance is in their homes' not parks. So Davies pleads for the homeless' for roofs.

If by 'romance' we mean driving with the fiancee to the lovely park or joining the disco dance with some girl friends in a five star hotel. the term will lose much of its significance. It is a mistaken notion that the fascination or the fair-sex is the only source of romance ; real love for a person or an idea or an affair begets it. It is the thrilling experience which no wealth can equal. Hardy the world famous mathe matician finds in Ramanujam, an unknown Indian, a mathematical genius and calls his discovery a romantic incident in life P.T, Usha looks romantic in race; Mina kumari in acting ; Devilal in electioneering and John Keats in composing poems. These activities are as natural to these persons as leaves are to the trees'. There is complete absorption of the actor in action ; artist in art. A Revolutionary is committed to a set of ideologies ; he dedicates himself to materialize them. Hence a Revolutionary is romantic in spirit ; a Romantic is revolutionary in attitude

# SCIENCE IS FUN

**Prabir Banerjee**
Lecturer, Dept. of Physics

**In a class room :**

Teacher : What is Newton's third law of motion ?

Student : Sir. To every action there is an equal and opposite reaction.

Teacher : Give an example,

Student : Sir, I am afraid, I can't give you an example.

Teacher : Why are you so afraid ?

Student : Sir, if I give some-one a good thrashing with my wooden scale I shall get a good return.

**In a reputed Doctor's chamber of Bombay High .**

Patient : Sir, I had been to gulf of Caspian for a salt water bath as you advised me to do so, but I could not sink my head down. I was floating like a straw.

Doctor : What a foolish idea of you to go to the Caspian sea, or Dead sea of palestine, you could have tried in Juhu-Beach it-self.

After two weeks :

Patient . Sir, I remember you told me about Dead sea in Palestine. I was so depressed that I wanted to commit suicide in dead sea but even in the mid sea, the water was pushing me up.

Doctor : Oh Dear, it is true, Caspian sea contains 27% of salt. Dead sea does not mean death to some-one who-ever takes a bath. It's salt content is about 27%, So you will never sink, however hard you may try to violate Archimedes' Principle.

**In a zoology class room :**

Teacher : What is the scientific name of Frog ?

Student : ( suddenly wakes up ) Sir, 'Rana Talukder'

Teacher : Oh no, Rana, I did not ask your name, I wanted to know the scientific name of Frog.

Student : Sir, I don't know.

Teacher : (Angrily) Get out of my class. Don't you know it is 'Rana Tigrina' ?

Student : Sir, I am carrying the first part of the frog on my name. Have mercy on me.

**In a medical college class room :**

Professor : Dear students, How many bones are there in your body ?

Student : Sir, it is 206.

Professor : You are wrong. There are only 205 bones

Student : Sir, I have got six fingers in my right arm. I think it would be 206, at least in me.

**In a luxurious Restaurant :**

Customer : Waiter, Get me a cup of tea and best sweets you have.

Waiter : Sir, Here is your tea. I can only offer you Sugar-Coconut cake.

Customer : Get me something sweeter than sugar.

Waiter : Sir, we have nothing which is sweeter than sugar.

Customer : (in dis-gust) Give me Potassium cynide. It tastes sweetest.

Waiter : Sir, it is a Deadly poison.

Customer : Yes, To discover it, the couple who tasted had to embrace death. The husband could write only 'S' and the wife, 'W'.

**In a Physics class room :**

Teacher : Tell me about Sir Issac Newton.

Student . I find Newton a boring Guy.

Teacher : Why so ?

Student A : Sir, Newton has contributed to almost every branch of Physics, Just because of him, our Syllabus is very lengthy and tough.

Student B : Sir, Besides that he has contributed to Mathematics too. Had there been no Newton, studying science would have been easier.

Teacher : It is not Newton's fault but his long nose which forced him to poke his nose into every branch of Physics and Mathematics. Besides that Newton was a bachelor till his death. So he had enough time to make your syllabus lengthy and tough by contributing difficult problems !

# WHEN I READ A POEM

**Lata Upadhyaya**
T. D. C. (1st Year), Arts.

When I read a poem I derive a sort of pleasure which I get neither from eating chicken nor listening to a tape-recorder. It is purely aesthetic. Some of the lines of the immortal poets remain ever green in my memory. I recite them unconsciously ; my feelings become tender ; thoughts elevated : for example, very often I sing to myself :

Golden lads and girls all must,
As chimney sweepers come to dust.

Whenever I remember these lines I become humble. I don't like to waste my time in trivial pleasures. I wish to realize the meaning of life. Very often I forget the past but not the lovely lines of a poem.

A poet may die but a poem doesn't ; a poem lives longer than the poet, hence, it is greater.

I have studid a few important poets. Each of them has a distinct message for me : William Shakespeare, the famous English poet cum dramatist has broadened my outlook and depened my knowledge of human nature. William Longreve teaches me the value of music. William Wordsworth the great Romantic has enhanced my delight in the top of nature. Robert Southey encourages me to read books and befriend dead scholars. P. B. Shelley warns me not to be proud. Robert Frost, the noted American poet inspires me to act ceaselessly till the end of my life. R. N. lagore, the distinguished Indo-Anghian poet exhorts me to be fearless. Sarojini Naidu, the Nightingale of India, makes me aware of the pain of worldly life.

Shakespeare holds very often that character is destiny. Cassius, a character in "Julius Caesar" speaks,'

The fault, dear Brutus, isnot in ourselves. But in ourselves, that we are underlings.

Man is the maker of his own fate ; the captain of his own soul. He shouldn't shift the blame to stars. He should plan his work and then workout his plan. To read cassius is to refute fatalism.

After reading wordsworth, my interest in nature has developed Whenever I visit the natural spots like Sitajakhala or Nijara-par I try to discover 'joys in the mountains' and 'life in the fountains.' I can't but enjoy the sight of the setting sun, the murmuring

brook, the blue-hills and the leafy trees. I feel quietness in the vastness of nature. I do realize if one is to have peace of mind and follow the doctrine of *'plain living and high thinking'* he should live close to nature.

Whenever I feel tense or angry or depressed I listen to music. I hear congreve speaking to me in his famous works :

"The mourning Bride",

Music hath charms to soothe a
Savage breast,
To soften rocks or bend a
knotted rock.

Music can pacify the agitated mind.

R. Southey in his poem "The Scholar" views that the dead scholars are never failing friends. Friends may cheat but the works of the dead scholars can never betray a man. They remain the permanent source of joy for ever. In fact, one should study books just to know the 'mighty minds or the old'.

Shelly's 'Ozymandias of Egypt' is a short but lovely poem. Ozymandias is a powerful king. He is the king of kings. Time passes. Ozymondias passes away. His vanity vanishes The statue he builds is ruined. The concluding lines of the poems are instructive :

"Nothing beside remains, Round
the decay of that colossal wreck,
boundless and bare,
The lone and level sands stretch
far away.'.

The word 'Nothing' is suggestive, Nothing in this world is permanent. The 'lone and level sands' symbolize the vanity of human wishes. Hence one shouldn't be vain or proud. Because one's pride doesn't last long.

Robert Frost has stirred me to act vigorously. Very often I recite the final stanza of "stopping by woods on a snowy evening" :

The woods are lovely, dark and deep
But I have promises to keep,
And miles to go before I sleep.

Here 'Woods' is symbolic. It refers to our world. Our world is beautiful but complex. 'Sleep' reminds us of death. Human life is short but it should be replete with noble activities. Man should work with redoubled strength till he dies. He should not kill his valuable time.

R. N. Tagore teaches me to build up a noble character. He instructs me to be completly fearless. He writes in 'Gitanjali':

**Where the mind is without fear**
**Where the head is held high.**

Fear is evil. It destroys the smooth flow of life. He also teaches me to repose faith in God.

Sarojini Naidu writes in "Village songs".

**The bridal songs and cradle songs have cadences of sorrow ... ...**

In fact, in life pleasure is followed by pain. Those who seek pleasure should be prepared to embrace pains.

I do agree with W. H. Auden, on the

importance of language in poetry.

**The poet is the father who begets the poem which the language bears.**

In fact, the poet makes the special use of language. If English language is refined to-day, it is due to the contribution of the poets. The poet uses 'crimson' for 'red', 'dazzle' for 'Shine', 'thy' for 'Your', 'behold' for 'look' 'Language, has two aspect'—'sense' and 'sound'. In the language of a good poem there is a perfect marriage between sense and sound. For example Burns reflects the physical beauty of his mistress in the following language :

**To see her is but to love her**
**And love her for ever.**

Language is simple. lucid and highly evocative. As a student, I remember Tennyson's words that one should 'follow knowledge like a sinking star'. In fact humility is the finest trait to acquire knowledge.

A poem is the work of art. It is a thing of beauty. So it is a joy for ever. It not only delights but also instructs. It teaches us to use language which is polished and sweet to hear. It modifies our sensibility. Shouldn't we afford a few hours a day to go through a few poems so as to make our lives sublime ?

★★★

# SATELLITE IN THE MODERN TIMES

**Lakshya Jyoti Saikia**
T. D. C. 2nd Year, (Science)

In modern age satellites are the most important devices for high quality over seas global tele-communications, remote sensing and star-war programmes. Now-a-days any major event that occurs in one part of the world can be easily seen by people living in other part of the world with the aid of satellites. As for very high frequency and micro-wave bonds, Inospheric reflection is not possible. Therefore, satellite provides unknown repeaters as time-of-sight links.

Satellites are also used to survey minerals, natural and renewable resources present in the earth surface. They are also used in weather fore-casting.

There are two types of satellites namely communication satell'tes and remote sensing satellites. Communication satellites are used for communication purposes and the remote sensing satellites are ured for the survey of natural and renewable earth resources.

There are two international systems of satellites :

INTELSAT : which is owned by 84 countries members of INTELSAT consortium uses Geo-stationary satellites.

INTER-SPUTNIK : It is mainly owned by Eastern European countries and based on the use of satellites in higly inclined elliptical orbits as well as Geo-stationary ones.

The satellites used for star-wars programme to destory missiles by emilling Infrared signal or L ser beem are mainly used for country's defence purpose, which requires vast amount of money for Such projects.

Communication satellites can be compared with an artificial mirror as it reflects the incoming signals from the ground stations.

These kind of satellites are placed in Geo-synchronous Orbit, which is about 36,000 km above the earth surface.

There ars two types of communication satellites, namely passive and active satellites. Passive satellites only reflect a signal transmitted from a ground station back to the earth and are received by several ground stations. There is no power supply in passive satellite as there are no active component in it and hence it has long life. This type of satellites are oriented in any direction, because it is the surface of the satellites which reflects the incoming signal from ground stations.

The weight of a satellite depends upon the capability of the launch vehicle. Communication satellites are generally made of alloys of Aluminium-Titanium or Magnesium for light weight. Recent United states launchers together with their approximate geostationary orbit payload capabilities are Delta-2914(340 Kg), Titon (2300 Kg), Delta-3914 (400 Kg). The shape of a satellite is such that it can occupy all the electronic and non-electronic packages in a limited space.

Communication satellites are placed in the orbit with the aid of shells. The satellite which is to be placed in the orbit is mounted on the top of the shell. When the shell is fired horizontally with a certain orbital velocity, the satellite will start encircling the earth with a perticular time period of revolution. There are different sub-systems of a communication satellite :

a) **Transponder :—** The function of this subsystem is to receive weak signal from ground stations, amplify it to change its frequency and finally send it back to receiving stations. A communication satellite contains many transponders some of them for telephones and so on.

**Power Generation and storage system :** The main source of power supply of a communication satellite is the silicon solar cells, which convert solar energy into electricity. These cells are placed about the body of a satellite in case of spin stabilized satellite. But when the satellites are stabilized about three axes, cells are arranged in solar pannels, when the satellite is in the shadow of the earth (eclipse), the solar energy is not available. In that case Nickett codmium cells provide necessary power to the satellite for about 70 minutes.

**Antenna :** To cover that area of earth visible for satellite a circular radiator of 17.5 degree Bond width aerial is adequate. It provides gain for both uplink and down link signals and to direct energy to a desired location. Generally paraboloid antennas are used to increase gain and effective Isotrophically radiated power. To perform special function, the design of antennas are complex. Sometimes one satellite antenna generates several beams. In such a case, the antenna directs energy to different directions and are called Omini-directional.

**Orbital considerations :** Most useful orbit is geo-stationary orbit, a circular equatorial orbit at approximate height of 36, 000 km for which the period is 23 hours 56 minutes, the length of the sidereal day. A satellite in this orbit remains appear stationary relative to points on the earth's.

Two main problems faced are :

a) A drift in orbit inclination out of the equitorial plane due to effects of the sun and moon. If it is not corrected, the satellite would have a tendency to move increasingly along the figure of eight path

b) Acceleration of the satellite in longitude towards one of the two stable points at

75 degree east and 105 degree west longitude. This is due to non-uniformity of earths gravitational field.

**Satellite stabilisation and control:** The altitude of a satellite is necessary because for high communication efficiency, directional aerials must be used and pointed to the earth. Most of the satellites are spin-stablised, but recent ones are three axes stabilised. On other words body stabilisation. In the former, the body spins at typically 50 to 100 Revolution per minutes about an exis perpendicular to the plane, but the aerial system is generally despin. A reference for the control system is generally obtained by infrared earth sensors supplemented by sun sensors. Body stabilised designs generally employ an internal momentum wheel with axis perpendicular to the orbit plane. Control about the pitch axis is through the wheel's drive electric motor while control about the yaw and roll axes may be gimballing the wheel or by use of hydrazine mono-propellont to correct the axis' direction.

The orbit of satellite is controlled by ground command of hydrazine thursters. The mass of hydrazine required in a 7 years life expressed as percentage of total satellite mass is approximately 12 per cent for North South station Keeping. In spinning satellites, axial thurster are used for inclination, corrections and radial, thurster operated in a pulsed mode for longitude corrections.

**Thermal control:** The temperature of a satellite in its orbit becomes very low when it passes into the shadow of the earth, its temperature becomes high when it faces the sun. Hence to keep the temperature within the operational limits, heat rediators and electric heaters controlled by thermo-states or tele-command and heat pipes are used.

**Tele command:** This sub system is mainly consists of micro processor or control procsssing unit of a micro-computer which monitor and control the multiple beem antenna performancc, solar array and buttery capabilites and transmitting performance to keep the system working.

To conclude, we must say that artificial satellites are extremely useful devices for global telecommunications, remote sensing and many more useful as well as dangerous applications. Programmes like star-war requires monstrous wastage of money, it is of no use for ordinary human beings. On the other hand, we can use stellites for peaceful purpose to have blessings of science.

ছাত্ৰ একতা সভাৰ


বিভাগীয়

সম্পাদক সকলৰ

প্ৰতিবেদন

STUDENTS' UNION

KAPILEE ANCHALIK COLLEGE, JAGIROAD.



Sitting : ( L to R ) : Rana Bhuyan ( prof. in charge, Games & sports ), Utpal Moni Phukan ( vice chairman ), Mahendra Ahom (principal & Chairman), Subhas Saha ( prof. in charge, Literary, Debate & Symposium ), Pallav Goswami ( prof. in charge, Culture )

Standing : ( L to R ) : Navajit Sarma ( secretary, Games & Sports ), Anil Pathak ( Asst. G. S. & G. S, in charge ) Sarbananda Deori, ( Secy. Literary, Debate & Symposium ), Anil Keleng ( Secy. social Service ), Ashis Gohain ( Secy. Culture ) is not seen in the photograph.

# সাধাৰণ সম্পাদকৰ প্ৰতিবেদন

মৰিগাঁৱৰ দক্ষিণ পশ্চিম আৰু কামৰূপৰ পূৰ্বাংশত অৱস্থিত একমাত্ৰ উচ্চ শিক্ষাৰ অনুষ্ঠান হিচাপে ১৯৭৯চনত স্থাপিত কপিলী আঞ্চলিক মহাবিদ্যালয় খন কলং, কপিলী আৰু কিলিংৰ ত্ৰিবেণী স্থলত অবস্থিত। নানা ঠাইৰ পৰা জ্ঞানৰ মুকুতা বুটলিবলৈ অহা ছাত্ৰ-ছাত্ৰী সকলৰ মোৰ প্ৰতি থকা আস্থাৰ বাবে নিৰ্বাচিত হৈ মহাবিদ্যালয়ৰ বিভিন্ন সমস্যাৰ বুজলৈ ১৯৮৯ চনৰ ২৫ তাৰিখে 'সহঃ সাধাৰণ সম্পাদকৰ কাৰ্য্যভাৰ গ্ৰহণ কৰো, ছাত্ৰ-ছাত্ৰী সকলৰ সহযোগত সকলো কাৰ্য্য পৰিচালনা কৰিবৰ বাবে।

১৯৮৮-৮৯ চনৰ বাবে নিৰ্বাচিত হোৱা সাধাৰণ সম্পাদক শ্ৰীফণীধৰ বৰ্মণে তিনিমাহ কাৰ্য্য পৰিচালনা কৰি কোনো ধৰণৰ খবৰ তথা পুৰণা নথি পত্ৰ সমূহ জমা নিদিয়াকৈ মহাবিদ্যালয়ত অনুপস্থিত থকাত কাৰ্য্য নিৰ্বাহক সভাৰ সিদ্ধান্ত মৰ্মে মই ভাৰ প্ৰাপ্ত সাধাৰণ সম্পাদক হিচাবে কাৰ্য্য পৰিচালনা কৰিব লগা হয়।

প্ৰতি বেদনৰ বুলনিতে কপিলী আঞ্চলিক মহাবিদ্যালয়ৰ সমূহ ছাত্ৰ-ছাত্ৰীলৈ মোৰ আন্তৰিক অভিনন্দন জ্ঞাপন কৰিছোঁ। লগতে সুজলা সুফলা শস্য-শ্যামল আই অসমীৰ চৰণত বিগত ছবছৰীয়া অস্তিত্ব ৰক্ষাৰ সংগ্ৰামত প্ৰাণ আহুতি দিয়া বীৰ শ্বহীদ সকলৈলে মোৰ অম্লান শ্ৰদ্ধাঞ্জলী নিবেদিছো। এই মহান অনুষ্ঠানটিৰ ভাৰপ্ৰাপ্ত সাধাৰণ সম্পাদকৰ নিছিনা গুৰুদায়িত্ব দি আগবঢ়াই দিয়াৰ বাবে আপোনালোকৰ ওচৰত মই চিৰ কৃতজ্ঞ। তদুপৰি নিৰ্বাচন আৰু অন্যান্য কাৰ্য্যসূচীত বিশেষ ভাবে সহায় কৰা ছাত্ৰ বন্ধু শ্ৰীপূৰ্ণকান্ত শইকীয়া, শ্ৰীঅতুল কাঠাৰ আৰু কামাল উদ্দিন আহমেদ তথা বন্ধু-বান্ধবীসকললৈ মোৰ হিয়াভৰা ওলগ থাকিল।

আমাৰ সমস্যা ক্ৰমবৰ্দ্ধিত ভাবে বৰ্ত্তমান আমাৰ মহাবিদ্যালয়ত কলা আৰু বিজ্ঞান শাখা মিলি প্ৰায় ১০০০ হাজাৰ ছাত্ৰ-ছাত্ৰী আছে। এই ছাত্ৰ-ছাত্ৰী সকলৰ যথেষ্ঠ সংখ্যক গাওঁ অঞ্চলৰ, অৰ্থনৈতিক দিশ শোচনীয় পৰিয়ালৰ পৰা পঢ়িবলৈ আহে। মহাবিদ্যালয়ৰ পৰা যিমান পৰা যায় সুবিধাখিনি দিয়া হয়। কিন্তু এই খিনিয়েই যথেষ্ট নহয়। ছাত্ৰাবাস আৰু ছাত্ৰীবাসৰ প্ৰয়োজন বিশেষ ভাবে অনুভৱ কৰা হৈছে। ছাত্ৰ-ছাত্ৰী সকলক ছাত্ৰাবাসত থকা সুবিধা দিব নোৱাৰাৰ বাবে বহু ছাত্ৰ ছাত্ৰীয়ে অশেষ কষ্ট ভোগ কৰাৰ লগতে মহাবিদ্যালয়ে ক্ৰীড়াৰ ক্ষেত্ৰত বহু পিছ পৰি থাকিব লগীয়া হৈছে। ছাত্ৰসকলৰ চাইকেল থবলৈ উপযুক্ত ঠাই নথকাৰ বাবে বাৰিষাৰ সময়ত চাইকেল সমূহ বৰষুণত ভিজি নষ্ট হোৱাৰ ফলত ছাত্ৰ সকলে শ্ৰেণীত উপস্থিত থাকিব নোৱাৰাৰ উদাহৰণো নথকা নহয়। তদুপৰি মহাবিদ্যালয় খনৰ এখন নাম ( Sign Board ) ফলক, ছাত্ৰ একতা সভাৰ কাৰ্য্যালয় আৰু প্ৰাচীৰ পত্ৰিকা

বাৰুকৈয়ে অনুভৱ কৰা হৈছে । এই ক্ষেত্ৰত কতৃপক্ষৰ লগত আলাপ আলোচনা কৰাৰ পাছত কিছুমান সমস্যা পুঁজিৰ অভাৱত সমাধা কৰিব পৰা নগল। গতিকে এনে ধৰণৰ অভাৱ অভিযোগ বোৰলৈ লক্ষ্যৰাখি কৰ্তৃপক্ষই যেন অতিসোনকালে এই অভাববোৰ পূৰণ কৰে তাৰবাবে বিনম্ৰ অনুৰোধ থাকিল ।

কাৰ্য্যকাল ঃ— এবছৰীয়া সম্পাদকৰ কাৰ্য্যকালত মহাবিদ্যালয় তথা ছাত্ৰ-ছাত্ৰীৰ কিবা উন্নতি সাধিব পাৰিছো বুলি প্ৰতি বেদনত উল্লেখ কৰিবলৈ মনে সাহস নকৰে। কাৰ্য্যভাৰ গ্ৰহণ কৰাৰ পাছতেই মহাবিদ্যালয়ৰ প্ৰথম কাৰ্য্যসূচী হিচাবে ১০ ফেব্ৰুৱাৰীত সৰস্বতী পুজা উলহ-মালহেৰে পালন কৰা হয় । ১৩ ফেব্ৰুৱাৰীৰ পৰা "মহাবিদ্যালয় সপ্তাহ" মহোৎসৱ আয়োজন কৰা হয় । এই মহোৎসৱ চাৰিদিনীয়া কাৰ্য্যসূচীৰে সামৰণী পেলোৱা হয়। মহাবিদ্যালয় সপ্তাহৰ লগতে প্ৰখ্যাত চিত্ৰশিল্পী নীলপৱণ বৰুৱা দেৱৰ চিত্ৰ প্ৰদৰ্শণী পতা হয় । লগতে সুৰ দেউল অনুষ্ঠানেও এখন চিত্ৰ প্ৰদৰ্শণী ছাত্ৰ-ছাত্ৰী সকলৰ আগত প্ৰদৰ্শন কৰে। উৎসৱৰ শেষৰ দিনা বঁটা বিতৰণী সভাত বিখ্যাত চিত্ৰ শিল্পী শ্ৰীযুত নীলপৱন বৰুৱা দেৱে মুখ্য অতিথি হিচাবে যোগদান কৰি সভাৰ কাৰ্য্যসূচী চলাই নিয়াত সহায় কৰে । সন্ধিয়া উলহ-মালহেৰে সাংস্কৃতিক সন্ধিয়া পতা হয় । ··· ·· ··· সাংস্কৃতিক অনুষ্ঠান অন্যান্য কাৰ্য্য-সূচীৰে সমাপ্ত কৰা হয় । দহ বছৰীয়া শিশু মহাবিদ্যালয় খনৰ ছাত্ৰ একতাস ভাৰ এখন সংবিধান নথকাৰ বাবে অধ্যক্ষ শ্ৰীযুত মহেন্দ্ৰ আহোম, শ্ৰীযুত উৎপলমণি ফুকণ, শ্ৰীযুত ৰাণা ভূঞা, শ্ৰীযুত মহীধৰ গোস্বামী, শ্ৰীযুত পল্লৱ গোস্বামী চাৰ সকলৰ লগত আলোচনা কৰি সংবিধানৰ খচৰা প্ৰতিলিপি প্ৰস্তুত কৰি উলিওৱা হয় আৰু ছাত্ৰ একতা সভাৰ কাৰ্য্যকৰী সভাত সৰ্বসন্মতি ক্ৰমে অনুমোদিত হয় । উক্ত খচৰা প্ৰতিলিপিটো সাধাৰণ সভাত অনুমোদন হোৱাৰ পাছত ছপা কৰি উলিয়াব পাৰিম বুলি আশা ৰাখিছো। ছাত্ৰ-ছাত্ৰী সকলৰ খোৱা পানীৰ ব্যৱস্থাৰ বাবে তিনিটা ডাঙৰ পানী পাত্ৰৰ ইতিমধ্যে ব্যৱস্থা কৰা হৈছে। উচ্চস্তৰৰ জ্ঞান লাভ কৰিবলৈ অহা নৱাগত ছাত্ৰ-ছাত্ৰী সকলক ৪ অক্টোবৰ' ৮৯ তাৰিখে আনুষ্ঠানিক ভাবে আদৰণী জনোৱা হয়। নবাগত আদৰণী সভাত মুখ্য অতিথি মেদিনী চৌধুৰী আৰু নিৰ্দ্দিষ্ট বক্তা খাগৰিজান মহাবিদ্যালয়ৰ অধ্যক্ষ শ্ৰীযুত তগৰ চন্দ্ৰ বৰাদেৱে যোগদান কৰি সভাৰ সৌষ্ঠৱ বঢ়োৱাৰ লগতে ন-পুৰণি ছাত্ৰ-ছাত্ৰী সকলক সু-পৰামৰ্শ আগবঢ়াই। সন্ধিয়া সাংস্কৃতিক অনুষ্ঠান পতা হয় । সেই অনুষ্ঠান মুকলি কৰে মাননীয় অধ্যক্ষ শ্ৰীযুত মহেন্দ্ৰ আহোমদেৱে ।

অন্যান্য অনুষ্ঠান ঃ— বছৰটোৰ বিভিন্ন উৎসব যেনে ২৬ জানুৱাৰী, সৰস্বতী পুজা, ১৫ আগষ্ট, মহাপুৰুষ শঙ্কৰ দেৱৰ তিথি আদিও মহাবিদ্যালয়ত উলহ-মালহেৰে পালন কৰা হয় । মহাবিদ্যালয়ত বিভিন্ন বিষয়ৰ আলোচনা চক্ৰ আৰু জনপ্ৰিয় বক্তৃতা মালা আদি পাতিবলৈ সিদ্ধান্তলৈ কাৰ্য্যকৰী কৰাৰ বাবে মহাবিদ্যালয়ৰ সমূহ অধ্যাপক অধ্যাপিকালৈ মোৰ আন্তৰিক সলাগ লৈছো ।

১৯৭৯ চনত স্থাপিত হোৱা মহাবিদ্যালয় খনে বিগত বছৰ কেইটাত যথেষ্ঠ উন্নতি হোৱাটো সকলোৱে স্বীকাৰ কৰিব লাগিব । ইয়াৰ মাজতো আমাৰ সকলো অভাৱ পূৰণ হোৱা নাই। আমি জানো যে নতুনকৈ গঢ় উঠা শিক্ষানুষ্ঠান এটিয়ে

সকলোখিনি সুবিধা দিয়াটো সম্ভৱ নহয়। তথাপিও মহাবিদ্যালয়ৰ পূৰণ নোহোৱা অভাৱ-অভিযোগ সমূহ পূৰণ কৰিবলৈ মহাবিদ্যালয়ৰ কতৃপক্ষক পুণৰ অনুৰোধ জনালো।

আমাৰ মহাবিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰী সকলৰ দোষ ক্ৰুটিৰ কথাও এইখিনিতে উল্লেখ কৰিবলৈ বাধ্য হৈছো। মহাবিদ্যালয়ৰ বিভিন্ন সভা সমিতি, বছৰেকীয়া খেল ধেমালী আলোচনা চক্ৰ আৰু সমাজ-সেৱাৰ বিভিন্ন কাৰ্য্যসূচীত উপস্থিত নথকাটো অতি দুখৰ বিষয়। মহাবিদ্যালয়ত যথেষ্ট ক্ৰীড়া সামগ্ৰী থকা স্বত্বেও ছাত্ৰ-ছাত্ৰী সকল সেইবোৰত ইচ্ছা প্ৰকাশ নকৰাটো অতি লাজৰ বিষয়।

শেষত মই এটা কথাই কব খোজো যে অভাৱ অভিযোগ মানুহৰ কেতিয়াও শেষ নহয়। এটা অভাৱপূৰণ হোৱাৰ লগে লগে আন এটা অভাৱে মুৰ দাঙি উঠে। মই আশা কৰিছো যে আগন্তুক কাৰ্য্যনিৰ্ব্বাহক সমিতিয়ে ওপৰত উল্লেখ কৰা প্ৰধান প্ৰধান অভাৱ কেইটাৰ ওপৰত বিশেষ ভাবে গুৰুত্ব দিব। লগতে কতৃপক্ষই এই ক্ষেত্ৰত সম্পূৰ্ণ সহাৰি জনাব বুলি আশা কৰিলো।

সমৰণীত কপিলী আঞ্চলিক মহাবিদ্যালয়ৰ প্ৰগতিৰ কামনাৰে মোৰ সম্পাদকীয় প্ৰতিবেদনত জ্ঞাত বা অজ্ঞাত ভাবে কিবা বৈ গৈছে সেই সকলোবোৰৰ বাবে সকলোৰে ওচৰত ক্ষমা মাগি মহাবিদ্যালয়ৰ উত্তৰোত্তৰ উন্নতি কামনা কৰি প্ৰতিবেদন সামৰণি মাৰিলো।

ধন্যবাদ

"জয় আই অসম"

"জয়তু কপিলী আঞ্চলিক মহাবিদ্যালয়"

অনিল চন্দ্ৰ পাঠক

ভাৰপ্ৰাপ্ত সাধাৰণ সম্পাদক

ছাত্ৰ একতা সভা

# খেল বিভাগৰ সম্পাদকৰ প্ৰতিবেদন

প্ৰিয় কপিলীয়ান,

প্ৰতিবেদনৰ আৰম্ভনীতে সমূহ ছাত্ৰ-ছাত্ৰী তথা মোৰ শুভাকাংখী সকলৈ যাচিলোঁ মোৰ প্ৰীতি শুভেচ্ছা আৰু কৃতজ্ঞতা। '৮৮-৮৯ চনৰ বাবে ছাত্ৰ একতাৰ সভাৰ নিৰ্ব্বাচনত মোক খেল-বিভাগৰ সম্পাদকৰ পদত নিৰ্ব্বাচিত কৰি ছাত্ৰ-ছাত্ৰী বন্ধু-বান্ধৱীসকলে যি দায়িত্ব দিলে সেই দায়িত্ব পালন কৰাৰ ক্ষেত্ৰত মোৰ ফালৰ পৰা কোনো ত্ৰুটি কৰা নাছিলোঁ। নিৰ্ব্বাচনৰ প্ৰায় দুমাহৰ পিছত অৰ্থাৎ ২৫।১।৮৯ তাৰিখে কাৰ্য্যভাৰ গ্ৰহণ কৰি মহাবিদ্যালয়ৰ ক্ৰীড়া বিভাগৰ উন্নতিৰ বাবে যত্নপৰ আছিলো। এই সময়ছোৱাত 'মহাবিদ্যালয় সপ্তাহ'ৰ দৰে গতানুগতিক খেল-ধেমালীৰ অনুষ্ঠান পৰিচালনা কৰাৰ উপৰিও অন্যান্য ক্ৰীড়াৰ অনুষ্ঠানও কৰাৰ চেষ্টা কৰা হৈছিল। এই সকলোবোৰ কামকাজৰ মাজেদি যি অভিজ্ঞতা আৰু উপলব্ধি হৈছে সেইয়া অতিকৈ দুখ লগা। সামগ্ৰিকভাবে কবলৈ গলে ক্ৰীড়াৰ প্ৰতি আমাৰ ছাত্ৰ-ছাত্ৰীৰ বিশেষ আগ্ৰহ নাই। মহাবিদ্যালয় সপ্তাহেই বোলক, প্ৰীতিখেলেই বোলক বা আন প্ৰতিযোগিতাই বোলক সকলোতে আমাৰ ছাত্ৰছাত্ৰীৰ অংশ গ্ৰহনৰ সংখ্যা তেনেই আঙুলিৰ মূৰত গণিব পৰা। নিয়মিত চৰ্চ্চাৰ বাবে আমাৰ মহাবিদ্যালয়ত প্ৰয়োজনীয় খেলাৰ সামগ্ৰী নাই। ফলত বিভিন্ন প্ৰতিযোগিতাৰ মানদণ্ড আশাপ্ৰদ নহয়। আনকি গুৱাহাটী বিশ্ববিদ্যালয়ৰ আন্ত-মহাবিদ্যালয় ক্ৰীড়া প্ৰতিযোগিতাত অংশ গ্ৰহণৰ বাবেও আমাৰ ছাত্ৰছাত্ৰীৰ মানদণ্ড নিম্নখাপৰ। ছাত্ৰছাত্ৰীৰ আগ্ৰহ বৃদ্ধি নহলে ক্ৰীড়াৰ দিশত আমাৰ মহাবিদ্যালয় সদায়েই পিছ পৰি থাকিব।

যোৱা বছৰটোত খেলবিভাগৰ উদ্যোগত অনুষ্ঠিত বিভিন্ন ক্ৰীড়ানুষ্ঠানৰ বিবৰণ তলত দাঙি ধৰা হ'ল :

**মহাবিদ্যালয় সপ্তাহ :** কাৰ্য্যভাৰ গ্ৰহণ কৰাৰ পিছতেই যোৱা ১৩।২।৮৯ তাৰিখে 'মহাবিদ্যালয় সপ্তাহ' অনুষ্ঠিত কৰিব লগা হয়। ছাত্ৰছাত্ৰীৰ আগ্ৰহহীনতা, প্ৰয়োজনীয় খেলৰ সামগ্ৰীৰ অভাৱৰ লগতে ব্যক্তিগতভাবে মোৰ অনভিজ্ঞতাইও বিভিন্ন

প্ৰতিযোগিতা পৰিচালনা কৰাত অসুবিধা পাব লগা হয়। তথাপিও তত্ত্বাবধায়ক ৰাণা ভূঞা চাৰৰ পৰামৰ্শ, অন্যান্য শিক্ষকসকলৰ উৎসাহ আৰু কিছু বন্ধু-বান্ধবীৰ সক্ৰিয় সহযোগিতাত বিভিন্ন প্ৰতিযোগিতা সুচাৰুভাবে পৰিচালনা কৰা হয়। যথেষ্ট সংখ্যক প্ৰতিযোগীৰ অভাব আছিল মহাবিদ্যালয়ৰ সপ্তাহৰ অন্যতম দুৰ্ব্বলতা। প্ৰতিটো খেলৰ প্ৰতিযোগিতাত প্ৰতিযোগীৰ সংখ্যা দহজনতকৈ কম হলে উক্ত প্ৰতিযোগিতা বাতিল কৰা হব বুলি ঘোষণা কৰাতহে শেষত ছাত্ৰ-ছাত্ৰীৰ অংশ গ্ৰহণৰ সংখ্যা বৃদ্ধি পালে।

**প্ৰীতি ক্ৰিকেট প্ৰতিযোগিতা ঃ** ছাত্ৰ শিক্ষকৰ সম্পৰ্ক মধুৰ কৰিবলৈ মহাবিদ্যালয় সপ্তাহ উপলক্ষে ছাত্ৰ একাদশ আৰু শিক্ষক একাদশৰ মাজত এটি প্ৰীতি ক্ৰিকেট প্ৰতিযোগিতা পতা হয়। এই প্ৰতিযোগিতাত শিক্ষকসকলে যি উৎসাহ-উদ্দীপনা আৰু খেলুৱৈ সুলভ মনোভাবৰ পৰিচয় দিলে তাৰ তুলনাত ছাত্ৰছাত্ৰীৰ উৎসাহ উদ্দীপনা আছিল তেনেই সেমেকা। আনকি ছাত্ৰ একাদশৰ ১১ জন খেলুৱৈও খেলপথাৰত উপস্থিত নাছিল।

**মহাবিদ্যালয় ফুটবল ঃ ৺ গনেশ শইকীয়া সোঁৱৰণী ফুটবল প্ৰতিযোগিতা ঃ** আমাৰ মহাবিদ্যালয়ত ফুটবল খেলুৱৈৰ সংখ্যা কম নহয়। কেবাজনো উন্নত মানৰ খেলুৱৈ আছে। কিন্তু অতি দুখৰ কথা মহাবিদ্যালয়ৰ এই প্ৰতিভাবান খেলুৱৈ সকলৰ বেছিভাগেই মহাবিদ্যালয়ৰ পৰিবৰ্ত্তে আন আন ফুটবল দলৰ হৈয়ে খেলে। ফলত মহাবিদ্যালয়ৰ ফুটবল দলটো শক্তিশালী হৈ নুঠে। যোৱা বছৰৰ ফুটবলৰ বতৰত স্থানীয় আন্ত-ক্লাব ৺ গনেশ শইকীয়া সোঁৱৰণী ফুটবল প্ৰতিযোগিতাত অংশ গ্ৰহণ কৰি আমাৰ মহাবিদ্যালয়ৰ ফুটবল দলে ভাৰতীয়া খেলুৱৈ লব লগা হৈছিল। ই অতি পৰিতাপৰ কথা। মহাবিদ্যালয়ৰ প্ৰতি খেলুৱৈসকলৰ প্ৰেমৰ অভাৱ হলে মহাবিদ্যালয় ফুটবল দল শক্তিশালী হব পাৰেনে?

সামগ্ৰীভাবে আমাৰ মহাবিদ্যালয়ৰ ফুটবল দলৰ দুৰ্ব্বলতাৰ অন্যতম কাৰণ—প্ৰথমতঃ খেলুৱৈ সকলৰ মাজত পৰস্পৰ বুজাবুজিৰ বাবে যি অনুশীলনৰ প্ৰয়োজন সেই অনুশীলনৰ অভাৱ। অনুশীলনৰ বাবে নিজা খেলপথাৰ নথকাৰ বাবেও এই সমস্যা সৃষ্টি হৈছে। দ্বিতীয়তেঃ প্ৰয়োজন অনুমতি ক্ৰীড়া সামগ্ৰীৰ অভাৱ তৃতীয়তেঃ ফুটবল দল নিৰ্ব্বাচনৰ সময়ত প্ৰতিযোগিতাৰ অভাৱ। নিৰ্দ্দিষ্ট সময়ৰ (প্ৰতিযোগিতাৰ) আগতেই উপযুক্ত অনুশীলন আৰু নিৰ্ব্বাচনৰ মাজেদি খেলুৱৈসকলক নিৰ্ব্বাচিত কৰিব পাৰিলে আমাৰ মহাবিদ্যালয়ৰ ফুটবল দল উন্নত মানদণ্ডৰ নহৈ নোৱাৰে। তথাপিওঁ অতি সীমিত সময়ৰ ভিতৰত গঠিত আমাৰ মহাবিদ্যালয়ৰ ফুটবল দলে প্ৰতিযোগিতাত যথেষ্ঠ ভাল প্ৰদৰ্শন কৰিব পাৰিছে। এনে প্ৰদৰ্শনৰ বাবেই আমাৰ দলে চেমি ফাইনেল স্তৰলৈ উত্তীৰ্ণ হবলৈ সক্ষম হয়।

**আন্তঃ শ্ৰেণী ফুটবল প্ৰতিযোগিতা ঃ** ছাত্ৰ-ছাত্ৰীৰ মাজৰ পৰা ফুটবল খেলুৱৈ নিৰ্ব্বাচন কৰা আৰু বিভিন্ন শ্ৰেণীৰ ছাত্ৰছাত্ৰীৰ মাজত প্ৰতিযোগিতামূলক মনোভাব গঢ়ি তুলিবলৈ আন্তঃ শ্ৰেণী ফুটবল প্ৰতিযোগিতা অনুষ্ঠিত কৰা হয়। এই প্ৰতিযোগিতাত স্নাতক মহলাৰ (কলা) প্ৰথম বাৰ্ষিকৰ দলে স্নাতক মহলাৰ দ্বিতীয় বাৰ্ষিকৰ দলক পৰাজিত কৰি শ্ৰেষ্ঠদলৰ সন্মান লাভ কৰে। এই প্ৰতিযোগিতাৰ পৰা শ্ৰেষ্ঠ খেলুৱৈসকলক নিৰ্ব্বাচিত কৰি আন্ত-মহাবিদ্যালয় ফুটবল প্ৰতি-

যোগিতাত অংশ গ্ৰহণ কৰাৰ পৰিকল্পনা লোৱা হৈছিল যদিও বিভিন্ন কাৰণত হৈ নুঠিল।

**পৰ্ব্বত আৰোহণ প্ৰশিক্ষণ শিবিৰ ঃ** অসমৰ এজন উদীয়মান পৰ্ব্বত আৰোহনকাৰী আমাৰ মহাবিদ্যালয়ৰে ছাত্ৰ তথা ভাৰপ্ৰাপ্ত সাধাৰণ সম্পাদক অনিল পাঠকৰ সহযোগত পৰ্ব্বত আৰোহন প্ৰশিক্ষণ শিবিৰ এটি আয়োজন কৰা হয়। এই প্ৰশিক্ষণ শিবিৰ অতি সাৰ্থকভাবে সফল কৰা হয়।

**কাবাডী প্ৰতিযোগিতাত অংশ গ্ৰহণ ঃ** 'জাগীৰোড কাবাডী সন্থাৰ দ্বাৰা আয়োজিত কাবাডী প্ৰতিযোগিতাত আমাৰ মহাবিদ্যালয়ে অংশ গ্ৰহণ কৰে। লৰা আৰু ছোৱালী উভয় শাখাতেই অংশ গ্ৰহণ কৰি লৰাৰ শাখাত আমাৰ মহাবিদ্যালয় দলটোৱে শ্ৰেষ্ঠ দল হিচাবে পৰিগণিত হয়।

**ক্ৰীড়া সামগ্ৰীৰ অভাৱ দূৰীকৰণ ঃ** অসম চৰকাৰৰ ক্ৰীড়া আৰু যুব কল্যাণ পৰিষদৰ স'তে যোগাযোগ কৰি ক্ৰীড়া সামগ্ৰীৰ অভাৱ কিছু দূৰ কৰাৰ চেষ্টা কৰা হয়। উক্ত পৰিষদে আমাৰ মহাবিদ্যালয়লৈ কিছু ক্ৰীড়া সামগ্ৰী সাহায্য হিচাবে আগবঢ়াইছে। ভৱিষ্যতেও ছাত্ৰ একতা সভাৰ সম্পাদকসকলৰ চৰকাৰৰ বিভিন্ন বিভাগৰ লগত যোগাযোগ কৰি আমাৰ কিছু অভাব দূৰ কৰাৰ চেষ্টা কৰিব বুলি আশা কৰিলোঁ।

**আন্তঃ ক্লাব (বেডমিন্টন প্ৰতিযোগিতাত অংশ গ্ৰহণ ঃ** জাগীৰোড ক্ৰীড়া সন্থাৰ দ্বাৰা আয়োজিত আন্তঃ ক্লাব বেডমিন্টন প্ৰতিযোগিতাতো আমাৰ মহাবিদ্যালয়ে অংশ গ্ৰহণ কৰিছে।

**সামৰণি ঃ** বিগত কালছোৱাত খেলবিভাগৰ সম্পাদকৰ কাৰ্য্যভাৰ পৰিচালনা কৰোতে জ্ঞাত-অজ্ঞাতে মোৰ হয়তো বহুতো ভূলক্ৰটি হৈছে। তাৰ বাবে সকলো ছাত্ৰছাত্ৰী তথা শিক্ষাগুৰু সকলৰ ওচৰত ক্ষমা মাগিছোঁ। যিসকল ছাত্ৰ-ছাত্ৰী আৰু শিক্ষাগুৰু সকলে মোক বিভিন্ন কামত সহযোগিতা আগবঢ়ালে তেওঁলোকলৈ যাচিলোঁ মোৰ ধন্যবাদ আৰু কৃতজ্ঞতা। বন্ধুবৰ দিগন্ত মান্তা, কামানউদ্দিন আহমেদ, তিলেশ্বৰ বৰদলৈ, জয়ন্ত ডেকা, দিগন্ত ডেকা, দিলীপ শৰ্মা আদিৰ সহযোগিতাৰ কথা সদায়েই মোৰ মনত থাকিব। শেষত মহাবিদ্যালয়ৰ ক্ৰীড়াৰ উন্নতি কামনা কৰি প্ৰতিবেদন সামৰিলোঁ। ইতি

নবজ্যোতি শৰ্মা
সম্পাদক, খেলবিভাগ

# সাহিত্য বিভাগৰ সম্পাদকীয় প্ৰতিবেদন

১৯৮৮-৮৯ বৰ্ষৰ মহাবিদ্যালয়ৰ সাহিত্য আলোচনী বিভাগৰ প্ৰতিবেদনৰ আৰম্ভনীতে মই কপিলী আঞ্চলিক মহাবিদ্যালয়ৰ সমূহ ছাত্ৰ-ছাত্ৰীলৈ মোৰ আন্তৰিক শুভেচ্ছা ও অভিনন্দন যাচিছোঁ। যিদৰে কোনো মানুহে একেখন নদীৰ একেখিনি পানীত ডুবাৰ গা ধুব নোৱাৰে সেইদৰে কোনো মানুহে একেখিনি সময়ক ডুবাৰ ব্যৱহাৰ কৰিব নোৱাৰে। সময়ৰ পৰিবৰ্ত্তনৰ লগে লগে চামে চামে মানুহৰো পৰিবৰ্ত্তন হয়। ১৯৮৮ চনৰ শেষৰ ফালে পুৰণি ছাত্ৰ একতা সভাখনৰ কাৰ্য্যকাল শেষ হোৱাৰ লগে লগে ১৯৮৯ চনৰ বাবে মহাবিদ্যালয়ৰ বিভিন্ন কাম-কাজ পৰিচালনা কৰিবলৈ একতা সভা গঠন কৰিবলৈ নিৰ্বাচন অনুষ্ঠিত হয় আৰু সেই নিৰ্বাচনতে মই মাত্ৰ এটা ভোটৰ ব্যৱধানত জয়লাভ কৰি মহাবিদ্যালয় সাহিত্য আলোচনী সম্পাদক হিচাপে নিৰ্বাচিত হওঁ। সম্পাদক হিচাপে কাৰ্য্যনিৰ্বাহ কৰা এই চুটি বছৰটো। বিভিন্ন ঘটনা পৰিঘটনাৰে পৰিপূৰ্ণ আৰু আপোনালোকৰ আগত আজি তাৰেই চমু আভাস দাঙি ধৰিবলৈ প্ৰয়াস কৰিছোঁ।

**মহাবিদ্যালয়ৰ মুখপত্ৰ উন্মোচনী অনুষ্ঠান ঃ-** সাহিত্য কেৱল জাতিৰ দাপোনেই নহয় ই এটা জাতিৰ ইতিহাসৰো কাম কৰে। সাহিত্য অবিহনে কোনো জাতিয়ে নিজক বিশ্লেষণ কৰিব নোৱাৰে। আমাৰ মহাবিদ্যালয়ে পোন প্ৰথমে নিজক আনৰ আগত প্ৰতিফলিত কৰাৰ সৌভাগ্য লাভ কৰে ১৯৮৯ চনৰ ১২ জানুৱাৰী তাৰিখে মহাবিদ্যালয়ৰ মুখপত্ৰখনিৰ উন্মোচনৰ জৰিয়তে। মুখপত্ৰখনি উন্মোচন কৰি দিয়া ভাষণ প্ৰসংগত অধ্যক্ষ মাননীয় মহেন্দ্ৰ আহোমদেৱে মহাবিদ্যালয়ৰ বহুদিনীয়া সপোন বাস্তৱত ৰূপায়িত হোৱা বুলি উল্লেখ কৰে। ইয়াৰ আগতে তত্বাবধায়ক অধ্যাপক সুভাষ সাহা দেৱে আলোচনীখনৰ নেপথ্য বুৰঞ্জী সম্পৰ্কে ব্যাখ্যা কৰে।

**মহাবিদ্যালয় সপ্তাহ ঃ-** অন্যান্য বছৰৰ দৰে ১৯৮৯ চনৰ ১৪ ফেব্ৰুৱাৰীৰ পৰা ১৮ ফেব্ৰুৱাৰীলৈ বিভিন্ন কাৰ্য্যসূচীৰে মহাবিদ্যালয় সপ্তাহ উদযাপন কৰা হয়। মহাবিদ্যালয় সপ্তাহ উপলক্ষে সাহিত্য আলোচনী বিভাগৰ উদ্যোগত বিভিন্ন সাহিত্য ৰচনা প্ৰতি যোগিতা, কবিতা, আবৃত্তি, (ইংৰাজী, অসমীয়া, বাংলা ভাষাত), স্বৰচিত কবিতা আবৃত্তি, গল্প ৰচনা, থিতাতে লিখা গল্প, কবিতা আৰু ৰচনা, আকস্মিক বক্তৃতা, কুইজ আদি প্ৰতিযোগিতা অনুষ্ঠিত কৰা হয়। দুখৰ বিষয় প্ৰতিযোগীৰ অভাৱত তৰ্ক প্ৰতিযোগিতা পাতিব পৰা নগল। মহাবিদ্যালয় সপ্তাহৰ লগত সংগতি ৰাখি All Assam Fine Arts and Crafts Society ৰ সম্পাদক আৰু শান্তি নিৰ্কেতনৰ পৰা চিত্ৰ শিল্প বিষয়ৰ স্নাতক মাননীয় শ্ৰীযুত নীলপৱন বৰুৱাৰ এখনি একক চিত্ৰ প্ৰদৰ্শনীত পতা হয়। এই প্ৰদৰ্শনীত শ্ৰীবৰুৱাৰ ২২খন স্কেচ আৰু ড্ৰয়িং প্ৰদৰ্শন

কৰা হয়। প্ৰদৰ্শনীখন অধ্যাপক সুভাষ সাহাদেবৰ উদ্যোগত পতা হয়। এই অনুষ্ঠানৰ লগত ৰঞ্জিতা খুৱাই স্থানীয় সাংস্কৃতিক গোষ্ঠী সুৰদেউলৰ উদ্যোগতো এখন প্ৰদৰ্শনী পতা হয়। এই প্ৰদৰ্শনীত স্থানীয় যুব-যুৱতী আৰু শিশুৰ চিত্ৰ-কলা চৰ্চ্চাৰ প্ৰতিফলন ঘটে।

**ফৰাচী বিপ্লৱৰ ওপৰত চিত্ৰপ্ৰদৰ্শনী ঃ–** এই বছৰ (১৯৮৯) পৃথিৱীৰ যুগান্তকাৰী ঘটনা ফৰাচী বিপ্লৱে দুশ বছৰ পূৰ্ণ কৰিলে। স্বেচ্ছাচাৰী আৰু অত্যাচাৰী শাসকক ধ্বংস কৰি মানৱ অধিকাৰ প্ৰতিষ্ঠিত কৰিবলৈ ১৭৮৯ চনত ফৰাচী জনগনে যি বিখ্যাত বিপ্লৱ গঢ়ি তুলিছিল তাৰ পবিত্ৰ স্মৃতিত এই বছৰ গোটেই বছৰযোৰা কাৰ্য্যসূচীৰে বিশ্বৰ বিভিন্ন ঠাইত ফৰাচী বিপ্লব দ্বিশতবাৰ্ষিকী উৎসব উদ্‌যাপন কৰি থকা হৈছে। ফৰাচী বিপ্লৱৰ দ্বি-শতবাৰ্ষিকী উপলক্ষে আমাৰ মহাবিদ্যালয়ৰ ইতিহাস বিভাগৰ সৌজন্যত আৰু সাহিত্য আলোচনী বিভাগৰ উদ্যোগত এখনি চিত্ৰ প্ৰদৰ্শনীও যোৱা ১৫, ১৬, ১৭, ১৮ নবেম্বৰ তাৰিখে প্ৰদৰ্শন কৰা হয়। প্ৰদৰ্শনীত বিপ্লৱৰ বিভিন্ন মুহূৰ্ত, বিপ্লৱী সকলৰ কাৰ্য্য প্ৰনালী আৰু সেই সময়ৰ মহান দাৰ্শনিক সাহিত্যিক আৰু নেতাসকলৰ ছবিও দেখুৱা হয়। প্ৰতিখন ছবিতে ঘটনা সম্পৰ্কে চমু বিৱৰণ থকাত দৰ্শকৰ বুজাত যথেষ্ট সহায় হয়। তদুপৰি দৰ্শক সকলক প্ৰতিটো চিত্ৰক পুঙ্খানুপুঙ্খ ভাবে বুজাই দিয়াত মহাবিদ্যালয়ৰ বুৰঞ্জী বিভাগৰ ছাত্ৰ-ছাত্ৰী সকলে আগ ভাগ লয়। এই ক্ষেত্ৰত শ্ৰীমতী মিনাক্ষী বৰকাকতি, লতামনি দাস, জয়া ডেকা আৰু শ্ৰীৰাতুল মেধীৰ ভূমিকা উল্লেখনীয়। প্ৰদৰ্শনীখন আনুষ্ঠানিক ভাৱে উন্মোচন কৰে মৰিগাঁৱৰ অৱসৰ প্ৰাপ্ত অধ্যাপক মাননীয় শ্ৰীযুত নবীন চন্দ্ৰ বৰ্মন দেৱে। উন্মোচনী ভাষনত বৰ্মন দেৱে ইয়াৰ তাৎপৰ্য্য সম্পৰ্কে বহল ব্যাখ্যা দাঙি ধৰে। উল্লেখযোগ্য যে ১৬ নবেম্বৰ তাৰিখে উক্ত বিষয়ৰ ওপৰত এখন আলোচনাচক্ৰও আয়োজন কৰা হয়। প্ৰদৰ্শনীখনৰ পৰিচালনা আৰু সম্পাদনা কৰে অধ্যাপক শ্ৰীযুত সুভাষ সাহা দেৱে। উক্ত প্ৰদৰ্শনীত মহাবিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰী শিক্ষক শিক্ষয়ত্ৰীৰ উপৰিও অঞ্চলৰ আন শিক্ষানুষ্ঠান সমূহৰ ছাত্ৰ-ছাত্ৰী সকলেও অংশ গ্ৰহণ কৰি ফৰাচী বিপ্লৱ সম্পৰ্কে কিঞ্চিত পৰিমানে হলেও জ্ঞান অৰ্জন কৰিবলৈ সক্ষম হয়।

**সাহিত্য ৰচনা প্ৰতিযোগীতা ঃ–** যোৱা চেপ্তেম্বৰ মাহত মহাবিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰী সকলৰ মাজত এখনি সাহিত্য ৰচনা প্ৰতিযোগিতাৰ আয়োজন কৰা হৈছিল। উক্ত প্ৰতিযোগিতা খনি মুঠতে দুটা শাখাত পতা হৈছিল। (i) কবিতা আৰু (ii) ৰচনা। ৰচনা কেৱল ইংৰাজী ভাষাত আৰু কবিতা তিনিটা ভাষাত ইংৰাজী, অসমীয়া আৰু বংলা ভাষাত প্ৰতিযোগিতা পতা হৈছিল। কিন্তু দুখ বিষয় প্ৰতিযোগীৰ অভাৱত মাত্ৰ অসমীয়া আৰু ইংৰাজী কবিতা বিভাগতহে প্ৰতিযোগিতা হ'ল। বাকী ৰচনা আৰু বংলা ভাষাত কবিতা প্ৰতিযোগিতা অনুষ্ঠিত কৰিব পৰা নগল।

ইয়াৰ উপৰিও মহাবিদ্যালয়ৰ আলোচনাচক্ৰ সমিতিৰ সৌজন্যত বিভিন্ন বিভাগ যেনে অসমীয়া, বংলা, ইংৰাজী, বুৰঞ্জী, শিক্ষা, আৰু ভূগোলবিজ্ঞান বিভাগৰ উদ্যোগত মুঠ ৫ খন আলোচনা চক্ৰ বিভিন্ন বিষয়ৰ ওপৰত অনুষ্ঠিত হয়। মহাবিদ্যালয়ৰ শিক্ষাগুৰু সকলৰ মহান প্ৰচেষ্টা আৰু ছাত্ৰ-ছাত্ৰী সকলৰ আন্তৰিক সহযোগিতাৰ ফলস্বৰূপে প্ৰতিখন আলোচনাচক্ৰত প্ৰতিটো বিষয় বিশদভাৱে আলোচিত হয় আৰু ইয়াৰ পৰা ছাত্ৰ-ছাত্ৰী সকল যথেষ্ট পৰিমাণে উপকৃত হোৱা বুলি কব পাৰি।

সৰ্ব্বানন্দ দেউৰী

# সমাজ সেৱা বিভাগৰ সম্পাদকৰ প্ৰতিবেদন

মোৰ প্ৰতিবেদন লিখাৰ আৰম্ভণীতে কপিলী আঞ্চলিক মহাবিদ্যালয়ৰ প্ৰতিষ্ঠাপক তথা সমূহ কৰ্ণধাৰ সকললৈ গভীৰ শ্ৰদ্ধা নিবেদন কৰিছো। অসমৰ জাতীয় অস্তিত্ব ৰক্ষাৰ আন্দোলন কাৰীৰ বাবে আজিক বিসৰ্জন দিয়া বীৰ শ্বহীদসকললৈ গভীৰ শ্ৰদ্ধাঞ্জলি জ্ঞাপন কৰিছো।

এই খিনিতে ১৯৮৮/৮৯ চনৰ সমাজ সেৱা বিভাগৰ সম্পাদক হিচাপে মোক মনোনীত কৰা বাবে অধ্যক্ষ মহোদয় চাৰ, লগতে অধ্যাপক অধ্যাপিকা সকল আৰু ছাত্ৰ একতা সভাৰ সমূহ কাৰ্য্য নিৰ্ব্বাহক সদস্যলৈ কৃতজ্ঞতা জ্ঞাপন কৰিছো। মহাবিদ্যালয়ৰ সমূহ ছাত্ৰছাত্ৰীয়েই মোক যোগ্য বিবেচনা কৰি এই পদত প্ৰাৰ্থী হিচাপে বহু প্ৰতিদ্বন্দ্বিতাৰে নিৰ্ব্বাচিত কৰা বাবে ধন্যবাদ জ্ঞাপন কৰিলোঁ।

সম্পাদক হিচাপে মই কি কৰিব পাৰিছিলো কি নোৱাৰিছিলো তাক মই কবলৈ নেযাওঁ। বহুতো বাধাৰ মাজেৰে মই দায়িত্ব পালন কৰিবলৈ চেষ্টা কৰিছিলোঁ। তাত কিমান সফল হৈছিলোঁ সেইটো আপোনালোকৰ বিচাৰ্য্য। মোৰ কাৰ্য্যকাল চোৱাত মহাবিদ্যালয়ত যথেষ্ট অভাৱ অনুভৱ কৰিছিলোঁ। অভাৱ পুৰণ কৰিবলৈ যাওঁতে বহুটো বাধাও পাইছিলোঁ। কিছুমান ক্ষেত্ৰত সফল হৈছিলো, কিছুমান ক্ষেত্ৰত বিফল হৈছিলোঁ। বিশেষকৈ মহাবিদ্যালয়ৰ প্ৰস্ৰাৱগাৰ আৰু খোৱা পানী ব্যৱস্থাৰ নথকাত যথেষ্ট কষ্টৰ সন্মুখীন হৈছিলো শেষত কৰ্তৃপক্ষৰ পৰা কিছুমান অভাৱ কাৰ্য্যকালৰ শেষ ভাগত সমাধান নহ'ল। লগতে আশা ৰাখিছোঁ, পৰৱৰ্তী ছাত্ৰ একতা সভা সমূহৰ প্ৰতিনিধিসকলে অভাৱ অভিযোগ সমূহ বুজলৈ তাৰ সমাধানৰ অৰ্থে কাম কৰিব।

"মহাবিদ্যালয়ৰ সপ্তাহ" সমাৰোহ আয়োজনত বিশেষ ভাৱে সহায় কৰিছোঁ। সৰস্বতী পূজা, মহাপুৰুষ গুৰুজনাৰ তিৰোধান তিথি আৰু নৱাগত

আদৰণি সভাত বিভিন্ন ধৰনৰ নাম প্ৰসঙ্গৰ আৰু কাৰ্য্যসূচীৰে সেই পবিত্ৰ দিনবোৰ পালন কৰিছিলোঁ। তাৰ ওপৰিও খোৱা পানী সংৰক্ষণৰ ব্যৱস্থাওঁ কৰা হয়।

সমাজ সেৱা বিভাগৰ সম্পাদকক সময় ছোৱাৰ কাৰ্য্যত দিহা পৰামৰ্শ দিয়াৰ বাবে অধ্যক্ষ মহোদয় মহেন্দ্ৰ আহোম চাৰ, বিভাগীয় তত্বাৱধায়ক তুলাল চন্দ্ৰ দত্ত চাৰক কৃতজ্ঞতা জ্ঞাপন কৰিছো। মোৰ এই দীঘলীয়া কাৰ্য্যকালৰ সময়ত সকলো ফালৰ পৰা সহায় সহযোগ আগবঢ়োৱাৰ বাবে মৰমৰ বন্ধু মনিন্দ্ৰ দেৱান, তিলেশ্বৰ বৰদলৈ, জয়ন্ত ডেকা আৰু অজয় পাটৰক আন্তৰিকতাৰে শলাগ লৈছো। লগতে প্ৰত্যেক সময়তে বিভিন্ন কামত সহায় কৰা বন্ধু-বান্ধৱীলৈ মোৰ আন্তৰিক শলাগ আগবঢ়াইছোঁ।

মোৰ কনমান অভিজ্ঞতাৰ কাৰ্য্যকালছোৱাত বহুতকে তিতা কেহা দিলো। কিন্তু বাস্তৱ অভিজ্ঞতাও ললো। এটাই মোৰ অভিজ্ঞতা হ'ল এটা সংগঠন চলিবলৈ হলে সংগঠনকাৰীৰ মাজত মিলা প্ৰীতিৰ উদ্দেশ্য এক হ'ব লাগে, আৰু সামাজিক বা এটা অনুষ্ঠানৰ কাম কৰিবলৈ হলে নিজক সম্পুৰ্ণৰূপে আত্মনিয়োগ কৰিব পাৰিব লাগিব। মোৰ কাৰ্য্যকালৰ কালছোৱাত ভুল ভ্ৰান্তিও হৈছিল। তাৰ বাবে মই সকলোৰে ওচৰত ক্ষমা ভিক্ষা মাগিছোঁ। মহাবিদ্যালয় চলিছে, চলিব আৰু চলিয়েই থাকিব কিন্তু মোৰ বিশ্বাস উঠি অহা চামে যদি লুইতৰ তুয়ো পাৰ জিলিকাবৰ চেষ্টা কৰিছে। তেনে হ'লে চেষ্টাৰ ত্ৰুটি কৰিব নেলাগিব।

সদৌ শেষত কপিলী আঞ্চলিক মহাবিদ্যালয়ৰ সমাজ সেৱা বিভাগৰ দীৰ্ঘায়ু কামনাৰে প্ৰতিবেদন সামৰিছোঁ।

জয়তু কপিলী আঞ্চলিক মহাবিদ্যালয়

জয়তু কপিলী আঞ্চলিক মহাবিদ্যালয়

জয় আই অসম।

ধন্যবাদেৰে—

অনিল কুমাৰ কেলেং

# সাংস্কৃতিক বিভাগৰ সম্পাদকৰ প্ৰতিবেদন

জয় জয় জয়তে কপিলী আঞ্চলিক মহাবিদ্যালয়ৰ অধ্যক্ষ লগতে শিক্ষাগুৰু সকলৰ শ্ৰীচৰণত প্ৰণিপাত আৰু মহাবিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰী বন্ধু-বান্ধৱী সকলক আন্তৰিক কৃতজ্ঞতা জনাই মোৰ বিভাগীয় সম্পাদকৰ প্ৰতিবেদনৰ আৰম্ভনী কৰিলো।

**মহাবিদ্যালয় সপ্তাহঃ** কাৰ্য্যভাৰ গ্ৰহণ কৰাৰ কিছুদিনৰ পাছত "মহাবিদ্যালয় বাৰ্ষিক সপ্তাহ" সমাৰোহ পালন কৰা হয়। ১৪।২।৮৯ তাৰিখৰ পৰা আৰম্ভ কৰি ১৭।২।৮৯ তাৰিখলৈকে সমাৰোহত আয়োজন কৰিছিলো বিভিন্ন প্ৰতিযোগীতা। প্ৰতিযোগী সকলৰ উৎসাহ উদ্দীপনাৰ জোখাৰে প্ৰতিযোগী সমূহ উন্নত মানৰ হৈছিল বুলি কব পৰা নগল। ইয়াৰ কাৰণ হয়তো মহাবিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰী সকলৰ সংগীতৰ প্ৰতি আগ্ৰহৰ অভাৱ। প্ৰতিযোগিতাৰ বিজয়ী প্ৰতিযোগী সকলক সমাৰোহৰ শেষৰ দিনা বঁটা বিতৰণী সভাৰ জৰিয়তে একোখন কৈ কিতাপ আৰু মান পত্ৰৰে সম্মানিত কৰাহয়। বঁটা বিতৰণ কৰে খ্যাতনামা চিত্ৰকৰ মাননীয় শ্ৰীযুত নীলপৱন বৰুৱা দেৱে। বছৰৰ শ্ৰেষ্ঠ গায়ক, গায়িকা হিচাপে কোনো এজনকো নিৰ্ব্বাচন কৰা নহল। একাঙ্কীকা নাটৰ শ্ৰেষ্ঠ অভিনেতা, স্নাতক তৃতীয় বাৰ্ষিকৰ ছাত্ৰ চিন্ময় বৰঠাকুৰক, শ্ৰেষ্ঠ অভিনেত্ৰী স্নাতক তৃতীয় বাৰ্ষিকৰ ছাত্ৰী কুমাৰী দীপ্তি বৰাক আৰু শ্ৰেষ্ঠ পৰিচালক চিন্ময় বৰঠাকুৰক নিৰ্ব্বাচিত কৰা হয়। বঁটাবিতৰণী সভাৰ দিনাই সন্ধিয়া ৬ বজাৰ পৰা এখন সাংস্কৃতিক সন্ধিয়াৰ আয়োজন কৰা হয়।


**তিথি পালন ঃ-** মহাবিদ্যালয়ৰ বাৰ্ষিক সপ্তাহ সমাৰোহৰ কিছুদিন আগত শ্ৰীশ্ৰীসৰস্বতী দেৱীৰ পূজা আন আন বছৰবোৰৰ দৰে এই বাৰোও ছাত্ৰ-ছাত্ৰী আৰু শিক্ষক-শিক্ষয়িত্ৰী সকলৰ সহযোগত দিনটো জোৰা কাৰ্য সূচীৰে সমাপন কৰা হয়। মোৰ কাৰ্য্য কালৰ সময়ছোৱাতো আন আন বছৰবোৰৰ দৰে মহাপুৰুষ শ্ৰীশ্ৰীশঙ্কৰ দেৱৰ তিথি মহাবিদ্যালয়ৰ শিক্ষক-শিক্ষয়িত্ৰী, ছাত্ৰ-ছাত্ৰী তথা স্থানীয় ৰাইজৰ উপস্থিতিত বৰ উলহ-মালহেৰে পালন কৰা হয়।

**সম্বৰ্দ্ধনা অনুষ্ঠান ঃ-** আমাৰ মহাবিদ্যালয়লৈ অহা নতুন ছাত্ৰ-ছাত্ৰী সকলক আদৰণী জনোৱাৰ উদ্দেশ্যে 'নবাগতা আদৰণী' সভাখন পতা হয়, মোৰ কাৰ্য্যকালৰ অন্তিম ক্ষনত অক্টোবৰ মাহৰ ৪/১০/৮৯ তাৰিখে। সেই দিনাই সন্ধিয়া এখন সাংস্কৃতিক অনুষ্ঠানৰ আয়োজন কৰা হয়। সাংস্কৃতিক অনুষ্ঠান উদ্বোধন কৰে আমাৰ মহাবিদ্যালয়ৰ অধ্যক্ষ মাননীয় শ্ৰীযুত মহেন্দ্ৰ অহোমদেৱে। সাংস্কৃতিক অনুষ্ঠানত মহাবিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰী সকলৰ ওপৰিও অনাতাঁৰ আৰু দূৰদৰ্শনৰ শিল্পী শ্ৰীমতী কুসুম তালুকদাৰ আৰু নিমন্ত্ৰিত অতিথি শিল্পী ৰঘুনন্দন শৰ্মাইও গীত পৰিবেশন কৰে।

**কৃতজ্ঞতা ঃ–** সংগীত আৰু সাংস্কৃতিক সম্পাদক সময়ছোৱাৰ কাৰ্য্যত দিহা পৰামৰ্শ দিয়াৰ বাবে অধ্যক্ষ মহোদয় মহেন্দ্ৰ আহোম চাৰ, বিভাগীয় তত্ত্বধায়ক প্ৰবক্তা পল্লৱ গোস্বামী, পৱন গগৈ, হেমকান্ত চুতীয়া, মুনীন্দ্ৰ তহবিলদাৰ, উৎপল ফুকন, সুভাষ সাহা, ৰুদ্ৰ দাস, মলয়া গোস্বামী আৰু ৰাজু বৰুৱা বাইদেউলৈ কৃতজ্ঞতা জ্ঞাপন কৰিছো। মোৰ এই দীঘলীয়া কাৰ্য্যকালৰ সময়ত সকলো ফালৰ পৰা সহায় সহযোগ আগবঢ়োৱাৰ বাবে সহকৰ্ম্মী, অতুল কাঠাৰ, লক্ষীনন্দন শৰ্মা মুনীন্দ্ৰ দেৱান, শৰৎ বৰা, মনু ডেকা, আৰু নিজৰা বৰগোঁহাই লৈ আন্তৰিকতাৰে শলাগ লৈছো। এই খিনিতে সমূহ ছাত্ৰ-ছাত্ৰীক অনুৰোধ কৰি জনাওঁযে যিকোনো এটা বিভাগত এজন ছাত্ৰক ভোট দি নিৰ্ব্বাচন কৰি বিভাগীয় দায়িত্ব দিলেই বাকী ছাত্ৰ-ছাত্ৰী সকলৰ কাম শেষ নহয়। বিভাগীয় সম্পাদকে কাৰ্য্যাৱলী সুচাৰু ৰূপে চলাবলৈ আন ছাত্ৰ-ছাত্ৰী সকলে আগবাঢ়ি আহি দিহা পৰামৰ্শ আৰু সহায়-সহযোগ কৰে যেন। তেনে কৰিলে কেৱল বিভাগীয় সম্পাদকৰেই নহয় মহাবিদ্যালয় খনৰো কীৰ্ত্তি বাঢ়িব। সম্পাদকে কেতিয়াও আনৰ সহযোগ নোহোৱাকৈ অকলে বিভাগটো চলাব-নোৱাৰে। কেতিয়াবা কোনো এজনে ভুল কৰিলেও ভুলটোৰ কথাকেই ভাৱি নাথাকি ভৱিষ্যতে পুণঃ ভুল নকৰাকৈ আগবাঢ়ি যাবলৈ চিন্তা কৰে যেন। প্ৰতিজন ছাত্ৰ-ছাত্ৰীয়ে মহাবিদ্যালয়খনক নিজৰ বুলি আৰু এয়া সৰ্ব্বাঙ্গীন উন্নতিৰ বাবে প্ৰতিটো দিশতেই আগবাঢ়ি যায় যেন। মোৰ এধানমান জ্ঞান আৰু বুদ্ধিৰে সংগীত আৰু সাংস্কৃতিক বিভাগৰ নিচিনা এটা গধুৰ দায়িত্ব সুচাৰু ৰূপে চলাই নিবলৈ সদায় যত্ন কৰিছিলো। ইয়াৰ মাজতো জ্ঞাত আৰু অজ্ঞাত ভুল নিশ্চয় হৈছিল সেয়েহে জ্ঞাত আৰু অজ্ঞাত সকলোবোৰ ভুলৰ বাবে আজি এই বিদায়ৰ সন্ধিক্ষনত সকলোৰে ওচৰত ক্ষমা ভিক্ষা মাগিছো। সদৌ শেষত কপিলী আঞ্চলিক মহাবিদ্যালয়ৰ সমূহ ছাত্ৰ-ছাত্ৰী, শিক্ষক-শিক্ষয়িত্ৰী তথা কৰ্ম কৰ্ত্তা সকলৰ দীৰ্ঘায়ু কামনা কৰি মোৰ প্ৰতিবেদন ইমানতে সামৰণি মাৰিছো।

আশীষ বৰগোঁহাই

# স্মৃতিৰ সজীৱ মুহূৰ্ত্তবোৰ







**বাৰ্ষিক খেল-ধেমালী আৰু সাংস্কৃতিক প্ৰতিযোগিতাৰ কৃতি ছাত্ৰ-ছাত্ৰীসকল**

শ্ৰেষ্ঠ অভিনেতা আৰু পৰিচালক
**চিন্ময় বৰঠাকুৰ**
স্নাতক, ৩য় বৰ্ষ (কলা)

শ্ৰেষ্ঠ মহিলা খেলুৱৈ
**হীৰামনি বৰদলৈ**
উচ্চ-মাধ্যমিক, ২য় বৰ্ষ (কলা)

শ্ৰেষ্ঠ পুৰুষ খেলুৱৈ
**তিলেশ্বৰ বৰদলৈ**
উচ্চ-মাধ্যমিক, ২য় বৰ্ষ (কলা)



ফৰাচী বিপ্লৱৰ (১৭৮৯-১৯৮৯) দ্বি-শতবৰ্ষ উপলক্ষে বুৰঞ্জী বিভাগৰ দ্বাৰা আয়োজিত চিত্ৰ-প্ৰদৰ্শনীৰ বিভিন্ন মুহূৰ্ত্ত দেখা গৈছে । ছবিত প্ৰদৰ্শনীৰ উদ্বোধক, মৰিগাওঁ উচ্চ-মাধ্যমিক বিদ্যালয়ৰ বুৰঞ্জী বিভাগৰ অৱসৰ প্ৰাপ্ত শিক্ষক শ্ৰীযুত নবীন বৰ্মনকো দেখা গৈছে ।

# বাৰ্ষিক প্ৰতিযোগিতাৰ ফলাফল
## (১৯৮৮-'৮৯)

খেল বিভাগ ঃ

ল'ৰা ১০০ মিটাৰ দৌৰ—

প্ৰথম—গকুল ডেকা
( স্নাতক, প্ৰথম বাৰ্ষিক, কলা )
দ্বিতীয়—তিলেশ্বৰ বৰদলৈ
(উচ্চতৰ মাধ্যমিক, প্ৰথম বাৰ্ষিক, কলা)
তৃতীয়—উত্তম বৰুৱা
(স্নাতক, প্ৰথম বাৰ্ষিক, কলা)

২০০ মিটাৰ দৌৰ—

প্ৰথম—গকুল ডেকা
(স্নাতক, প্ৰথম বাৰ্ষিক, কলা)
দ্বিতীয়—তিলেশ্বৰ বৰদলৈ
(উচ্চতৰ মাধ্যমিক, প্ৰথম বাৰ্ষিক, কলা)

৪০০ মিটাৰ দৌৰ—

প্ৰথম - গকুল ডেকা
(স্নাতক, প্ৰথম বাৰ্ষিক কলা)
দ্বিতীয়—ক্ষীৰোদ দেউৰী
(স্নাতক, প্ৰথম বাৰ্ষিক, কলা)
তৃতীয়—ৰবীন কোঁৱৰ
(স্নাতক, প্ৰথম বাৰ্ষিক, বিজ্ঞান)

৮০০ মিটাৰ দৌৰ—

প্ৰথম—লিটন চন্দ
(স্নাতক, প্ৰথম বাৰ্ষিক, কলা)
দ্বিতীয়—দেব কুমাৰ বৰদলৈ
(উচ্চতৰ মাধ্যমিক, প্ৰথম বাৰ্ষিক, কলা)
তৃতীয়—বিমল লোধ
(স্নাতক, দ্বিতীয় বাৰ্ষিক, কলা)

ডিচকাচ থ্ৰ—

প্ৰথম- কৃষ্ণ ঠাকুৰী
(স্নাতক, তৃতীয় বাৰ্ষিক, কলা)
দ্বিতীয়—গিৰীন্দ্ৰ হাজৰিকা
(স্নাতক, ১ম বাৰ্ষিক, কলা)
তৃতীয়—গকুল ডেকা
স্নাতক, ১ম বাৰ্ষিক, কলা)

জাঠী দলিওঁৱা—

প্ৰথম- তিলেশ্বৰ বৰদলৈ
(উচ্চতৰ মাধ্যমিক, ১ম বাৰ্ষিক)
দ্বিতীয়—কবিন্দ্ৰ ডেকা
(স্নাতক, ১ম বাৰ্ষিক, বিজ্ঞান)
তৃতীয়—গিৰীন্দ্ৰ হাজৰিকা
(স্নাতক, ১ম বাৰ্ষিক, কলা)

ওজন দলিওঁৱা—

প্ৰথম- ৰত্নেশ্বৰ দেউৰী
(উচ্চতৰ মাধ্যমিক, ১ম বাৰ্ষিক, কলা)
দ্বিতীয়—তিলেশ্বৰ বৰদলৈ
(উচ্চতৰ মাধ্যমিক, ১ম বাৰ্ষিক, কলা)

তৃতীয়—মহেন্দ্ৰ নাথ
(উচ্চতৰ মাধ্যমিক, ১ম বাৰ্ষিক, কলা)

লং জাম্প—

প্ৰথম- গিৰিন্দ্ৰ হাজৰিকা
(স্নাতক, ১ম বাৰ্ষিক, কলা)
দ্বিতীয়—ক্ষীৰোদ দেউৰী
(স্নাতক, ১ম বাৰ্ষিক, কলা)
তৃতীয়—উত্তম ডেকা
(উচ্চতৰ মাধ্যমিক, ১ম বাৰ্ষিক, কলা)

হাই জাম্প—

প্ৰথম- ৰমেশ চন্দ্ৰ স্বৰ্গীয়াৰী
(উচ্চতৰ মাধ্যমিক, ১ম বাৰ্ষিক, কলা)
দ্বিতীয়—তিলেশ্বৰ বৰদলৈ
(উচ্চতৰ মাধ্যমিক, ১ম বাৰ্ষিক, কলা)
তৃতীয়—উত্তম ডেকা
(উচ্চতৰ মাধ্যমিক, ১ম বাৰ্ষিক, কলা)

ডাবা—

প্ৰথম- বাদল ধৰা
(স্নাতক, তৃতীয় বাৰ্ষিক, কলা)
দ্বিতীয়—লক্ষীনন্দন শৰ্মা
(স্নাতক, ২য় বাৰ্ষিক, কলা)

বেডমিণ্টন (একক)—

প্ৰথম- সদানন্দ বৈশ্য
(স্নাতক, ২য় বাৰ্ষিক, কলা)
দ্বিতীয়—দিগন্ত মান্তা
(স্নাতক, দ্বিতীয় বাৰ্ষিক, কলা)

বেডমিণ্টন- (যুগ্ম)—

প্ৰথম- সদানন্দ বৈশ্য
দিগন্ত মান্তা
(স্নাতক, ২য় বাৰ্ষিক, কলা)
দ্বিতীয়—নবজিৎ শৰ্মা
(স্নাতক, ১ম বাৰ্ষিক, কলা)
দিলীপ শৰ্মা
(স্নাতক, তৃতীয় বাৰ্ষিক, কলা)

কেৰম—

প্ৰথম- বাদল ধৰ
(স্নাতক, ২য় বাৰ্ষিক, কলা)
দ্বিতীয়—মুনীন্দ্ৰ দেৱান
(উচ্চতৰ মাধ্যমিক, ১ম বাৰ্ষিক, বিজ্ঞান)

ছোৱালী১০০ মিটাৰ দৌৰ —

প্ৰথম- মিচ্ হীৰা কোঁৱৰ
(উচ্চতৰ মাধ্যমিক, ১ম বাৰ্ষিক, কলা)
দ্বিতীয়—মিচ্ সীতা ডেকা
(উচ্চতৰ মাধ্যমিক, ১ম বাৰ্ষিক, কলা)
তৃতীয়—মিচ্ কল্পনা ডেকাৰজা
(উচ্চতৰ মাধ্যমিক, ১ম বাৰ্ষিক, কলা)

২০০ মিটাৰ দৌৰ—

প্ৰথম- মিচ্ হীৰা কোঁৱৰ
(উচ্চতৰ মাধ্যমিক, ১ম বাৰ্ষিক, কলা)
দ্বিতীয়—মিচ্ বৰ্ণপ্ৰভা মান্তা
(উচ্চতৰ মাধ্যমিক, ১ম বাৰ্ষিক, কলা)
তৃতীয়—মিচ কল্পনা ডেকাৰজা
(উচ্চতৰ মাধ্যমিক, ১ম বাৰ্ষিক, কলা)

ওজন দলিওঁৱা—

প্ৰথম- মিচ হীৰা কোঁৱৰ
(উচ্চতৰ মাধ্যমিক, ১ম বাৰ্ষিক, কলা)
২য়—মিচ সীতা ডেকা
(উচ্চতৰ মাধ্যমিক, ১ম বাৰ্ষিক, কলা)
তৃয়— মিচ কল্পনা ডেকাৰজা
(উচ্চতৰ মাধ্যমিক, ১ম বাৰ্ষিক, কলা)

জাঠী দলিওঁৱা —

প্ৰথম- মিচ্ হীৰা কোঁৱৰ
(উচ্চতৰ মাধ্যমিক, ১ম বাৰ্ষিক, কলা)

২য়—মিচ্ কল্পনা ডেকাৰজা
(উচ্চতৰ মাধ্যমিক, ১ম বাৰ্ষিক, কলা)
তৃয়—মিচ্ বৰ্ণপ্ৰভা মান্তা
(উচ্চতৰ মাধ্যমিক, ১ম বাৰ্ষিক, কলা)

কাহী দলিওঁৱা—
প্ৰথম- মিচ্ হীৰা কোঁৱৰ
(উচ্চতৰ মাধ্যমিক, ১ম বাৰ্ষিক, কলা)
২য়—মিচ্ জ্যোতিপ্ৰভা বৰদলৈ
(উৰ্চ্চতৰ মাধ্যমিক, ১ম বাৰ্ষিক, কলা)

বেডমিণ্টন (একক)—
প্ৰথম—মিচ নিলাক্ষী দেবী
(উচ্চতৰ মাধ্যমিক, ১ম বাৰ্ষিক, কলা)
২য়—মিচ্ মৈত্ৰেয়ী বৰঠাকুৰ
(স্নাতক, ২য় বাৰ্ষিক, কলা)

ভলীবল—
১ম শ্ৰেষ্ঠ দলঃ- উচ্চতৰ মাধ্যমিক, ১ম বাৰ্ষিক, কলা
২য় শ্ৰেষ্ঠ দলঃ— স্নাতক, ১ম বাৰ্ষিক, বিজ্ঞান

আন্তঃ শ্ৰেণী ফুটবল প্ৰতিযোগিতা—
১ম শ্ৰেষ্ঠ দলঃ — স্নাতক, ১ম বাৰ্ষিক, কলা
২য় শ্ৰেষ্ঠ দলঃ— স্নাতক, ২য় বাৰ্ষিক, কলা

সাংস্কৃতিক বিভাগ—

আধুনীক গীত—
১ম প্ৰতিভা বৰকাকতি (T.D.C. III)
২য় মনীষা গোস্বামী (H.S. II)
৩য় অতুল কাঠাৰ (T.D C. II)

ভজন—
২য় মনীষা গোস্বামী (H. S. I)
৩য় অতুল কাঠাৰ (T.D.C. III)

বৰগীত—
১ম সবিতা বৰা (T.D.C. III)
২য় লনিম গগৈ (T.D.C. I)

লোকগীত—
২য় মিনু মেধী (T.D.C. II)

সমবেত সংগীত—
ৰাজীৱ ডেকাৰ দল (T.D.C. II)

জ্যোতি সংগীত—
উদগণি বটা শ্ৰীমতী দীপু বৰা (H S.II)

বিষ্ণুৰাভা সংগীত—
২য় মনীষা গোস্বামী (H.S. I)
৩য় অতুল কাঠাৰ (T.D.C. II)

পাৰ্বতী প্ৰসাদ বৰুৱাৰ গীত—
২য় মনীষা গোস্বামী (H.S. I)
৩য় অতুল কাঠাৰ (T.D.C. II)

ভূপেন্দ্ৰ সংগীত—
অতুল কাঠাৰ (T.D.C.)

ৰবীন্দ্ৰ সংগীত—
২য় বিষ্ণু দত্ত (H.S. I)
৩য় মিনু সৰকাৰ (T.D.C. III)

সৃষ্টিমূলক নৃত্য—
২য় ৰেখা ভট্টাচাৰ্য্য (T.D.C. II)
৩য় বিউটি ৰয় (H.S. I)

বনগীত—
১ম অতুল কাঠাৰ (T.D.C II)

একাঙ্ক নাট শ্ৰেষ্ঠ দল—
১ম চিন্ময় বৰঠাকুৰৰ দল।

শ্ৰেষ্ঠ অভিনেতা—পৰিচালকঃ
চিন্ময় বৰঠাকুৰ (স্নাতক, ৩য় বৰ্ষ, কলা)

শ্ৰেষ্ঠ অভিনেত্ৰী ঃ—
কুমাৰী মেৰী ডেকা (স্নাতক, ২য় বৰ্ষ, কলা)

ভেশচন—
২য় লক্ষজ্যোতি শইকীয়া (T.D.C. Sc. I
৩য় কমলজিৎ বৰকাকতি (H.S. I)

সাহিত্য-বিতৰ্ক আৰু আলোচনা চক্ৰ বিভাগঃ

থিতাতে লিখা কবিতা :—

১মঃ- নাই

২য়ঃ-ৰবীন চন্দ্ৰ কোঁৱৰ T.D.C. 1st yr. (Sc)

৩য়ঃ-সৰ্ব্বানন্দ দেউৰী T.D.C. 1st yr.(Arts)

থিতাতে লিখা ৰচনা—

১মঃ- নাই

২য়ঃ- অৰুণ মান্তা T.D.C. II yr. (Arts)

৩য়ঃ- যুগ্মভাৱে ঃ

দেবাশীষ দাস T.D.C. II yr. (Arts)

প্ৰনবজ্যোতি ভূঞা H.S. 1st yr. (Arts)

আকস্মিক বক্তৃতা :—

১মঃ- জিতেন বৰুৱা T.D.C. 1st yr. (Sc)

২য়ঃ- অতুল কাঠাৰ T.D.C. II yr. (Arts)

৩য়ঃ- ফনীধৰ বৰ্মণ T.D.C. 1st yr. (Arts)

অসমীয়া কবিতা আবৃত্তি :—

১মঃ-ৰাজুমনি শইকীয়া T.D.C. III yr.(Arts)

২য়ঃ- মিতালী শৰ্মা H.S. 1st yr. (Sc)

৩য়ঃ-নীলিমা ৰৰকাকতী T.D.C.IIIyr.(Arts)

ইংৰাজী কবিতা আবৃত্তি :—

১মঃ- নাই

২য়ঃ- মিতালী শৰ্মা H.S. 1st yr. (Sc)

৩য়ঃ- বিষ্ণু উপাধ্যায় T.D.C. 1st yr (Arts)

বাংলা কবিতা আবৃত্তি :—

১মঃ- ৰেখা ভট্টাচাৰ্য্য T.D.C. II yr. (Arts)

২য়ঃ- সুশীল শইকীয়া T.D.C. II yr. (Arts)

৩য়ঃ- মাধুৰী দত্ত T.D.C. III yr. (Arts)

স্বৰচিত কবিতা :—

১মঃ- নাই

২য়ঃ- ৰাজুমণি শইকীয়া T.D.C III yr (Arts)

৩য়ঃ- বিমল চন্দ্ৰ মেধি T.D.C. IIyr. (Arts)

কুইজ :—

প্ৰথম শ্ৰেষ্ঠ দল—

* ৰিমল চন্দ্ৰ মেধি T.D.C. II yr. (Arts)

* সজল চক্ৰবৰ্ত্তী H. S. 1st yr. (Arts)

* বিশ্বজিৎ সেন T.D.C. II yr. (Arts)

দ্বিতীয় শ্ৰেষ্ঠ দল :—

* কন্দৰ্প শইকীয়া H.S. 1st yr. (Sc)

* নাৰায়ন দেৱ H.S. 1st yr. (Sc)

* মুনিন্দ্ৰ দেৱান H.S. 1st yr. (Sc)

তৃতীয় শ্ৰেষ্ঠ দল :—

* লক্ষ্মীনন্দন শৰ্মা T.D,C, II yr. (Arts)

* অতুল কাঠাৰ T.D.C. II yr. (Arts)

* অলিন পাঠক T.D.C. 1st yr. (Arts)

সাহিত্য ৰচনা প্ৰতিযোগিতা :—

অসমীয়া কবিতা :—

১মঃ- নাই

২য়ঃ- অৰুণ মান্তা T.D.C. II yr. (Arts)

৩য়ঃ- মনিৰাম বৰদলৈ T.D.C. 1st yr.(Arts)

ইংৰাজী কবিতা :—


১মঃ- নাই

২য়ঃ- গকুল চুবেদি T.D.C. II yr. (Arts)

শ্ৰেষ্ঠ খেলুৱৈ ল'ৰা—তিলেশ্বৰ বৰদলৈ
(উচ্চতৰ মাধ্যমিক, ১ম বাৰ্ষিক, কলা)

শ্ৰেষ্ঠ খেলুৱৈ ছোৱালী—মিচ্ হীৰা কোঁৱৰ
(উচ্চতৰ মাধ্যমিক, ১ম বাৰ্ষিক, কলা)

শ্ৰেষ্ঠ অংশ গ্ৰহণকাৰী তিলেশ্বৰ বৰদলৈ
(উচ্চতৰ মাধ্যমিক, ১ম বাৰ্ষিক, কলা)



'My body may need a rest
not
my mind'

● wang chei

কপিলী আঞ্চলিক মহাবিদ্যালয় ছাত্র একতা সভাৰ সভাপতি তথা অধ্যক্ষ মহেন্দ্ৰ আহোমৰ দ্বাৰা প্ৰকাশিত আৰু মণিকূট প্ৰিন্টাৰ্চ, লেম্বৰোড, গুৱাহাটী- ১ ত মুদ্ৰিত।